First Year: First Issue: November, 2025

প্রথম সংখ্যক,

আলোড়ন

ALURON

ঃ আলোচনী – ২০২৫

Vol-1, Issue-1



সম্পাদক
অংকিতা বৰা

উচৰ্গা



ৰূপহী অসমলৈ প্ৰাণ-প্ৰাচুৰ্য্য লৈ অনা আমাৰ "বুকুৰ ধন" তথা "তেজস্বী কণ্ঠ" ৰ গৰাকী "ড° জুবিন গাৰ্গ" লৈ এই ঘূণে খোৱা ২০২৫ বৰ্ষৰ " আলোড়ন " ই-আলোচনীখন অৰ্পন কৰি তেওঁৰ অশৰীৰী অমৰ আত্মাৰ চিৰ শান্তি কামনা কৰিলোঁ...

~ সম্পাদনা সমিতি

একাঁজলি শ্ৰদ্ধাঞ্জলি



হে কিংবদন্তি শিল্পীদ্বয় হিয়াৰ আমঠু জুবিন দা আৰু মৰমৰ দীপক দা, তোমালোকলৈ জনালোঁ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। এনেকুৱা এটা আৱেষ্টনীৰ মাজত আমাক এৰি থৈ গলা যে তোমালোকৰ সৃষ্টিৰাজী চাই মন মৰহাবও নোৱাৰোঁ আৰু অনুপস্থিতি উপলব্ধি কৰি দুখ নকৰাকৈয়ো থাকিব নোৱাৰোঁ। তোমালোক চিৰদিন চিৰকালৰ বাবে আমাৰ হৃদয়ত অমৰ হৈ ৰ'বা, ফুলি থাকিবা দুপাহ ফুল হৈ; এপাহ গোলাপ আৰু এপাহ কপৌ হৈ। তোমালোকৰ সুৰ আৰু সৃষ্টিৰাজিয়ে অসমীয়া জাতিক চিৰকাল অনুপ্ৰাণিত কৰি যাব, প্ৰতিজন অসমীয়াৰ বুকু কম্পিত হৈ থাকিব তোমালোকৰ যুগলবন্দিত সৃষ্টি হোৱা সূৰবোৰেৰে। তোমালোকৰ অবিহনে অসমৰ সংগীত জগত যেন শূন্য হৈ পৰিল। শূন্য হৈ পৰিল আমাৰ সাহস, আমাৰ প্ৰেৰণা। তোমালোকৰ বিয়োগত আমাৰ চকুৰ পানী শুকোৱা নাই, চকুলোৰে বাত দেখা নাই। তোমালোক চিৰকাল জীয়াই ৰ'বা আমাৰ স্মৃতিৰ মাজত, আমাৰ যৌৱনৰ ক্ষণত, আমাৰ বেদনাৰ পৰত, আমাৰ চেষ্টাৰ পথত; এটি উশাহ হৈ, এচাটি বতাহ হৈ, এক শক্তি হৈ....

~ সম্পাদনা সমিতি



অধ্যক্ষৰ এক্কলম



অংকন বৰা
আটিগাঁও, পশ্চিম কাৰ্বি আংলং।
অধ্যক্ষ (ভাৰপ্ৰাপ্ত), পৰিচালনা সমিতি, আলোড়ন মঞ্চ
দিনাংক : ০৭/১১/২০২৫, শুক্ৰবাৰ

।। জয় আই অসমী,জয় ভাষা জননী।।

পোনপ্ৰথমে সাদৰ সম্ভাষণ জ্ঞাপন কৰিলোঁ লগতে পলমকৈ হ'লেও কঙালী বিহু তথা দিৱালীৰ ওঁলগ যাঁচিলো। আলোচনী এখন হৈছে বিভিন্নজনৰ মনৰ সাহিত্য চেতনাৰ এক বাহ্যিক প্ৰকাশ, যাৰ দ্বাৰা সাহিত্যপ্ৰাণ প্ৰত্যেকগৰাকীয়ে নিজৰ সাহিত্য প্ৰতিভা প্ৰকাশ কৰাৰ সুযোগ লাভ কৰে। আলোড়ন মঞ্চইও জন্মলগ্নৰে পৰা বিভিন্ন সময়ত সাহিত্য চেতনাৰ পৰিসৰ বৃদ্ধি কৰাৰ লক্ষ্যেৰে কেইবাখনো ই আলোচনী ইতিমধ্যে প্ৰকাশ কৰিছে আৰু এই আলোচনীসমূহে পাঠকৰ যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। বিগত বৰ্ষৰসমূহৰ দৰে এই বৰ্ষও সাহিত্য কোষে এনেধৰণৰ এখন আলোচনী প্ৰকাশ কৰিব বুলি জানিব পাৰি নথৈ আনন্দিত হৈছো। এই চেগতে আলোচনীখনৰ নিৰ্মাণৰ লগত জড়িত প্ৰতিগৰাকী সদস্যলৈ মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ । লগতে এই বৰ্ষৰ পৰা মঞ্চৰ ই-আলোচনী সমূহ আন্তজাৰ্তিক মান ক্ৰমিক সংখ্যা (ISSN)ৰ অন্তৰ্ভুক্ত হ'ব বুলি জ্ঞাত হৈছো, এই পদক্ষেপৰ দ্বাৰা মঞ্চৰ আহিবলগীয়া সমূহ ই-আলোচনী সংৰক্ষিত তথা সমগ্ৰ বিশ্বতে উপলব্ধ হ'ব বুলি সন্তুষ্টি লাভ কৰিছোঁ।

আশা কৰিছোঁ, প্ৰত্যেকবাৰৰ দৰেই এই বাৰৰ আলোচনীখনো পাঠকবৃন্দই আকোঁৱালি ল'ব। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অজানিতে হ'ব পৰা ভুল ত্ৰুটিবোৰ আপোনাসৰে নিজ গুণে মাৰ্জনা কৰি ভৱিষ্যতৰ কৰ্মৰাজিৰ বাবে আমাক আশীৰ্বাদ প্ৰদান কৰিব।

সভাপতিৰ এক্কলম

জ্ঞান জ্যোতি বনিয়া
ৰণথলী, নগাঁও।
সভাপতি, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ
দিনাংক : ০৭/১১/২০২৫, শুক্ৰবাৰ



নমস্কাৰ, পোনপ্ৰথমে মই শ্ৰী জ্ঞান জ্যোতি বনিয়া আলোড়ন মঞ্চ সকলো সদস্য সদস্যাক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।মই আলোড়ন মঞ্চ এজন সদস্য হবলৈ পায় সঁচাকে গৌৰৱ অনুভৱ কৰিছোঁ। আলোড়ন মঞ্চই অসমীয়া ভাষা সাহিত্য সংস্কৃতি উন্নতিৰ বাবে আগবঢ়োৱা পদক্ষেপ সঁচাকৈয়ে লেখত লবলগীয়া।

ভবা নাছিলো কেতিয়াবা অসমীয়া ভাষা সাহিত্য সংস্কৃতি উন্নতিৰ বাবে বৰঙনি আগবঢ়াব পাৰিম হয়তো তেনেকুৱা কোনো মাধ্যম ও পোৱা নাছিলো কিন্তু আলোড়ন মঞ্চই সেইকন সুবিধা কৰি দিলে যাৰ বাবে মই আলোড়ন মঞ্চৰ ওচৰত চিৰ কৃতজ্ঞ। আলোড়ন মঞ্চই জন্ম লগ্নৰে পৰা বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে বিভিন্ন সময়ত নতুন প্ৰজন্মক তথা মঞ্চৰ সদস্য সকলৰ সাহিত্য চৰ্চাৰ পৰিসৰ বৃদ্ধি কৰাৰ অৰ্থে ই আলোচনী প্ৰকাশ কৰি আহিছে। বিগত বৰ্ষৰ দৰে এইবাৰো ই আলোচনী প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছে যাৰ ফলস্বৰূপে যুব প্ৰজন্ম তথা মঞ্চৰ সদস্যৰ পৰা লিখনি সমূহ সংগ্ৰহ কৰা হৈছে। আলোড়ন মঞ্চই বিভিন্ন সময়ত বিভিন্ন উৎসৱ পাৱন ৰ লগত সংযোজিত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰি ভাষা সাহিত্য সংস্কৃতিৰ উন্নতিৰ এক প্ৰচেষ্টা হাতত লৈছে। ঠিক সেইদৰে প্ৰতি বছৰৰ দৰে এইবাৰ ও এখনি ই আলোচনী প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছে ।

নতুন প্ৰজন্মৰ প্ৰতিভা দশৰ্ণৰ মাধ্যম আলোড়ন মঞ্চ আগৰ পৰাই হৈ আহিছে আৰু আগলৈও হৈ থাকিব। সদৌ শেষত মই শ্ৰী জ্ঞান জ্যোতি বনিয়া আলোড়ন মঞ্চৰ সভাপতি হিচাপে সাহিত্য কোষৰ সদস্য তথা সম্পাদকৰ হাতত ই আলোচনী ৰ বাবে নিজৰ নিজৰ লিখনি সমূহ প্ৰকাশৰ বাবে আমালৈ প্ৰেৰণ কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰিলো। ঠিক এইদৰেই অনাগত দিনবোৰতো যাতে আলোড়ন মঞ্চক আগুৱাই নিয়াৰ ক্ষেত্ৰত সকলোয়ে সহায় সহযোগিতা তথা সু দিহা পৰামৰ্শ বিচাৰিছোঁ।

জয় আই অসমী, জয় ভাষা জননী
জয় আলোড়ন মঞ্চ।।



সাধাৰণ সম্পাদকৰ এককলম

স্মিতা হীৰা
বেঙেনাআটী হীৰা গাঁও, নগাঁও ।
সাধাৰণ সম্পাদক, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ
দিনাংক : ০৭/১১/২০২৫, শুক্ৰবাৰ



এটা জাতিৰ ভাষায়ে সেই জাতিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ভাষা কেৱল এক মনোভাৱ প্ৰকাশৰ মাধ্যম অথবা যোগাযোগ নতুবা কথোপকথনৰ এক সম্বল নহয়, ভাষা এক উৎকৃষ্ট মানৰ পথ; যি পথ অনুসৰণ কৰি আগুৱাই গৈ জীৱনৰ বাটত আমি হেলাৰঙে খোজ দিওঁ। অহৰহ চলি থাকে জীৱন। আজিৰ সমাজ সাহিত্য অনুৰাগী। সাহিত্যৰ বাটেৰে জগতত বহু প্ৰসিদ্ধ ঋষিমুনিয়ে নিজৰ সুনাম অৰ্জন কৰি জীৱন ধন্য কৰি গৈছে। আমিও তেনে পথপ্ৰদৰ্শক।

আলোড়ন মঞ্চও তেনে পথৰেই যাত্ৰী। জন্মলগ্নৰে পৰাই আলোড়ন মঞ্চই ভাষা, সাহিত্য, সংস্কৃতিৰ দিশত আলোড়ন তুলি আহিছে। পাৰ্য্যমানে কাম কৰি আহিছে; সাহিত্য কোষৰ উদ্যোগত প্ৰত্যেক বছৰে একোখনকৈ ই-আলোচনী প্ৰকাশ কৰি আহিছে। বিগত বৰ্ষসমূহৰ দৰে এই বৰ্ষতো অৰ্থাৎ ২০২৫ বৰ্ষতো সাহিত্য কোষে এখন ই-আলোচনী প্ৰকাশ কৰিব বুলি জানিব পাৰি হৃদয় আপ্লুত হৈ উঠিছে। এই সুযোগতে কবিতা, প্ৰবন্ধ, চিত্ৰ আদি লিখনিৰ সমাহাৰেৰে কম সময়তে প্ৰস্তুত কৰি উলিওৱা এই আলোচনীখনৰ সম্পাদনাৰ দায়িত্বত থকা সম্পাদক, প্ৰতিগৰাকী ব্যক্তি তথা মঞ্চৰ কৰ্মকৰ্তাক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত আলোড়ন মঞ্চই অনাগত দিনতো নতুন চিন্তাশৈলীৰে কাম কৰি ভাষা, সাহিত্য, সংস্কৃতিৰ দিশত আলোড়ন তুলি যাওঁক তাৰেই কামনাৰে-

জয়তু আলোড়ন মঞ্চ।।।

সম্পাদকীয় প্ৰতিবেদন

অংকিতা বৰা
কলিয়াবৰ, নগাঁও।
সাহিত্য সম্পাদক, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ
দিনাংক : ০৭/১১/২০২৫, শুক্ৰবাৰ



নমস্কাৰ।

"আলোড়ন মঞ্চ" - যিয়ে শব্দটোৰ অৰ্থৰ দৰেই নিজ দায়িত্ব আৰু কৰ্তব্য আগত ৰাখি ইতিমধ্যে চাৰিটা বৰ্ষ অতিক্ৰম কৰিলে। শিক্ষা-সাহিত্য-সংস্কৃতিৰ প্ৰাণস্বৰূপ আলোড়ন মঞ্চই বিগত চাৰিটা বছৰে ন ন চিন্তাৰে, বিভিন্ন অনুষ্ঠান বা প্ৰতিযোগিতাসমূহৰ মাজেৰে নিজৰ পৰিচয় দাঙি ধৰি আহিছে। যাৰ দ্বাৰা আগবাঢ়ি আহিব বিচৰা বিভিন্ন প্ৰতিভাই এখন সুন্দৰ মঞ্চ লাভ কৰিছে।

আলোচনী এখন হৈছে মানুহৰ চিন্তা, চেতনা বা মনোভাৱৰ এক বহিঃপ্ৰকাশ। যিয়ে গল্প, কবিতা, প্ৰবন্ধ ইত্যাদিত প্ৰাণ পাই উঠে। আলোড়ন মঞ্চই ইতিমধ্যেই কেইবাখনো আলোচনী প্ৰকাশ কৰি আহিছে। এই বছৰো সাহিত্য কোষৰ ব্যৱস্থাপনাত শিক্ষা, সাহিত্য, সংস্কৃতি লগতে বিভিন্ন বিষয়ৰ অন্তৰ্ভুক্তিৰে " আলোড়ন " নামেৰে আলোচনী এখন প্ৰকাশ কৰাৰ মানস কৰিছে। আশা কৰিছোঁ, বিগত বৰ্ষৰ আলোচনী কেইখনৰ দৰে এই আলোচনী খনো পাঠকসকলে আঁকোৱালি ল'ব।

অৱশেষত আলোচনীখনৰ বাবে লিখনি প্ৰেৰণ কৰা প্ৰত্যেককে ধন্যবাদ জ্ঞাপন কৰিছো আৰু অনাগত দিনবোৰতো এইদৰেই সহায়-সহযোগিতা কামনা কৰিছোঁ। লগতে আলোচনীখন প্ৰস্তুত কৰাত জড়িত থকা প্ৰতিজনকে কৃতজ্ঞতা আৰু অভিনন্দন জনালোঁ।

জয়তু আলোড়ন মঞ্চ
জয় আই অসম



সূচীপত্র

	লেখক	পৃষ্ঠা
কবিতা সংগ্রহ		
• প্রগ্রহ	নিকিতা ভূঞা	১
• ৰৈ চাম নে চাই ৰম	জ্ঞান জ্যোতি বনিয়া	২
• পোহৰকালৰ কবিতা	নেত্রাক্ষী ভাগৱতী	৩
• প্রেমৰ পবিত্র যাত্রা	কুঁহি মুদৈ	৪
• শূণ্যতা	ৰাহুল চন্দা	৫
• প্রত্যুত্তৰ	বিদিশা বৰা	৬
• ফুলবোৰ দেখোন শুকাই গ'ল	মৌচুমী কলিতা	৭
• অপেক্ষা	নিশা বৰা	৮
• এন্ধাৰ	শর্মিষ্ঠা গিৰি বৰদলৈ	৯
• ঠিকনা	অংকিতা বৰা	১০
• হার্টথ্রব	ভার্গৱ জ্যোতি বৰা	১১
প্রবন্ধ সংগ্রহ		
• বাস্তৱ সমাজ	প্রিয়ংগনা বৰা	১২-১৪
• সোণালীময় মধুৰ সেই দিনবোৰ	ৰিদিশা লস্কৰ	১৫
• ছাত্র জীৱন আৰু সামাজিক দায়বদ্ধতা	অংশুমান শইকীয়া	১৬-১৭
• কার্বিসকলৰ চৰণ অহেমৰ খাদ্যৰ মাদকতা	ভার্গব জ্যোতি বৰা	১৮-৩৪
• অসমৰ ক্রীড়াৰ ইতিহাস	অংকন বৰা	৩৫-৩৮
• কোনোবাদিনা ভাবোঁ কথাবোৰ অনুধাৱন কৰি কৰি এদিন নোহোৱা হৈ যাম	স্মিতা হীৰা	৩৯
গল্প সংগ্রহ		
• অব্যক্ত	সুপ্রিয়া বৰা	৪০-৪২
• চিঁচা	অভিনৱ ৰঞ্জন বৰা	৪৩-৪৪
• এটা বলী মানুহ	মধুস্মীতা বৰা	৪৫-৪৬
• বাঘ আৰু কেঁকোৰা	লিজা ভোটাই বৰা	৪৭-৫২
অন্যান্য সংগ্রহ		
• ভাৰতৰ স্বাধীনতাৰ ৭৯ তম বর্ষ	অংকন বৰা	৫৩-৫৫
• "Cultural Climates: Narratives of Adaptation, Sustainability and Change" সম্পাদনাৰ অভিজ্ঞতা	দীপজ্যোতি বৰা	৫৬
• সুধাকণ্ঠ দেৱৰ সাংস্কৃতিক পৰিক্রমা	নেত্রাক্ষী ভাগৱতী	৫৭-৬০
• মায়াবিনীৰ শেষ বিদায়	নিশা বৰা	৬১-৬২
• স্মৃতি ৰোমন্থন	জ্ঞান জ্যোতি বনিয়া	৬৩-৬৪
• কিছুমান কথা অবিশ্বাস্য	স্মিতা হীৰা	৬৫

কবিতা সংগ্রহ

প্রগ্রহ

ৰ'দ গলি যায় মোৰ বুকুত
নজহা নপমা শিলৰ মানুহ ।
ৰাতি নোহোৱা চহৰত
ক'ৰবাত ফেঁচা এটা সাৰে আছে।
এইখন কি মানুহৰ দেশ !
ইয়াত পোহৰৰ বিৰাট দাম।
সস্তাতে কিনিব পাৰি
বস্তা ভৰাই ভৰাই এন্ধাৰ ।

পেভমেন্টত এঠা লাগি শুই থকা
নিমাখিত চকুহালত ওপঙি থাকে
কলমলনি এটা।
দৰদত গতি কৰা হাতখন
ফুটা পকেট এটাত ৰৈ যায়
নীপীড়ন ইয়াৰ কাৰেঞ্চি।

সমানুপাতিক সূত্রত
চলি যায় ভৰি দুখন ।

~ নিকিতা ভূঞা

ৰৈ চাম নে চাঁই ৰম

আজিও মোৰ মনে সকলোতে তোমাকেই বিচাৰে
কেতিয়াবা তোমাক ৰ লাগি আতৰৰ পৰা চাম আৰু
কেতিয়াবা তোমাক আতৰত দেখি মই নিজেই ৰৈ যাম
কেতিয়াবা বহুত মন যায় তোমাক হেঁপাহ পলুৱাই চাবলৈ
কেতিয়াবা মন যায় তোমাৰ লগত আগৰ দৰে কথা পাতিবলৈ



কিন্তু এতিয়া তুমি বহুত দূৰত
সৈ সুদূৰ মহানগৰীৰ ব্যস্ততা ভৰা
জীৱনশৈলীৰ অংশ তুমি এতিয়া
আৰু হয়টো এতিয়া মইও ব্যস্ত ,
লাগি আছোঁ নিজৰ সপোনৰ পৃথিৱীখন সজোৱাত
পাহৰিব খুজো তোমাক , হেৰুৱাই সকলো ঠিকনা
নাহিবা বিচাৰি আকৌ মোক, নিদিবা মিছা সান্ত্বনা
তুমি মোৰ পৰা আঁতৰি যোৱা আজি দেখোন বহু দিনেই হল
এতিয়া নো আকৌ কি মনত পৰিলে তোমাৰ?
নালাগে আহিব তুমি এতিয়া মোৰ ওচৰত
নালাগে দিব মোক মিছা আশা, থাকা তুমি দূৰত

ভগৱানে কৰিলে আকৌ এদিন কোনো ঠাইত
লগ পাম তোমাক অচিনাকি ৰূপত
কৰিম প্ৰেম আকৌ আগৰ দৰে
দিম মৰম হেঁপাহ পলুৱাই
যাম আমি বহু দুৰ আগুৱাই
আকৌ কেতিয়াবা দেখোন ভয় হে লাগে
এতিয়াৰ কথা ভাবি তথাপি
আকৌ কৰিম প্ৰেম হিয়া উজাৰি
লিখিম কাহিনী আকৌ মন প্ৰীতি
ইতি তোমাৰ প্ৰেমিক

~ জ্ঞান জ্যোতি বনিয়া

পোহৰকালৰ কবিতা

আন্ধাৰময় কেঁকুৰিৰে পোহৰ বিলাই
মনঘোঁৰা চেঁকুৰি যায়,
এন্ধাৰ তাৰ বাউসীৰে সৰকি যায়।

ৰ'দ আকাশেদি বিয়পে,
বিস্মৃতিৰ গৰাহত এন্ধাৰে ককবকাই
ই ধোঁৱাই ধোঁৱাই মিলি যায়।

উৰি উৰি কুকুহাই বিলাই
পোহৰৰ জাননী,
সিপাৰত কোনে বায় বাঁহী
সুৰৰ মন্দাকিনী ধাৰা বোৱাই
লিখি যায় ৰ'দ ৰ'দ পোহৰৰ বুৰঞ্জী।

মাৰ গ'ল আন্ধাৰকালৰ অন্তৰা,
ৰ'দ কাগজৰ বুকুত লিখা
ই দীপ্তিময়ী কবিতা,
এয়া পোহৰৰ মালিতা
এয়া ৰ'দৰ কবিতা ।

~ নেত্রাক্ষী ভাগৱতী

প্ৰেমৰ পবিত্ৰ যাত্ৰা

মিঠা মিঠা সুৱাশৰ ৰং
যেন ইন্দ্ৰধনুৰ বৰন...
কুশুমিত ফুলৰ সুগন্ধি
সকলো মায়াৰে বন্দি।

মায়া — বহুৰূপী, অনন্ত সাগৰ,
প্ৰেম — তাৰেই সৰ্বশ্ৰেষ্ঠ ৰূপ।
য'ত নাথাকে সীমা, নাথাকে শেষ,
আছে কেৱল হৃদয়ৰ পবিত্ৰ বিশ্বাস ।

এই মায়াৰ নামেই "প্ৰেম",
য'ত নীৰৱতাই কথা কয়,
য'ত দৃষ্টিৰ স্পৰ্শেই অনুভৱ,
আৰু হৃদয়ৰ ভাষাই সংগীত হয়।

প্ৰেম শিকায় মিলন, সহানুভূতি,
হিংসা, ক্লেশ, ক্ৰোধৰ পৰা মুক্তি।
মানুহক মানুহ হ'ব শিকায়,
স্নেহৰ সূত্ৰত জীৱন জুৰাই ।

প্ৰেমে সকলো দুখ কষ্ত আঁতৰাই
জীয়াই থকাৰ আনন্দও দি যায় ।
পাহাৰৰ দৰে কৰি দৃঢ় বিশ্বাস,
বতাহৰ দৰে যেন মুক্ত অনুভৱ।
জীৱনক নতুন ৰূপত আকৌ সজীৱ কৰি
বেদনাৰ মাজতো সুখৰ টো তুলি
এইয়া টো প্ৰেমেই...
যি মানুহক মানুহ আকৌ মানুহ হ'বলৈ সিকায় ।

~ কুঁহি মুদৈ

শূণ্যতা

ঠগ খোৱাৰ সেই দুখ,
বেজাৰৰ সেই বিষ,
এতিয়া সকলো শেষ;
অসুখটো যেন ভাল হ'ল।
মোৰ মনে সকাহ পোৱাৰ আশা এৰিলে
বন্ধ কৰিলে আপোন মনৰ দুৱাৰখন।

মনৰ সকলো আবেগ মই শেষ কৰি পেলালোঁ,
এতিয়া খঙো নুঠে , নাই নতুন আশাও
সংগ্রাম চলিছে জীয়াই থকাৰ বাবে,
কিন্তু ইয়াত পোৱাৰ একো নাই,
নাই কোনো অর্থ।

মনটো এতিয়া এটা খালী, ডাঙৰ কোঠাৰ দৰে,
এখন উকা ঠাই, য'ত সকলো খেল-ধেমালি শেষ
মই উদাস হৈ বাহিৰলৈ চাওঁ, ভৱিষ্যত একো নেদেখোঁ,
বাছি ল'বলৈ নাই কোনো বাট।

মই এতিয়া একেবাৰে খালী শান্ত
নাজানো মই আকৌ থিয় দিম নে
নে ইয়াতে এৰি থৈ যাম.....!!

~ ৰাহুল চন্দা

প্রত্যুত্তৰ

এইবাৰ আইৰ
বুকুৰ ঘাঁ টুকুৰাৰ বিষ বৰ বেছি,
অত্যাচাৰীৰ দলবোবে
বৰকৈ আঘাত হানিছে।

এইবেলি আইয়ো
পিছপৰি থকা নাই,
আইয়ো সাজু হৈছে জীয়ৰী-বোৱাৰীৰ সেন্দুৰৰ
মূল্যৰ প্রত্যুত্তৰ দিবলৈ।
আই সাজু হৈছে পুত্র-জোঁৱাইৰ চিতাৰ উত্তাপ
কিমান বুজাই দিবলৈ।।।

প্রত্যুত্তৰৰ 'উত্তৰত আইয়ে শিকনি দিছে ৰঙাৰ মূল্যৰ,
সেয়া সেন্দুৰেই হওঁক কিম্বা তেজেৰে লুটুৰি এটা দেহা।।।

~ বিদিশা বৰা

ফুলবোৰ দেখোন শুকাই গ'ল

ফুলবোৰ দেখোন
কোনোবা খিনিতেই শুকাই গ'ল,
মাথোঁ,
মাথোঁ এতিয়া আছে মৰহি যোৱা
ফুলৰ পাতবোৰ,
কেৰুল পাতবোৰ।
কলি বোৰ,
কলি বোৰ দেখোন কোনোবা
খিনিতেই সৰি গ'ল।
সেই আগতে যে আহি ভোমোৱাবোৰ
ফুলত পৰেহি,
সেই ভোমোৱাবোৰবোৰ দেখোন
আজি উমানেই নাই,
ফুলবোৰ,
ফুলবোৰ শুকাই গ'ল,
মাথোঁ,
এতিয়া আছে মৰহি যোৱা
ফুলৰ পাত বোৰ.....

~ মৌচুমী কলিতা

অপেক্ষা

চাওঁতে চাওঁতে বেলি লহিৰাবৰ হ'ল—
দূৰণিৰ পথাৰখনো লাহে লাহে শূণ্য হ'ল—
সিও তাতে নতুন প্ৰভাতৰ অপেক্ষাতে ৰ'ল—
মোৰ কাষেৰেই এজাক সৰু চৰাই ডেউকা কোবাই উৰি গ'ল....
ৰঙা বেলিটো পশ্চিমৰ আকাশত লুকাই পৰিল...!!
ধৰালৈ আন্ধাৰ নামি আহিল—
লগে লগে জ্বলি উঠিল এটি দুটিকৈ লাইটবোৰ—
নামঘৰৰ ডবাৰ ধম্-ধম্ শব্দ ভাঁহি আহিল !!
কিবা যেন পবিত্ৰতাৰ অনুভৱ....
কি যে এটা ভাল লগা পৰিৱেশ—
এৰা,
প্ৰকৃতিৰ সৃষ্টি সঁচাই অনুপম !
কৃত্ৰিম পোহৰত সকলোৰে ঘৰৰ অন্ধকাৰ দূৰ হ'ল—
ৰাস্তাৰ দাঁতিতো পোহৰ বিৰিঙিল—
কিন্তু মোৰ মন আজিও চোন উৰুঙা...
মোৰ জুপুৰিৰ ভিতৰখনত এতিয়াও পোহৰ নাই !
কেৱল নঙলামুখত ৰৈ আছোঁ—
তুমি 'আহিম' বুলি কৈ যোৱা কথাষাৰৰ অপেক্ষাত;
তুমি ধূলি উৰুৱাই যোৱা উকা বাটটোলৈ চাই....
কিন্তু নাই,
তুমি আজিও নাহিলা
এতিয়াচোন সন্ধিয়াৰ আকাশত তৰাই হাঁহিবৰ হ'ল—
তোমাক ক'বলৈ বিচৰা গোপন কথাবোৰ মোৰ হৃদয়তেই থাকি গ'ল—
কেৱল এটা আধৰুৱা গল্প হৈ ।।

~ নিশা বৰা

এন্ধাৰ

এন্ধাৰত বজাৰখন বন্ধ হয়,
অন্তিম গ্ৰাহকজন হৈ কাৰোবাৰ পিতৃ ৰৈ থাকে,
নিজৰ সকলো বেচি হাঁহি কিনি নিবলৈ ।
এনে এজন দেউতাকৰ দৰেই মোৰ সপোন,
দুখীয়া অথচ দৃঢ়।

ধনী মানুহে ধনৰ বিনিময়ত হাঁহি কিনিব নোৱাৰে,
আৰু দুখীয়া মানুহে হাঁহি বেচি ধনী হ'ব নোখোজে।
বিভেদ মাত্ৰ ইমান ।

এন্ধাৰত পথৰ ভিৰবোৰ কমে
তালৈকে কোনো পৰিয়ালে বাট চাই থাকে,
ভিৰ কমিলেই তাতে চাদৰখন পাৰি শুৱে ।
কোনো আক্ষেপ নাৰাখে ।
জীয়াব জানিলে জীৱন এনেকৈয়ো অনুপম ।

কোনো ইমাৰতৰ নিৰ্দিষ্ট কোঠা এটাৰ লাইট মাজ নিশাও জ্বলি থাকে ।
শোৱাৰ যোগাৰো সম্পূৰ্ণ হাতত থাকে কিন্তু গৰাকীৰ টোপনি নাথাকে ।
ইমান কি প্ৰশ্ন কৰে ইহঁতক জীৱনে ?

কাৰোবাৰ বিচ্ছেদত এজনৰ টোপনি ভাঙে
আন এজনে তেওঁলৈ এনেই মন ভাঙে
নিশা নিশাটো সাৰে থাকে, কবিতা লিখে ।
প্ৰেমৰ নামত ভ্ৰমৰ সাগৰত ডুবে ।
এন্ধাৰখিনিক বদনামী কৰে ।

কনমানিয়ে এন্ধাৰত সপোন দেখে,
দেউতাকে বজাৰৰ পৰা তাইৰ সকলো লৈ আহে ।
তাই সুখতে কিৰিলি পাৰে ।
দেউতাকে তাইলৈ হাঁহি কিনি লৈ আহে ।
অন্তিম গ্ৰাহকজন তাইৰে পিতৃ হয় চাগে ।

~ শৰ্মিষ্ঠা গিৰি বৰদলৈ।

ঠিকনা

বৈ থকা নৈখনৰ কাষতে
পাহৰখন ৰৈ থাকে,
নৈ খনে ঘূৰি চোৱাৰ অপেক্ষাত।
সেয়ে এখন চিঠি লিখিছিলোঁ
নৈ খনলৈ
বৈ থকা পানীখিনিৰ ঠিকনা বিচাৰি...

যেতিয়া আবেলিবোৰে ৰঙা ৰং সানে
দিনটোক সামৰি থৈ এন্ধাৰ নামে,
এখন চিঠি লিখিছিলোঁ
আকাশলৈ,
আবেলিৰ ৰঙাবোৰত নীলাৰ ঠিকনা বিচাৰি...

জীৱনৰ অহৰহ ব্যস্ততা,
কোলাহল,
প্ৰতিযোগিতা
জীৱনে মাত্ৰ দৌৰে আৰু দৌৰে
সময়ৰ পিছে পিছে।
শেষত আকৌ এখন চিঠি লিখিছিলোঁ
সময়লৈ বুলি
ভাল সময়ৰ ঠিকনা বিচাৰি...

~ অংকিতা বৰা

হৃৎস্পন্দন

জোনাক নিশা এন্ধাৰ নমাই গুচি গলা তুমি ।
অসমী আইৰ বুকু উদং কৰি , নিঠৰুৱা কৰিলা ।
সেই যে মায়াবিনিৰ নিশাটো এই নিশাই আছিল নেকি ?
গণেশ গুৰিত দেখা পোৱা তাই জনিয়ে ৰৈ আছে তোমালৈ ।
মাজুলীৰ সেই ছোৱালী জনিয়েও দুখ কৰিছে ।
৫২ টা বসন্তত তুমি অসমী আইক বুকু উজাৰি দি গলা মৰম , ভালপোৱা আৰু তোমাৰ সৃষ্টি ।
তুমি মোৰ মাথোঁ মোৰ হোৱাৰ দৰেই তুমি আমাৰ মাজত আজীৱন জীয়াই থাকিবা ।

~ ভাৰ্গৱ জ্যোতি বৰা

প্রবন্ধ সংগ্রহ

বাস্তৱ সমাজ

সমাজ নামৰ বৃহৎ কিতাপখনৰ এটা মাথো অধ্যায় বাস্তৱ সমাজৰ বিষয়েহে থূলমূলকৈ নিজৰ আধাৰত আলোচনা কৰিবলৈ লোৱা হৈছে। বাস্তৱ সমাজখন আজি ৰহস্যৰ সমাজ। ৰহস্যৰ আঁত ধৰে আজি প্রতিজন ব্যক্তিয়ে। প্রতিজন ব্যক্তিয়ে আজি সমাজত মুখা পিন্ধি ৰহস্যৰ সৃষ্টি কৰিছে। তুমি দেখা প্রতিজন ব্যক্তিয়েই জানো প্রকৃততে মই/তুমি ভবাৰ দৰে হয়। হয়তো মুখৰ আঁৰত লুকাই থাকে দানৱৰ প্রতিচ্ছবি নাইবা সাধুতাৰ মহৎ গুণ। সকলোৰে জ্ঞাত মই কি ক'ব বিচাৰিছো। মাথো মই লিখিত ৰূপহে দাঙি ধৰিছো। আজিৰ সমাজ ব্যস্ততাই আগুৰা। প্রতিজন ব্যক্তি আজি ব্যস্ত। যেন সময় কমহে হৈছে। সময়ৰ অভাৱত আত্মীয়স্বজন জনৰ খবৰ ল'বলৈ আজৰিয়েই হোৱা নাই। এনে মনোভাৱ প্রতিজন ব্যক্তিৰ মাজত। কিন্তু এই মনোভাৱ মিথ্যা। সময়ৰ অভাৱত অজুহাত দেখুৱাই আত্মীয়জনক অৱজ্ঞা কৰাটো জানো ভাল কথা? ম'বাইলে পৃথিৱীৰ ইটো মূৰ সংযোগ কৰিব পৰা পৰিস্থিতিত জানো এনে কথায়ে শোভা পায়। আত্মীয়জন বিপদত পৰিছে নেকি কোনে খবৰ লৈছে। তুমি/ নে মই? মই আজি নিজৰ বাবেহে কৰিছো আনৰ বাবে নহয়। মোৰ সময়ৰ অভাৱ নিজৰ বাবেহে। নিজেই উন্নতিৰ জখলাত বগাই শীর্ষত উপক্রম হৈছে কিন্তু আত্মীয়জনলৈ তললৈ ঘূৰিবলৈ আহৰি নাই। ইমান অর্থৰ প্রয়োজন কিয় আত্মীয়জনকে পাহৰাই পেলায়। ম'বাইলত আত্মীয়জনৰ নম্বৰত যোগাযোগ কৰে। কাৰ কিমান অতীতৰ স্কুলৰ বন্ধুৰ সৈতে বর্তমানেও অব্যাহত আছে। মানুহ ইমান ব্যস্ত নহয়। ব্যস্ততা হ'ল এক অজুহাতহে। পৃথিৱীত জন্ম হৈছো। এবছৰ গর্ভত, দুবছৰ কোলাত, দুবছৰ থুনুক-থানাককৈ খোজ কাঢ়ি ডাঙৰ দীঘল হৈ মুঠ চাৰি বছৰ আকৌ ৪/৫ বছৰৰ মূৰত শিক্ষাৰ বাবে বিদ্যালয়ত নামভর্ত্তি। আৰম্ভ হ'ল জীৱনৰ আন এটা ক্ষণ। যাৰ আৰম্ভআছে কিন্তু অন্ত নাই। শিক্ষা এনে এটা বিষয় যাক আহৰণ কৰি শেষ কৰিব নোৱাৰি। বিদ্যালয়লৈ যোৱা, টিউচন, বিভিন্ন ক'চিং আদিয়ে সকলোকে ব্যস্ত কৰি তুলিছে। যি সময় পায় সেইয়াও আকৌ ম'বাইলত ব্যস্ত। ম'বাইলে আজিৰ সমাজত শিশুৰ মন-মগজু গ্রাস কৰিছে। কেঁচুৱাক কান্দিলে নিচুকনি গীতেৰে নহয় ম'বাইলে নিচুকায়। সমাজ আজি অর্থক কেন্দ্র কৰি ব্যস্ত সমাজলৈ পৰিৱর্তিত হৈছে। ঘড়ীৰ কাটাৰ লগত মানুহে ঘূৰিব ধৰিছে। প্রতিজন ব্যক্তিয়ে আজি শিক্ষিত হৈছে। সমাজ উন্নতি হৈছে। কি? সমাজ উন্নতি হৈছে? কথাটো সঁচানে মিছা। হয় প্রকৃততে সমাজ অর্থনৈতিকভাৱে উন্নতি হৈছে মানসিকভাৱে নহয়। কিমানজনে বুকুত হাত দি ক'ব পাৰিব। যে মই যি কৰিছো সকলো সমাজৰ কাৰণে কৰিছো। ক'ব পাৰিবনে প্রতিজনে; মই যি কৰিছো নিজৰ লাহ-বিলাহৰ বাবে নহয় নিজকে উচ্চ ৰাখিবৰ বাবে নহয়।

ভগৱানৰ মানুহ সৃষ্টিৰ অর্থ কি? পৃথিৱীত আনন্দ লভিবলৈ জন্ম লৈছো নেকি? আজি এই শিক্ষিত সমাজত সৃষ্টি হোৱা দৰিদ্রজনৰ কান্দোন আৰু শুনা নাই নেকি ৰমনীৰে চাদৰৰ আঁচলেৰে মুখ ঢাকি কৰা বিননী। আৰু ছাগে ধ্যান দিয়া নাই প্রকৃতিৰ দুখৰ কাহিনী।আজিৰ সমাজত নিজৰ সামান্য সুখৰ বাবে আনক আঘাত কৰিবলৈ অকণো নাভাবে। আজি মানুহে মানুহক মাৰিবলৈ অকণো চিন্তা নকৰে।মই অকল তোমাৰ কথাকে কোৱা নাই; কৈছো মোৰো কথাকে "মইয়ো আজি স্বার্থপৰ সমাজৰে একোজন সদস্য"।

পঢ়িম, শুনিম, অর্থ উপার্জন কৰিম, গাড়ী, ঘৰ আদি কি কল্পনা এইয়া সকলোৰে কল্পনা।সমাজৰ প্রায় কম সংখ্যক মানুহৰ মনত সমাজৰ কাৰণে কৰিবলৈ ভাৱ হয় বা কৰে। কিমান জনৰ নাম আজি সমাজত জীয়াই আছে; কাৰবাবে পূর্ব পুৰুষক আজি সমাজে স্মৰণ কৰে। যদি কৰিছে, কিহৰ বাবে, অজস্র সম্পত্তিৰ বাবেনে তেওঁ সমাজৰ বাবে কৰি থৈ যোৱা মহৎ কর্মৰ বাবে আমাৰো নাম সমাজত থৈ যাব নোৱাৰিমনে!আজিৰ সমাজৰ মানুহৰ পেটটো হেনো বৰ ডাঙৰ। এই পেটৰ ভোক বোলে পূৰেই নহয়। ইমান ভোকাতুৰনে আজিৰ সমাজ। সকলোৱে নিজৰ বাবে কৰোঁতে কৰোঁতে সমাজৰ বাবে কৰিবলৈ পাহৰি গৈছে! আৰু নিজৰ পেট পূৰাই পূৰাই শেষত খালী পেটে মৃত্যুক সাৱটি লৈছে।

এনে পৰিস্থিতিৰ দায়ী কোন? বর্তমানৰ শিক্ষা। পিতৃ মাতৃ নে সমাজ নে তুমি বা মই! মোৰ মতে দায়ী সকলো! দায়ী আজি সমাজৰ সকলো সদস্য।

এজন ব্যক্তিক প্রকৃত মানুহ হিচাপে গঢ়ি তোলাত প্রাথমিক ভূমিকা লয় পিতৃ-মাতৃয়ে। শিশুৱে প্রাথমিক শিক্ষা ঘৰৰ পৰাই গ্রহণ কৰে আৰু গ্রহণ কৰে এই সমাজৰ পৰা। ভাল শিক্ষা যি অভিভাৱকে দিব পাৰে বা দিয়ে বাস্তৱ সমাজৰ পৰা উত্তম শিক্ষা আহৰণ কৰিব পাৰে তেওঁৱেই দেশৰ বা পৃথিৱীৰ প্রকৃত সম্পদলৈ ৰূপান্তৰ হ'ব।অভিভাৱকে সন্তানক শিশু হৈ থকা অৱস্থাৰ পৰাই গঢ়ি তুলিব পাৰে। অভিভাৱকে সন্তানক অকল নিজৰ বুলিলেই নহ'ব! এই সন্তানক দেশৰ সন্তানলৈ পৰিৱর্তিত কৰিব লাগিল যাক লৈ দেশৰ প্রতিজন লোকে গৌৰৱ অনুভৱ কৰে।

পিতৃ-মাতৃৰ এক যোগ্য সন্তান পৃথিৱীক উপহাৰ দিয়াটো এক মহান পূণ্যৰ কাম বুলিব পাৰি। পৃথিৱীখন সুস্থ ৰূপত পিতৃ-মাতৃয়েহে গঢ়ি তুলিব পাৰিব।আজিৰ সমাজৰ পিতৃ-মাতৃয়ে সন্তান নির্মাণ কৰিব জানো জানিব! মই এইসকলৰ কথা কৈছো যিকলে মগজুৰ বিকাশ নৌহওঁতেই বিবাহপাশত আৱদ্ধ হয়। তেওঁলোকে জানো বুজি পায় সংসাৰ মানে কি? (মই কিতাপত পোৱা সংসাৰ সংজ্ঞাৰ কথা কোৱা নাই, কৈছো মই বাস্তৱ সংসাৰৰ কথা)। যিয়ে নিজকে সংযম কৰি ৰাখিব নোৱাৰিলে! নিজৰ উদ্দেশ্য, পিতৃ-মাতৃৰ আশা বুজিব নোৱাৰিলে তেওঁলোকে সমাজখন কেনেদেৰে পৰিৱর্তন কৰিব আৰু যিয়ে বিবাহ পাশত আৱদ্ধ হৈ নিজৰ সপোন, উদ্দেশ্য সামৰণি মাৰে, তেনেৰে জানো এখন সুস্থ সমাজ হ'ব! অভিভাৱকে সন্তানক ইমান আলফুলকৈ ডাঙৰ কৰে যে দুখ, কষ্ট কি শিশুৱে একোকে বুজি নাপায়। যিয়ে নিজৰ দুখ- কষ্টকে অনুভৱ কৰিব নাজানে পাছত আনৰ দুখ, কষ্ট বুজিব পাৰিব জানো? বা নিজৰ দুখ, কষ্ট বুজি নোপোৱাজনে আনক দুখ দিবলৈ অকণো নাভাবিব।

সন্তানক ঘাত-প্রতিঘাত উপলব্ধি কৰিবলৈ এই বাস্তৱ সমাজত মোকলাই দিব লাগে। নহ'বা ইজনে সিজনক নুবুজিলে পৰস্পৰে পৰস্পৰক ভক্ষণ কৰিব। বা এনে এটা সময় আহিব য'ত অজস্র সম্পত্তি থকাৰ পাছটো মানুহে অকলশৰীয়া অনুভৱ কৰিব! য'ত নাথাকিব আত্মীয়জন, য'ত নাথাকিব প্রিয়জন, য'ত নাথাকিব বন্ধুজন। থাকিব মাথো ফেচবুক ফ্রেণ্ড। তেওঁলোকে দিব লাইক, কমেন্ট আৰু ইম'জি। কিন্তু বাস্তৱতযে এই সকলো মিথ্যা। বিপদৰ সময়ত হাজাৰজন ম'বাইলত থকা বন্ধুৰ ভিতৰত এজনৰো মুখেৰে মাত এটা নাপাবা। এয়াই বাস্তৱ সমাজ।

বর্তমানৰ শিক্ষা: বর্তমানৰ শিক্ষা উচ্চ। যিয়ে মানুহক স্বাৱলম্বী কৰি তুলিছে। স্বাৱলম্বী হৈছে ঠিকেই কিন্তু প্রকৃত শিক্ষা লাভ কৰিছে জানো? শিক্ষাই মানুহক ভদ্র, নম্র, জ্ঞানী কৰি তোলে। কিন্তু আজিৰ শিক্ষিত সমাজত ইয়াৰ ওলোটাটো দেখিবলৈ নোপোৱা নহয়।আজিৰ শিক্ষা ভাটোৰ দৰে মনত ৰাখি

পৰীক্ষাত লিখি ভাল নম্বৰ পোৱা। অথবা এনে শিক্ষা লাগে যিয়ে এই সংসাৰত প্ৰতিজনকে জ্ঞানী কৰি তুলিব পাৰে।

আমি অকল কিতাপত থকা শব্দবোৰে দিয়া অৰ্থকে শিক্ষা বুলি ভাবো। প্ৰকৃত শিক্ষা দিয়ে আমাক সমাজে। এই শিক্ষা আমি সমাজ নামৰ খোলা কিতাপৰ জটিল শব্দবোৰৰ পৰা ল'ব লাগিব। যাৰ জৰিয়তে সমাজত নিজকো হয়তো প্ৰতিষ্ঠা কৰিব পাৰিম।পাঠ্যপুথিত পঢ়িছো ধুমপান স্বাস্থ্যৰ পক্ষে হানিকাৰক। যদি এজন শিক্ষিত লোকে চিগাৰেট এটা মুখত ভৰাই ধোঁৱা উৰুৱাই ফুৰে, তেতিয়া? ইয়াত কাৰ দোষ শিক্ষাৰ নে শিক্ষিতজনৰ।স্বাস্থ্যৰ সম্পৰ্কে ভালদৰে জ্ঞাত এজন ডাক্তৰে যদি মাদক দ্ৰব্য সেৱন কৰে, তেতিয়া ডাক্তৰৰ সমাজত মান থাকিল জানো! থাকিল জানো মান তেওঁ গ্ৰহণ কৰা শিক্ষাৰ? আজিৰ সমাজ ব্যস্ত হোৱাৰ প্ৰধান কাৰণ হ'ল পইচা! পইচাৰ পাছত দৌৰি যাওঁতে বহুতকে উজুটিয়াই নিছে। পইচা আমাক লাগে! পইচা নহ'লে বৰ্তমান সমাজত একোৱেই নাই যেন লাগে! প্ৰতিটো খোজতে পইচা লাগে পইচা, পইচা...।পইচাৰ পাছত দৌৰি দৌৰি আত্মীয়জনক জানো পাহৰা উচিত? আত্মীয়জন যদি দুখত থাকে আমাৰ সুখ ক'ত। পইচাৰ বাবে ইমান ব্যস্ত নিজৰ সন্তানেও পিতৃ-মাতৃৰ মৰমৰ পৰা বঞ্চিত হৈ পৰে। দুই, ছমহীয়া কেঁচুৰাক বিছনাত পেলাই পইচাৰ বাবে দুয়ো পিতৃ-মাতৃ কৰ্মক্ষেত্ৰলৈ উলাই যায়। কেঁচুৰা অৱস্থাত পোৱা পিতৃ-মাতৃৰ মৰমৰ বাহিৰে সন্তানক আৰু লাগে কি?সেই মৰম যদি শিশুৱে নাপায় তেতিয়া হয়টো পিতৃ-মাতৃয়ে বৃদ্ধ বয়সত সেই মৰম সন্তানৰ পৰা নাপাবও পাৰে!

এৰি থৈ অহা কেঁচুৰাক লৈ মাতৃৰ যি হৃদয়ত দুখ সেইটো কোনে বুজিব! আৰু বুজিব কোনে সন্তানৰ কোমল হৃদয়খন? যিয়েই নহওক আজিৰ সমাজৰ প্ৰতিজন সদস্য পৰিস্থিতিৰ দাস। এনেকৈ কৰি যাব লাগিব আৰু এনেকৈ চলি যাব বাস্তৱ সমাজ।

ভোক বেছি মানুহে বহু অৰ্থ ঘটিব পাৰিব! পাৰিব জানো পইচায়ে ৰক্ষা কৰিব আত্মীয়জনৰ সম্বন্ধ। পইচাৰ জৰিয়তে মানুহৰ প্ৰকৃত আনন্দ দেখিবলৈ পোৱা নাযায়। পইচায়ে জানো মৃত্যুক কিনিব পাৰিব। যিমান ধনী নহওক কিয় এদিন মৰিবই আৰু মৰিব সুদা হাতে। কিন্তু থৈ যাব পাৰিব সমাজৰ কাৰণে কৰা পূণ্য কাম। যিয়ে সমাজত ব্যক্তিক অমৰ কৰি ৰাখিব।

জীৱন কি, ইয়াৰ লক্ষ্য, উদ্দেশ্য, কৰণীয় কাম এইসমূহ । চোন আমি নাজানোৱেই।শুনিবলৈ পোৱা মতে "বহু পূণ্যৰ বলতহে মানুহ ৰূপে জন্ম হয় এই পৃথিৱীত"।

এই সমাজখন যাদু যাদু লাগে। মানুহে মুখে কয় এটা কৰে এটা। বিশাল সমাজখন এনেদৰে চলি আহিছে আৰু চলি যাব। সময়ে ইয়াক পৰিৱৰ্তন কৰিছে ভাললৈ নে বেয়ালৈ নাজানো।

বিশাল সমাজখনৰ বিষয়ে মোৰ মনোভাৱ দাঙি ধৰিলো, কিমান সঁচা কিমান মিছা মই নাজানো। মোৰ ক্ষুদ্ৰ মগজে ঢুকি পোৱা আৰু মোৰ চকুৰে দেখা পোৱা সমাজৰ কিছুমান বাস্তৱ ছবিহে মাথোন। কোনেও গ্ৰাহ্য কৰি ল'ব নালাগে!

~ প্ৰিয়ংগনা বৰা

সোণালীময় মধুৰ সেই দিনবোৰ

হয়, আজিৰ শিশুসকলে কম বয়সতে সকলো জানে, কাৰণ ধৰনীত জন্ম লোৱাৰ পৰাই যে নজনাকৈ আয়ত্ব কৰিছে সিহঁতে বহু কথা।

পুৰনিতে, অৰ্থাৎ ২০০০ চনৰ দিনবোৰ বা তাৰ আগৰ বহু বছৰৰ আগত মাতৃৰ গৰ্ভত স্থিতি লোৱাৰ পৰাই শিশুটি জ্ঞানী কৰি তোলাৰ অৰ্থে মাতৃ সকলে যে কিমান তত্ত্ব গধুৰ সাধু শুনোৱাৰ লগতে ভাওঁনাৰ বচন তাৰোপৰি শ্ৰীভাগৱত, গীতাৰ বাক্য ইত্যাদি পাঠ কৰে আৰু সেই সময়ত জন্ম লাভ কৰা কণ কণ শিশুৱেও যে ইয়াৰ সদব্যৱহাৰ বুজি উঠিছিল, যি সময়ত নাছিল কোনো স্মাৰ্ট ফোন, নাছিল কোনো ইণ্টাৰনেটৰ কৌতুহলী পৃথিবীখন।

বৰ্তমান নৱ প্ৰজন্ম অৰ্থ্যৎ Gen-Alpha হৈছে যে এক ডিজিটেল যুগৰ স্মাৰ্ট ল'ৰা-ছোৱালী । আজিৰ যুগত Gen-Alpha ৰ বাবে সে স্মাৰ্টফোন ব্যৱহাৰ কৰাতো এক নিত্যন্ত প্ৰয়োজনীয় আছিলা। আজিৰ সমাজৰ কণ কণ শিশু হৈছে দেশৰ ভৱিষ্যৎ । কিন্তু আজিৰ যুগৰ শিশুৱে স্মাৰ্টফোন, ছছিয়েল মিডিয়াৰ ব্যৱহাৰ কৰিব জানিছে সঁচা, কিন্তু আপোনজনৰ লগত নাইবা পৰিয়ালৰ লগত বহি কথোপকথন কৰা হৈছে সিহঁতৰ বাবে বিৰক্তিজনক বা আমনিদায়ক। যুগৰ পৰিবৰ্তনৰ লগত আজিৰ প্ৰজন্ম আশুৰাই গৈছে সঁচা, কিন্তু মানুহৰ মাজৰ আত্মিয়তা, মৰম, স্নেহ, আদি ভাৱবোৰ যেন বুজিবলৈ তেওঁলোকৰ সময়েই নাই। আজিৰ শিশুৰ বাবে স্মাৰ্টফোনটো যেন এক ' মূল্যৱান দৰৱ ' কিয়নো সিহঁতৰ মন বেয়া, পঢ়িব মন নোযোৱা, ভাগৰ লগা, আমনি লগা আদি সকলো সমস্যাৰ উৎকৃষ্ট উপায় হৈছে স্মাৰ্টফোনটো।

Gen-Z অৰ্থাৎ ১৯৯৭ পৰা ২০১২ চনৰ ভিতৰত জন্ম লোৱা প্ৰজন্মই এই পৰিবৰ্তন বাৰুকৈয়ে উপলদ্ধি কৰিব পাৰিছে । কিয়নো সেই স্মাৰ্টফোন নোহোৱাৰ আগৰ পৃথিৱীখন আৰু বৰ্তমান সময় অৰ্থাৎ স্মাৰ্ট ফোনৰ অহৰহ ব্যৱহাৰ হোৱা যান্ত্ৰিক পৃথিৱীখন ৰ মাজৰ পাৰ্থক্য হ'ল যেন এক আকাশ -পাতালৰ ।

২০১৩ চনৰ আগসময়ছোৱাত আমাৰ সেই শৈশৱ আছিল অতি আমোদজনক, আবেলি ওচৰ-চুবুৰীয়া সমনীয়া মিলি কিমান যেন খেল খেলি সময় অতিবাহিত কৰিছিলোঁ। লুকা-ভাকু, চুৰ-পুলিচ, কাবাডী, উফ আৰু কিমান যে কি খেল ওলাইছিল । আজিৰ সময়ত আমাৰ বাবে ই এক সাধু কথা। কিয়নো আজিৰ ডিজিটেল যুগৰ ল'ৰা-ছোবালীয়ে সেই সাধুকথা যেন লগা শৈশৱ দেখা নাই বা উপভোগ কৰা নাই। আজিৰ যুগৰ শিশুষ বাবে খেল নহয়, এয়া হৈছে গে'ম (game)। যি কেৱল স্মাৰ্টফোন, লেপটপ স্ক্ৰীনত খেলা স্মাৰ্ট গে'ম। য'ত কোনো অচিন ঠাইৰ মানুহৰ লগত সহজে বন্ধুত্ব গঢ়ি উঠে।
সঁচাকৈয়ে এয়াই যুগৰ পৰিৱৰ্তন। ক'ত যে হেৰাই গ'ল সেই সোণালীময় সেই দিনবোৰ....

~ ৰিদিশা লস্কৰ

ছাত্ৰ জীৱন আৰু সামাজিক দায়বদ্ধতা

আৰম্ভণি:- মানৱ জীৱনৰ আটাইতকৈ মূল্যৱান তথা গুৰুত্বপুৰ্ণ সময়টোৱেই হৈছে ছাত্ৰ জীৱন। অফুৰন্ত শক্তিৰ ভাণ্ডাৰ, সুগভীৰ চিন্তা আৰু নতুনত্বৰ সন্ধানত ব্ৰতী ছাত্ৰ জীৱনৰ ওপৰতেই একো-জন ব্যক্তিৰ বাকীচোৱা জীৱনৰ দিক্ নিৰ্ণয় হয়। অসমীয়াত এষাৰ কথা আছে 'যি মূলা বাঢ়ে, তাৰ দুপাততে চিন'- সেয়েহে ছাত্ৰ অৱস্থাই হৈছে সমগ্ৰ জীৱনৰ আধাৰ। অধ্যয়ন, ব্যক্তিগত জীৱন, প্ৰতিভা বিকাশ তথা জীৱিকা সন্ধানৰ দীৰ্ঘম্যাদী ক্ষেত্ৰখনৰ লগতে ছাত্ৰসকলৰ সামাজিক দায়বদ্ধতাৰ দিশটোও অতি গুৰুত্বপূৰ্ণ।

সমাজ এখন সুস্থিৰভাৱে পৰিচালিত হোৱাৰ ক্ষেত্ৰত ছাত্ৰসমাজৰ ভূমিকা আটাইতকৈ অধিক। শিক্ষণ, সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, সামাজিক ক্ষেত্ৰৰ যিকোনো দিশতে ছাত্ৰসমাজৰ অংশগ্ৰহণ তথা সক্ৰিয় উপস্থিতিয়ে সমাজৰ প্ৰগতিৰ গতিত প্ৰভাৱ পেলায়। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাৰে 'পৰিৱৰ্তনশীল সমাজত পৰিৱৰ্তনেই সত্য'—উক্ত পৰিৱৰ্তনৰ অন্তৰালত ছাত্ৰসমাজৰ অৱদান মুঠেও নুই কৰিব নোৱাৰি। তলত আমাৰ ছাত্ৰসমাজৰ সামাজিক দায়বদ্ধতাৰ কেইটামান দিশৰ ওপৰত আলোকপাত কৰা হ'ল—

ক) ছাত্ৰসকল হৈছে অফুৰন্ত শক্তিৰত ভাণ্ডাৰ। এই ছাত্ৰসমাজে কৰিব নোৱাৰা কাম মোৰ বোধেৰে একো নাই। কিন্তু সামাজিক দায়বদ্ধতাৰ দায়িত্ব পালনৰ পূৰ্বে প্ৰত্যেকেই সঠিক শিক্ষা-দীক্ষাতে দীক্ষিত হৈ নিস্বাৰ্থ কৰ্মত বৰ্তী হ'ব লাগিব। প্ৰকৃত শিক্ষাৰ অবিহনে সামাজিক দায়বদ্ধতাৰ দিশত আগবাঢ়ি যোৱাটো তেনেই দুৰূহ।

খ) বৰ্তমান সমাজত দেখা দিয়া যুৱসকলৰ সামাজিক, নৈতিক, তথা আধ্যাত্মিক স্খলনৰ ব্যাধিৰ পৰা সমাজক নিৰোগী কৰাত আমাৰ ছাত্ৰসমাজে কিছু অভিনৱ পন্থাৰে কাৰ্যপন্থা হাতত লব লাগে।

গ) চলিত সময়চোৱাত সমাজত বৃদ্ধি পোৱা ৰাগিয়াল বা নিষিদ্ধ দ্ৰব্যৰ প্ৰচলনে আমাৰ যুৱ প্ৰজন্মক বিপথে পৰিচালিত হোৱাত সাৰ-পানী যোগাইছে। এই মাৰাত্মক, ব্যাধি-ৰোধ কৰাৰ হেতু ছাত্ৰসমাজে সজাগতা সৃষ্টিৰ লগতে নিচাগ্ৰস্তসকলক বিনামুলীয়া চিকিৎসাৰে আৰোগ্য কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

ঘ) ভাষা- সাহিত্য- সংস্কৃতি হৈছে একোটা জাতি, একোখন সমাজৰ পৰিচয় স্বৰূপ। বৰ্তমান আধুনিকতাৰ ধামখুমীয়াত প্ৰাশ্চাত্য সংস্কৃতিৰ কড়াল গ্ৰাসৰ পৰা থলুৱা সাহিত্য তথা সংস্কৃতিক পুনৰুদ্ধাৰ কৰাত ছাত্ৰসমাজৰ ভালেখিনি কৰণীয় আছে। ন-ন সৃষ্টিৰাজিৰে বৈজ্ঞানিক দৃষ্টিভংগীৰে সাহিত্য-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত ছাত্ৰসকল সজাগ-সচেতন হ'ব লাগিব।

ঙ) 'পথাৰো আমাৰ বজাৰো আমাৰ' কৰল শ্লোগানতে সীমাবদ্ধ নাথাকি, প্রকৃত জ্ঞানেৰে, নতুন উদ্ভাৱনী শক্তিৰে, হাতে কামে লাগি প্রকৃত কর্মৰ জৰিয়তে পথাৰ আৰু বজাৰ দুয়োটাই দখল কৰি আত্মনির্ভৰশীলতাৰ উদাহৰণেৰে থলুৱা অর্থনীতিৰ বিকাশতো ছাত্রসমাজে গুৰুত্ব দিয়া উচিত।

ৰাজনীতিৰ ক্ষেত্রখনতো নতুন যুগৰ অন্তর্ভুক্তিৰে ছাত্রসকল আগৰাঢ়ি যাব লাগিব। বর্তমান লোভ-লালসাৰে স্বার্থ পূৰণৰ এক প্রদূষিত ৰম্যভূমিলৈ পৰিণত হোৱা ৰাজনীতিৰ ক্ষেত্রখন নতুন চামৰ (ছাত্রসকলৰ) অংশগ্রহনেৰে বিশ্বাস আজ কর্মনিষ্ঠাৰে পৰিষ্কাৰ কৰি ন-ৰূপত গঢ়ি তোলাৰ সময় আহি পৰিছে।

সামৰণি:- 'আজিৰ ছাত্র কালিলৈ দেশৰ নাগৰিক'- উপৰোক্ত আলোচনাটিৰ মাধ্যমেৰে ছাত্রসকলৰ সামাজিক দায়বদ্ধতাৰ বহুকেইটা দিশৰ পৰা মাত্র কেইটামানহে উত্থাপন কৰা হ'ল। এনে এটা গুৰু গম্ভীৰ বিষয় মাত্র কেইটামান শব্দত বেহুৰ ভিতৰত আবদ্ধ কৰি দাঙি ধৰাটো হাতী মাৰি ভোৰোকাত ভৰোৱাৰ দৰেই কথা। 'ছাত্রানাং অধ্যয়নং তপঃ' ৰ যথার্থ অনুভৱ কৰি জ্ঞান, শিক্ষা তথা ন-চিন্তা আৰু উদ্ভাৱনী শক্তিৰে উদ্ভাসিত হৈ সমাজ আৰু জাতিটোৰ উত্তৰনৰ দিশত সহায়কাৰী হৈ নিস্বার্থ কর্মেৰে আগুৱাই যোৱাটোহে ছাত্রসকলৰ প্রকৃত ধর্ম হোৱা উচিত ।

~ অংশুমান শইকীয়া



কার্বিসকলৰ চৰণ অঞ্চলৰ খাদ্যৰ মাদকতা

কার্বি সকলৰ মূল মাতৃভূমি পশ্চিম কার্বি আংলং। ইয়াৰ উপৰিও মৰিগাঁও জিলা, গোলাঘাট জিলা, দৰং, শোণিতপুৰ, লক্ষীমপুৰ, কামৰূপ মহানগৰ, উত্তৰ কাছাৰ আৰু কাছাৰ জিলাত এই কার্বি সকলৰ বসতি আছে। চুবুৰীয়া ৰাজ্য মেঘালয়, অৰুণাচল, নাগালেণ্ড, মণিপুৰ, ছিকিম আদিৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ, ম্যানমাৰ, থাইলেণ্ড, তিব্বত, নেপাল আৰু মঙ্গোলীয়াত কার্বি সকলৰ সন্ধান পোৱা যায়।
কার্বি লোকসকল মূলতঃ কৃষিজীৱি। পাহাৰৰ এঢলীয়াত খেতি কৰে আৰু তেওঁলোকৰ সকলো উৎপাদন প্ৰক্ৰিয়া ঝুমতলিৰ লগতহে সম্পৰ্কিত। ঝুমৰ সমান্তৰাভাৱে বিক্ষিপ্তভাবে পানী খেতিও কার্বিসকলে অতীতৰ পৰাই কৰি আহিছে। পানীৰ উৎসৰ ওচৰত পাহাৰত খাজ কাটি কাটি নতুবা জুৰিৰ দুয়োপাৰে সৰু সৰু উপত্যকাবোৰত ডৰা বান্ধি পানী খেতি কৰা হয়। এনে পথাৰত হাল বোৱা নহয়। বাৰিষাৰ আগে আগে কোৰ মাৰি মাটি চহাই লোৱা হয়। পানী আহিলে ম'হৰ জক অথালি পথালিকৈ গচকাই চহ কৰা হয় বাবে উৎপাদনো কম হয়।

ঝুমতলিত কার্বি সকলে আহু, পাহাৰীয়া শালি (চুবক), গোমধান, কাঠ আলু, কচু, বেঙেনা, লাউ, আদা, হালধি, জলকীয়া, তিল, লেচেৰা, উৰহী, কপাহ আদিৰ খেতি কৰে। খাদ্য আৰু সূতাৰ বাবে এড়ী পলু পালন কৰে। খাদ্য আৰু বলি বিধান প্ৰয়োজন হোৱা বাবে গাহৰি, ছাগলী, কুকুৰা, হাঁহ, পাৰ আদি পালন কৰে। বিগত কেইটামান দশকত কার্বি আংলঙেই তিল, লা আৰু এড়ী পলু উৎপাদনত আগস্থান দখল কৰি আহিছে।

পূবৰ পৰা অহা এই জনগোষ্ঠীয় লোকসকলৰ ৰন্ধন প্ৰণালী বাৰুকৈয়ে চকুত লগা। ৰন্ধন পদ্ধতিয়ে এটা জাতি বা জনগোষ্ঠীৰ স্বকীয়তা বহন কৰে। ৰন্ধনৰ বিভিন্নতাই সাধাৰণতে এটা নৃগোষ্ঠীৰ সাংস্কৃতিক পৰিক্ৰমা নির্ধাৰণ কৰে। খাদ্যৰ ৰন্ধন প্ৰণালীয়ে সাধাৰণতে কোনো এক জনজাতিৰ ভৌগোলিক বাসস্থান আৰু আৱাসৰ প্ৰাকৃতিক অৱস্থাৰ আভাস দিয়ে। মুঠৰ ওপৰত খাদ্য সম্ভাৰৰ অধ্যয়ন, ইয়াৰ বিভিন্নতা, ইয়াৰ উপলব্ধতা আৰু প্ৰকাৰৰ অধ্যয়নো সমাজ আৰু সংস্কৃতিৰ অধ্যয়নৰেই এক অবিচ্ছেদ্য আৰু অপৰিহার্য্য অংগ। ইয়াৰ ওপৰত বিস্তৃত অধ্যয়নৰ থল আছে।

অতি সাধাৰণ আৰু প্ৰাকৃতিকভাবে জীৱন যাপন কৰা এই কার্বি সকলৰ খাদ্যও অতি সাধাৰণ আৰু স্বাস্থ্য সন্মত। তেঁওলোকে নিজৰ আৱাসস্থলীৰ ওচৰ-পাঁজৰৰ হাবি বনত যি পোৱা যায় তাকেই খাদ্য হিচাপে গ্ৰহণ কৰে। এই কার্বি সকল প্ৰধানতঃ আমিষভোজী। নিৰামিভোজনৰ প্ৰতি আসক্ত কার্বি মানুহ কোনো নাই বুলিয়ে কব পাৰি। এওঁলোকে সাধাৰণতে গো-মাংস, সাপ, বেং, নিগনি, বন্দৰ, ঘৰিয়াল আৰু লগতে কিছুমান চৰাই বা জীৱৰ বাদে সমুদায় জীৱ জন্তুক আহাৰ হিচাপে গ্ৰহন কৰা দেখা যায়। গাহৰিৰ মাংস হল তেওঁলোকৰ অতিকৈ প্ৰিয় আমিষ আহাৰ।

কার্বি সকলে জ্বৰ হলে মাংসৰ সিজোৱা জোল অর্থাৎ তেওঁলোকৰ ভাষাত "ভ'-অক্ কি-উপ" গ্রহন কৰে, কথিত আৰু প্রমাণিত আছে যে এইবিধ খাদ্যৰ গ্রহণৰ পাছতেই জ্বৰ হোৱাৰ সময়ত একো খাবলৈ মন নোযোৱা প্রবৃত্তিটো নাইকিয়া হৈ যায় আৰু ৰুগীজন সুস্থ সবল হবলৈ আৰম্ভ কৰে। 'ভ'-অক্' মানে সাধাৰণতে মাংস আৰু 'কি-উপ' হল এবিধ বিশেষ ৰন্ধন শৈলী, য'ত খাদ্য বস্তুবোৰ একমাত্র সিজোৱা পদ্ধতিৰে তৈয়াৰ কৰা হয়। এইবিধ ঘৰুৱা ঔষধৰ বাবে সাধাৰণতে মুৰ্গীৰ মাংসই ব্যৱহাৰ কৰে যদিও তেওঁলোকৰ সমাজৰ কিছু কিছু লোকে ছাগলীৰ ঠেঙুৰ মূৰ্গীৰ পৰিৱর্তে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। এতিয়াও যিসকল কার্বি সম্প্রদায়ৰ মানুহৰ ঘৰত বয়োজেষ্ঠ মানুহৰ উপস্থিতি আছে, তেওঁলোকৰ ঘৰত এইবিধ ঔষধি খাদ্যৰ প্রচলন আজিকুপতি ব্যৱহাৰ হৈ থাকে। বজাৰৰ পৰা খাদ্য সামগ্রী কিনি আনি খোৱা প্রথাটো কার্বি সমাজত ইমানকৈ পৰিলক্ষিত নহয়। থিতাতে পোৱা বনৰীয়া শাক পাচলি বা তেনেধৰণৰ খাদ্য ব্যৱহাৰ অতি বেছি। এইটো নিঃসন্দেহে কব পাৰি যে এই কার্বি সকলে যিমান বনৰীয়া শাক, বন, লতা আদি খাই, অন্য জনগোষ্ঠীবোৰে সিমান নাখায়। তেওঁলোকৰ দৈনন্দিন জীৱনত আটাইতকৈ বেছি ব্যৱহৃত শাক পাচলিবোৰৰ ভিতৰত - কাঠআলু, কচু, ঢেঁকীয়া, কলদিল, কলমৌ, মানিমুনি, মেহেক, পচলা, খুটোৰীয়া শাক, দোৰোণ, হানথু, ভেদাই লতা, হানছেৰেং ইত্যাদি। আৰৈ চাউলৰ ভাত কার্বি সকলৰ অতিকৈ প্রিয়। দ্রুত আধুনিকীকৰণ আৰু উন্নত প্রযুক্তিবিদ্যাৰ বহুল ব্যৱহাৰৰ কবলত, খাদ্যভাস আৰু ৰন্ধন প্রণালীৰ ক্ষেত্রত এওঁলোকো সাধাৰণ জনজাতি সকলৰ দৰেই হৈ যাবলৈ ধৰিছে যদিও বর্তমানেও এই কার্বি সকলৰ স্বকীয়তা বর্তি আছে।

এইখিনিতে উল্লেখ কৰিব লাগিব যে কার্বি খাদ্যত গাখীৰৰ ব্যৱহাৰ প্রায় দেখা নাযায়, গাখীৰ খায় যদিও খাদ্য সম্ভাৰৰ তালিকাত ইয়াৰ স্থান একেবাৰে তলত বুলিব পাৰি। তেওঁলোকৰ পৰম্পৰাগত খাদ্য সাধাৰণতে মাংস (বিশেষকৈ গাহৰি), মাছ আৰু বিভিন্ন বনৰীয়া শাক-পাচলিৰে তৈয়াৰ কৰা হয়। ৰন্ধন প্রণালীৰ কথা কবলৈ গলে, এই কার্বি সকলৰ প্রধানকৈ সাত বিধ ৰন্ধন পদ্ধতি তথা প্রণালী আছে। সেইবোৰ হ'ল- কাংমই, কালাংদাং, কি-উপ বা কিহিপ, কাৰনু, কিফি, কাংথু আৰু কিমুং। এইকেইটা খাদ্য ৰন্ধন প্রণালীৰ সৈতেই এওঁলোকে নাননটা সুস্বাদু ব্যঞ্জন তৈয়াৰ কৰি লয়। আন আন সংস্কৃতিত ব্যৱহাৰ কৰা খাদ্য ৰন্ধন প্রণালী এওঁলোকৰ দৈনন্দিন জীৱন শৈলীত বৰ কমকৈ (নকৰে বুলি কলেও বঢ়াই কোৱা নহব) ব্যৱহাৰ কৰা দেখা যায়। উপৰুল্লিখিত প্রণালী কেইবিধৰ প্রণালীদ্ধভাৱ উপস্থাপন তলত কৰা হ'ল-

১) কাংমই- খাৰ দি, জোল বা শুকানকৈ ৰন্ধা এই পদ্ধতিটোৱেই হ'ল পূবৰ পৰা অহা কার্বি সকলৰ আটাইতকৈ প্রিয় খাদ্য ৰন্ধন প্রণালী। এওঁলোকে সকলো ব্যঞ্জনতে খাৰৰ ব্যবহাৰ কৰে বুলি কব পাৰি। শাক-পাচলি, মাছ-মাংস সকলোতে এওঁলোকে খাৰৰ ব্যবহাৰ কৰে। এওঁলোকে খাৰ সাধাৰণতে বাঁহ, সৰিয়হ, তিল বা ভীমকল গছৰ ছাই, 'ফেলো' বিছিৰ' নামৰ শংকু আকৃতিৰ বাঁহেৰে সজা চেকনিৰে চেকি ব্যবহাৰ কৰে। সাধাৰণতে নিৰামিষ ভোজন ৰন্ধোতে পোনপ্রথমে খাৰখিনি পানীৰে মিহলাই জোখমতে কাঢ়া কৰি লোৱা হয়, তাৰ পাছত তাত ৰন্ধিবলগীয়া সামগ্রীখিনি দি সিজোৱা হয়। ইয়াত এটা অপৰিহার্য উপকৰণ হ'ল শুকান মাছ, যাক তেওঁলোকৰ ভাষাত মানথু বুলি কোৱা হয়। শাক-পাচলি অনুসাৰে ক'ৰবাত আদা-নহৰু, ক'ৰবাত তিলৰ গুৰি আদি দিয়া হয় কিন্তু ক'তো হালধি গুৰি দিয়া নহয়। আমিষ

ভোজন ৰান্ধোতে পোনপ্রথমে মাছ বা মাংসখিনি খাৰত ভাজি লোৱা হয়। এটা নির্দিষ্ট সময়লৈ ভজাৰ পিছত অন্যান্য উপাদানবোৰ দিয়া হয়। শেষত সিজিবলৈ বা জোল ৰাখিবলৈ প্রয়োজনীয় পৰিমাণৰ পানী দিয়া হয়।

২) কালাংদাং- খাৰ নিদিয়াকৈ, জোল বা তৰকাৰী ৰন্ধা এই পদ্ধতিটোৱেই হ'ল কালাংদাং। আটাইকেইটা ৰন্ধন প্রণালীৰ ভিতৰত এইটোৱেই হ'ল আটাইতকৈ উজু প্রণালী। বিশেষ কিছুমান শাক-পাচলি আৰু মাছ সঠিক পৰিমাণৰ পানীৰ সৈতে সিজোৱা হয়। ইয়াত প্রয়োজন অনুসৰি নিমখ, হালধি, আদা, নহৰু, তিলৰ গুৰি, কেঁচা জলকীয়া আৰু শুকান মাছ (মানথু) দিয়া হয়।

৩) কি উপ বা কিহিপ- ই কালাংদাংতকৈ সহজ আৰু প্রায় একে পদ্ধতি। পার্থক্য এটাই, ইয়াত শুকান মাছৰ ব্যবহাৰ কৰা নহয়। প্রয়োজনতকৈ অধিক পানীত কিছুমান শাক-পাচলি এই পদ্ধতিত বনোৱা হয়। সচৰাচৰ এই পদ্ধতিৰে সাধাৰণতে মাংস বনোৱা হয়। মাংসখিনি ভালকৈ সিজাৰ পাছত অন্য এটা পাত্রত থৈ তিলৰ গুৰি আৰু কোনো কোনোৱে কেঁচা জলকীয়া আৰু কেঁচা পিয়াঁজ মিহলাই পৰিবেশন কৰা হয়। অতিৰিক্ত জোলখিনি পানীয় হিচাপে ব্যবহাৰ কৰা হয়। এনেদৰে তৈয়াৰ কৰা এইবিধ খাদ্য অতি সোৱাদযুক্ত।

৪) কাৰনু- ভাজি খাদ্য তৈয়াৰ কৰা পদ্ধতিটোক কাৰনু বুলি কোৱা হয়। মিঠাতেল নিদিয়াকৈ ভজাটোক "আৰণু ছই ছই" বোলে। জংথো কাৰনু পদ্ধতিটো অন্য জনগষ্ঠীসমূহৰ ভজাৰ লগত কোনো পার্থক্য নাই। এই পদ্ধতিটো ভৈয়ামৰ কার্বি সকলৰ সমাজলৈ অন্য জনগোষঠীসমূহৰ পৰা অহা যেন বোধ হয়। তেল নোহোৱাকৈ সাধাৰণতে নিমখত নহৰু বা আদা-নহৰু মিশ্রণ কাঢ়াকৈ ভাজি তাত ৰন্ধিবলগীয়া শাক-পাচলি বা মাংস আদি পেলাই ভজা হয়। এটা নির্দিষ্ট পর্য্যায়ৰ পাছত সিজিবলৈ প্রয়োজন হলে পানী দিয়া হয়। ইয়াৰ উপকৰণ সাধাৰণতে কেঁচা হালধি বঁটা আৰু তিলৰ গুৰি।

৫) কিফি- কিফি হল আঙঠাত দি বনোৱা বা খৰিকাত দিয়া। এই পদ্ধতিৰে সাধাৰনতে মাছ, মাংস, কলডিল, আৰু কিছুমান বিশেষ বিশেষ শাক-পাচলি বনোৱা হয়। বেঙেনা পুৰা কার্বি সকলৰ প্রিয় খাদ্যৰ অন্যতম। ইয়াৰ উপৰিও তেওঁলোকে মাছ পাতত দিয়া, পুৰা মাংস, খৰিকাত দিয়া গাহৰিও বহুলভাৱে ভক্ষণ কৰে। এই পদ্ধতিৰে বনোৱা খাদ্য সাধাৰণতে তিলৰ গুৰি, কেঁচা জলকীয়া আদিৰ লগত পৰিবেশন কৰা হয়।

৬) কাংথু- কার্বি সকলৰ আটাইতকৈ প্রিয় ৰন্ধন প্রণালীৰ অন্যতম হল এইবিধ পদ্ধতি। এই পদ্ধতিত উপকৰণ খিনিত প্রয়োজনীয় অনুপাতে নিমখ, হালধি, আদা-নহৰু দি কলপাতেৰে ভালদৰে মেৰিয়াই গৰম ছাঁইত সুমুৱাই দিয়া হয়। এই পদ্ধতিৰে সৰু সৰু মাছ, কিছুমান বিশেষ বনৰীয়া শাক, বনৰীয়া গছ লতিকাৰ ফল, গুটি আদি প্রস্তুত কৰা হয়। পৰিৱেশনত স্বাদ অনুযায়ী তিলৰ গুৰি দিয়া হয়।

৭) কিমুং- কার্বিসকলৰ অন্যতম প্রিয় এইবিধ ৰন্ধন প্রণালীৰে প্রস্তুত কৰা খাদ্যক সমাজত উচ্চতম আসন দিয়া হয়। সমাজৰ সন্মানীয় ব্যক্তিক এই পদ্ধতিৰে প্রস্তুত কৰা খাদ্য উপহাৰ দিয়া হয়। এই পদ্ধতিত সাধাৰণতে উপকৰণখিনিত প্রয়োজনীয় অনুপাতে নিমখ, হালধি, আদা-নহৰু ভালকৈ সানি লৈ কেঁচা বাঁহৰ চুঙাত ভৰাই জুইত পুৰি দিয়া হয়। সিজিলে পুৰি যোৱা চুঙাৰ এঙাৰবোৰ দাৰ সহায়ত চুঁচি এৰুৱাই দিয়া হয়। এই প্রচলিত পৰম্পৰাগত পদ্ধতিৰ দ্বাৰা মাছ, মাংস লগতে আৰু বিশেষ বিশেষ কিছুমান বনৰীয়া শাক আৰু গছৰ ফল, গুটি আদি প্রস্তুত কৰা হয়। এনেদৰে তৈয়াৰ কৰা খাদ্য তিলৰ গুৰি আৰু

কেঁচা জলকীয়াৰে পৰিবেশন কৰা হয়। এই পদ্ধতিৰে ভাতো তৈয়াৰ কৰা হয়। চাউলখিনি তৰাপাত বা কৰফুলৰ পাতেৰে (সুগন্ধিৰ বাবে) মেৰিয়াই চুঙাত ভৰাই দিয়া হয়। চুঙাত পানী ঢালি ওপৰমুৱাকৈ ৰাখি পুৰি দিয়া হয়। সিজি যোৱাৰ পাছত অতিৰিক্ত পানীখিনি ওলাই যাবলৈ চুঙাবোৰ তলমুৱাকৈ ৰাখি দিয়া হয়। পিছত চুঙাৰ পৰা উলিয়াই লদাবোৰ টুকুৰা কৰি পৰিবেশন কৰা হয়।

এইবোৰৰ উপৰিও আৰু কিছুমান পদ্ধতি পোৱা যায়। যিবোৰ সাধাৰণতে বিশেষ ব্যঞ্জনৰ বাবেহে ব্যবহাৰ হয়। আজিকালি সভ্যতাৰ পোহৰ আৰু বিজ্ঞানৰ অগ্রগতি আৰু প্রযুক্তবিদ্যাৰ অভূতপূর্ব ব্যৱহাৰৰ বাবে এনেধৰণৰ কঠিন পদ্ধতি ক্রমান্বয়ে লোপ পাই আহিছে। সহজতৰ হোৱাৰ বাবে আৰু ব্যস্ততাৰ বাবে আজিকালি সর্বসাধাৰণে ব্যৱহাৰ কৰা পদ্ধতিবোৰ বেছি জনপ্রিয় হৈ পৰিছে।

কৃষিৰ আৱিষ্কাৰে আদিম মানৱ যেনেকৈ স্থায়ী জীৱন যাপনৰ বাবে বাধ্য কৰালে, জুইৰ আৱিষ্কাৰেও খাদ্য সিজাই-পকাই খোৱাৰ অভ্যাস গঢ় লৈ উঠালে। ঠিক তেনেদৰেই সময়ৰ সোঁতত, জীৱনৰ গতিৰ আলম লৈ সৃষ্টি হল এবিধ চিৰসেউজীয়া পৰম্পৰাগত পানীয় "মদ" আৰু এইবিধেই এনে একমাত্র এবিধ বস্তু যাক প্রচলন হবলৈ কোনো আনুষ্ঠানিকতাৰ প্রয়োজন নাই, আপুনা আপুনি বহল হৈ গৈ থাকে। মদৰ প্রচলনে সমাজ ব্যৱস্থাত গা কৰি উঠাৰ লগে লগে আন বহুতো অন্ধবিশ্বাসৰ নিচিনাকৈ মদেও পূজাৰ এবিধ উপকৰণ হৈ অনাদি অনন্তৰ শ্রীচৰণলৈ ধাৱমান হ'ল। পূজাৰীয়েও আর্ণামলৈ পূজা ভাগ আগবঢ়াওতে মদ যাচি 'আতাম' মাতি তেওঁলোকৰ সন্তুষ্টি কামনা কৰা হ'ল। তেনে এটি ভক্তিমূলক 'আতাম' হ'ল -



তে হেম হেম হেম
ঐ নাং দেহাল
ছাৰপে দেহাল ছাৰপ'
হালি চুমছা আছ'কে
চুমছি আছ'কে
তুন পাংথিৰছী দাং পাংথিৰছী
দেহাল আয়ক
দেপাত আয়ক
নাং আর্দম আথেয়ে নাং আর্দি আথেয়ে...

উক্ত আতামৰ দ্বাৰা বুঢ়া গোঁসাই আৰু বুঢ়ি গোসাঁনীক কাৰৌ কৰিছে যে পূজাৰ কাৰণে মদ তৈয়াৰ কৰা হৈছে, পাত পাতলি পাৰিও পূজা দিয়া হৈছে। তেওঁলোকে যেন গৃহস্থৰ নাতি-পুতি সকলক ৰোগ-ব্যাধি আৰু অপায়-অমঙ্গলৰ পৰা ৰক্ষা কৰে। মদৰ উল্লেখ থকা এটি 'আৰকুৰা' গীত হ'ল-

লাংহেৱাক অহৈৱাদে এহেৱা এহাই হাই
থেৰে আকামেমমাৰ লাকাই চাংপুং আকুৰিমাৰ
ৱাংতাক ৱাংহাৰ লাঙত লকাই ৰাহং চিংবেব' হে
লাছি হেমফু আর্ণামকে লকাই জৰলাং পাংদঙ' হে

যাৰ অর্থ হ'ল- হে ডেকা গাভৰু সকল, বেলি বহিব এতিয়া সোনকালে কোৰ মাৰা। তোমালোকক গৃহস্থই মদ বনাই খুৱাইছে। ঘৰতো কচু-ঢেঁকীয়াৰে আঞ্জা প্রস্তুত কৰি থৈছে।

কেঁচুৱাৰ নাম থোৱা অনুষ্ঠান(অছ' আমেন কিৰি)তো কাঠাৰ জনে কেঁচুৱাটিৰ জিভাত অকণমান মদ চেলেকাই দিয়াৰ নিয়ম আছে। বৰবিয়াটো মদ নহলেই নহয়। কইনা চাবলৈ যোৱা দিনাৰ পৰাই মদ নিয়া আৰম্ভ হয়। মৃতকৰ শ্রাদ্ধঅনুষ্ঠানৰ দিনাও মদৰ ব্যৱহাৰ হয়। সমাজৰ দায় দণ্ডও মদৰ লাউত ধৰিহে বিহা হয়। জগৰ সৰু হ'লে কম মদৰলাউ আৰু ডাঙৰ জগৰ হ'লে বেছি 'হৰবং' ভৰিব লগা হয় ওজা বা বেজৰ ওচৰত কিবা মঙ্গল চাবলগীয়া হলেও এলাও মদ লগিবয়ে। 'মদেই মঙলা, হাগাকটি জঙলা' বুলি কার্বি সকলৰ মাজত লোক বচন এফাকি আছেই।

মদ প্রস্তুত প্রণালী :- মদ তৈয়াৰ কৰিবলৈ মদৰ বাখৰ (হৰতুন থিংকুৰ; হৰতুন মানে মদ বনোৱা আৰু থিংকু মানে ঔষধ) লাগে। তিতা কেহাঁ গছৰ পাত পিঠাগুৰিৰ লগত মিহলি কৰি খুন্দি বাখৰ বনোৱা হয়। বাখৰবোৰ সৰু সৰুকৈ ঘূৰণীয়া কৰি বনায়। বাখৰত লগা পাতবোৰৰ ভিতৰত হ'ল- বিহ ঢেঁকীয়াৰ পাত (ইংৰত আৰৱ'), ভেটাই পাত (পিৰ ইক আৰৱ'), ধঁতুৰা পাত (মুৰীত আবং আৰৱ'), লৰা তিতা পাত (হেলহ'ক দাক), কঁঠাল পাত (জাং ফং আৰৱ'), নিম্ পাত (নিম আৰৱ'), বাহাকা পাত (ৰাম ভাক আৰৱ'), দূত গছৰ পাত (বেঙল আৰৱ'), তিতাভেকুৰি পাত (হেছ' আৰৱ'), কুঁহিয়াৰ পাত (লুক্লাং আৰৱ'), বগা বাহাকা পাত (আকিলক ৰামভাকা), নাঙল ভঙা পাত (ফালাং হেলহ')। এই সকলোবোৰেৰে বনোৱা বাখৰৰ সৰু সৰু পিঠা বনাই চালনি এখনত শুকুৱাই ৪ বা ৫ দিনৰ পাছত ইয়াক মদ বনোৱাত ব্যৱহাৰ কৰিব পৰা যায়। এক সেৰ পিঠাগুৰিত ২০ ৰ পৰা ২৫ টা বাখৰ পোৱা যায়।

মদ প্রস্তুত কৰা চাউল খিনি প্রথমে সাধাৰনভাৱে ভাতৰ নিচিনাকৈ সিজাই লব লাগে। চাউলখিনি সিজি উঠিলে মদৰ ভাত মেলা ঢাৰি 'আনতাৰ' ত এঘণ্টামান মেলি চেঁচা হবলৈ দিব লাগে। তেতিয়াই তাত কিছু তুহগুৰি মিহলাই লব লাগে। তাৰ পাছত ভাত খিনিত প্রয়োজন অনুসৰি ইতিমধ্যে প্রস্তুত কৰি ৰখা মদৰ বাখৰ দি সেই ভাতখিনি মজিয়াত কলপাত এখনত বহলাই মেলি দি আন এখন কলপাতেৰে এদিন-এৰাতি মান সময় ঢাকি ৰাখিব লাগে। তাৰ পাছত সেইখিনি চাৰি বা পাঁচ দিনৰ বাবে টেকেলিত ভৰাই থলে নিচালৈ পৰিৱর্তন হৈ মদ, জৰলাং আৰু হৰলাং নাম লয় আৰু তেতিয়াই মানুহৰ মুখৰ আগত ইয়াক যাচিব পৰা যায়। তেনেদৰে জাৰিটোত বা তেকেলিটোত হৰ আৰো'টো সুমুৱাই লেয়াং টোৰে টানি অনা চাফা মদ খিনিয়ে নাম পায় পোহন মদ বা আলাংআহৰ আৰু টেকেলিত জুগুলিৰে সৈতে বৈ যোৱা মদ খিনি হৈ পৰে চেকা মদ 'কিচি আহৰ'। ইয়াৰ উপৰি বৰা বা চলীয়া মদ (বাৰা আহৰ), কলৰ মদ (ফুউক আহৰ) আৰু ফটিকা মদ (লাংচৰ আলাং) নামৰ তিনি প্রকাৰৰ মদো কার্বি (ভৈয়ামৰ) সমাজত প্রচলন হোৱা দেখা যায়।

পোহন মদ কাঢ়িবলৈ যেনেকৈ 'হৰ আৰো' বা 'লেয়াং' ৰ প্রয়োজন ঠিক তেনেদৰেই মদ চেকিবলৈ 'ছি', মদ থবলৈ মদৰ ডাৰণ 'চৰ'ৰ প্রয়োজন আছে। 'হৰ আৰো'টো টঙালৰ, 'লেয়াং'টো লাউৰ। তেনেদৰেই

মদ চেকিবলৈ ব্যৱহাৰ কৰা 'ছি' হ'ল টঙালৰ আৰু ডাৰণটো দুতৰপীয়া টঙালৰে বা গমাৰী গছৰ কাঠত কটা হয়। মন কৰিবলগীয়া কথা যে কার্বি সমাজত ব্যৱহাৰ হোৱা ডাৰণটোত খুৰা নাথাকে। লাউ আৰু চুঙাও মদৰ আহিলা। মান চুঙা 'লাহান চামাৰী' ত যেনেদৰে মানীজনক মদ যাচি সন্মান প্রদান কৰা হয় ঠিক তেনেকৈ 'লাহান চাৰেহ্লেত', চৰপং, টেং চপ নামৰ চুঙা বিধে দেৱ দেৱীক মদ আগবঢ়াওঁতে ৰাইজে বহি মদ খাওঁতে প্রয়োজন হয়। 'কাৰিক' নামৰ মাটিৰ পাত্র বা মদৰ সৰু লাউ 'হৰবং' এটিয়েও মদ পৰম্পৰা এটিকে কঢ়িয়ায়। মাটিৰ 'কাৰিক' আৰু ডাৰণটো ৰ মদ চোতাল পূজাৰ সময়ত লাগে।

জিভাৰ আগত পোহন মদৰ জুতিটো লাগি থকাৰ নিচিনাকৈ, বিহুগীত, বনগীত আদিৰ কলিবোৰো এচাম কার্বিলোকৰ মুখত লাগিয়েই থাকে উছৰে-পার্বনে। গীত মাতৰ এই বর্ণনা বোৰত কেতিয়াবা প্রেম পীৰিতিৰ কথাৰ সোৱাদ পোৱা যায় আৰু কেতিয়াবা মদৰ গোন্ধ থকা কথাৰ উমান পোৱা যায়। ৰাজেন্দ্র টুমুঙৰ পৰা সংগ্রহ কৰা এফাকি গীতত বিহুৰ দিনত বগৰী নামৰ বৌ এগৰাকীক ডেকাচামে মদ খুজি আমনি কৰাৰ ছবিখন তলত দিয়া ধৰনৰ-

বং ছালৰুক ছালৰুকপে
আলাং আলাং হৰ পিনে
ৰিছ'কা ভুলে পে
নাঙ তাপে নাঙ তাপে
নাং মেন ঠাকিৰিক
ৰিছ' ৰিছ' আর্লেংয়ক
মেক কাপাবিৰিক

যাৰ অর্থ হ'ল- তিতা লাউত মদ ভৰালা আৰু সেইহেতুকে মদৰ খলকনিত ডেকা ল'ৰাবোৰ তোমাৰ কাষ আহিল। বগৰী বৌ, তুমিও কিন্তু কম এজনী নহয় দেই। তুমি চকু পিৰিকাই, চাদৰৰ আঁচল নচুৱাই এই ডেকাবোৰৰ মন জয় কৰি পেলালা।

কার্বি খাদ্যাভ্যাসত চুঙাৰ ব্যৱহাৰ :- অসমৰ সংস্কৃতি বাঁহ সংস্কৃতি। যাৰ নাই বাঁহ, তাৰ নাই সাহ বোলা কথাষাৰেও তাকেই বুজাইছে। কেঁচুৱা জন্ম হওঁতে বাঁহৰ চেচোৰে কেঁচুৱাৰ নাড়ী কটাৰ পৰা আৰম্ভ কৰি শ' চাঙিখনলৈকে সকলোতে বাঁহেই বাঁহ। এই বাঁহৰ প্রচলন কার্বি সমাজতো বহুল ভাৱে হয়। ইংতি লাংপং (নিমখৰ চুঙা), থাৰমিক লাংপং (হালধিৰ চুঙা), ফাল'লাংপং (খৰৰ চুঙা), তমান লাংপং (শুকতি চুঙা), হামউকথৰ লাংপং (গাজ টেঙাৰ চুঙা), আন লাংপং (ভাত ৰন্ধাৰ চুঙা), হান লাংপং (আঞ্জা তৈয়াৰ কৰা চুঙা), চু লাংপং (দৈৰ চুঙা), হৰ লাংপং (মদৰ চুঙা), হিইক লাংপং (ব' চুঙা) ৰ দৰে বিভিন্ন চুঙা তেওঁলোকৰ সমাজত বহুলভাৱে প্রচলিত।

চুঙা ব্যৱহাৰৰ অন্যান্য কাৰণবোৰৰ লগত এইটোও হয়তো হব পাৰে যে চুঙাত সোপামাৰি পানীত গঢ়াই থোৱা বাঁহৰ গাজকণৰ সোৱাদকণ যেনেদৰে পাহৰিবলৈ পৰা নাযায়, তেনেদৰে সদাই মনত থাকে চুঙাত

সিজাই প্রস্তুত কৰা ভাতমুঠি আৰু শাক মুঠিৰ সোৱাদ। শুকান মাছ খুন্দি কৰা শুকুতি চুঙাৰ শুকুতিখিনি, খাৰচুঙাৰ খাৰণিখিনিৰ লগত তপতাই খোৱা সোৱাদৰ কথাটো আছেই। লাহানপে নামৰ চুঙাবিধত ৰাইজে ৰাজহুৱা সকামত পানী খোৱাৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। চৰপং নামৰ চুঙাবিধত পূজা পার্বনত মদ খোৱা হয়। লাহান চৰহ্লেত নামৰ চুঙাবিধো কার্বি মৃতকৰ নামত শিলপোতা ঠাই (লংএ আৰি), দেহাল পূজা আৰু শুচি হোৱা অনুষ্ঠানত মদ খাবলৈ লাগে। লাহান ছামাৰী নামৰ চুঙাবিধত বিবাহ অনুষ্ঠানত আতামছাৰ (বৰবিয়া এখনত কথাৰ আঁত ধৰোঁতা দুজন) ক মদ যাচি সন্মান প্রদান কৰা হয়। কুমলীয়া বাঁহেৰে তৈয়াৰী হৰপং বা টেংচপ নামৰ চুঙাবিধত দেৱতালৈ মদ আগবঢ়োৱা হয়। লাংপং নামৰ চুঙাত সাধাৰণতে পানী খোৱা হয়। ই কুমলীয়া বাঁহেৰে তৈয়াৰী হৰপং বা টেংচপ নামৰ চুঙাবিধৰ দৰেই চুটি।

কার্বি খাদ্যভাস আৰু নীতি নিয়মৰ আওঁতাত লাউ- কার্বিত বং মানে লাউ। কার্বি সমাজত লাউৰ ব্যৱহাৰ এনেধৰণৰ- শুচি হোৱা বীৰ কিলুত নামৰ অনুষ্ঠানত এলাউ মদ লাগে, বৰবিয়াত ওঠৰ টা মদৰ লাউ লাগে। গৰু বিহু, মৃতকৰ শ্রাদ্ধ, দেহাল পূজা, সীমা পূজা (কাচিকল আর্ণাম), দায়-দণ্ড, চোতাল পূজা (হেম আর্ণাম), লঙে কি-এ, মণ্ডল মাজিৰ আদি পূজাত লাউত নিয়া মদ তেনেই অপৰিহার্য্য। বিশেকৈ মন কৰিবলগীয়া কথা যে প্রতি পূজাত লাউত নিয়া মদখিনি পোহন মদ, তেওঁলোকৰ ভাষাত আলাং আহৰ হব লাগে। আঠ মঙলা খাবলৈ যাওঁতে নিয়া লাউত দিয়া সূতাৰ গাঁঠিটোক 'ৰিফান' বোলে। বৰ বিয়াত মদৰ লাউবোৰ সাধাৰণতে থ'পাত (হাপ) নিয়ে। লাউ অনুসাৰে বৰাভাতৰ টোপোলাও নিব লাগে।

কার্বি খাদ্যাভাষত বং :- সংস্কৃতিৰ উপাদানবোৰ অসংপৃক্ত; ইটোৰ লগত সিটো ওতঃপ্রোতভাৱে জড়িত হৈ আছে। এনে উপাদানৰ সমষ্টিয়েই এটা সভ্যতা আৰু সংস্কৃতি গঢ় দিয়ে যিয়ে এটা জাতি তথা জনগোষ্ঠীক স্বকীয়তা তথা অস্তিত্ব প্রদান কৰে। এনে এটা সাংস্কৃতিক উপাদান বং হ'ল বিভিন্ন প্রজাতিৰ তিতালাউৰ খোলা। বিভিন্ন আকৃতি বা আকাৰৰ এই তিতা লাউবোৰ অতি নিপুণতা আৰু দক্ষতাৰে ভিতৰৰ শাহখিনি উলিয়াই খোলাটো সাৱধানেৰে উলিয়াই লোৱা হয়। ফলটোৰ চাল এৰুৱাই ধোঁৱাচাঙত ভালকৈ শুকুৱাই লৈ ইয়াক ব্যৱহাৰ কৰা হয়। বিশেষ আকৃতিৰ তিতালাউৰ বীজৰ পৰা সেই আকৃতিৰেই ফল পোৱা যাব তাৰ কোনো নিশ্চয়তা নাই। এই গুণৰ বাবেই কার্বি সকলে ইয়াক দৈৱিক সামগ্রী বুলি বিশ্বাস কৰে। বিশেষ আকৃতিৰ বং পাবলৈ বিধান পোৱাই নহয়, দেৱতাৰ কৃপাও পাব লাগিব। ব্যৱহাৰ আকাৰ আৰু আকৃতিৰ ওপৰত ভিত্তি কৰি বং সাত প্রকাৰৰ আছে। সেইবোৰ হ'ল- বংছ', বংচিম বা বংচিন, বংক্রক, দামদাম, বংএ বা লাংবং, বংকাৰি, লাংজাক, বংচিলি, বংকেজাই। হাতৰ মুঠিত লুকুৱাই ৰাখিব পৰা বংছ' ৰ আকাৰ অতি সৰু আৰু কার্বি সমাজত ই অতি পৱিত্র আৰু দুষ্প্রাপ্য। ইয়াৰ ঠাৰিৰ মাজেদি ফুটা কৰা। ইয়াক পূজা পাতলৰ সময়ত আৰাধ্যজনলৈ হৰকাংথিৰ (পূতসোম, পৱিত্র মদ) নৈবেদ্যৰূপে আগবঢ়াবলৈ ব্যৱহাৰ কৰা হয়। কার্বি থেককেৰে শ্রেণীৰ জোলোঙাই জোলোঙাই এই বং পোৱা যায়।

শঙ্কুৰ দৰে ডিঙি থকা বংচিম হ'ল এনে এবিধ বং যাৰ সৰু আকাৰৰটো সমূহীয়া পূজা আৰু ডাঙৰ আকাৰৰটো বিভিন্ন ধৰণৰ সামাজিক কামত অতিথি আৰু মান্যজনক সন্মান জনাবলৈ ব্যৱহাৰ কৰা হয়।

বংক্রক নামৰ বংবিধ বিবাহ, হেম আংতাৰ, মঙ্গল চোৱা কার্য্য আদিত বংচিমৰ পৰিবর্তে বংক্রক বং ব্যৱহাৰ কৰা হয়।দামদাম নামৰ বংবিধৰ কার্বি সমাজত বিশেষ মর্যাদা আছে। চাউলৰ গুৰি আৰু শুকান মাছৰ নৈবেদ্য ইয়াত পৰিবেশন কৰি পেংৰ পূজা কৰা হয়। বংকাৰী নামৰ বংবিধ নংপ্লি সকলক কুলদেৱতাৰ পূজাত নংপ্লি লাংহেৰ পুতজল সংৰক্ষণৰ বাবে ব্যৱহাৰ কৰা হয়। লাংবং নামেৰে প্রচলিত বংএ নামৰ বংবিধক পানী ৰখা পাত্র হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াক ঘাটৰ পৰা খাংৰ জৰিয়তে পানী অনাৰ পাত্র হিচাপে অতীজৰে পৰা ব্যৱহৃত হৈ আহিছে। বিভিন্ন পূজাত ইয়াক পূতজলৰ পাত্র হিচাপেও ব্যৱহাৰ কৰা হয়। কোনো কোনো ঘৰত ইয়াক লাউপানী ৰাখিবৰ বাবে ব্যৱহাৰ কৰা হয়।লাংজাক নামৰ বংবিধক সাধাৰণতে লাউপানীক মদভাতৰ পৰা তুলি আনিবৰ বাবে ব্যৱহাৰ কৰা হয়। বিশেষ আকৃতিৰ এইবিধ সঁজুলিৰ জৰিয়তে ভাত মিহলি হৈ থকা লাউপানী চেকি আনিবলৈ বৰ সহজ হয়। সৰু নিজৰা বা কুঁৱা আদিৰ পৰা পানী তুলি আনিবৰ বাবেও ইয়াক ব্যৱহাৰ কৰা হয়। আনহাতে বংচিলি নামৰ প্রকাণ্ড বং বিধ মাহ, উৰহি, তিল, সৰিয়হ, গোমধান আদিৰ দৰে সামগ্রীবোৰ সংগ্রহ কৰি থবৰ বাবে ব্যৱহাৰ কৰা হয়।

বং প্রস্তুত প্রণালী :- ব্যৱহাৰোপযোগী বং প্রস্তুতিৰ বাবে এক দীঘলীয়া সময় আৰু নিপুণ হাতৰ প্রয়োজন। প্রথমে পূৰঠ ফল চিঙি ঠাৰি এৰুৱাই তাত জোঙা কটাৰীৰ আগেৰে ঘাঁ কৰি তাত খাৰ দি ভিতৰৰ শাহখিনি পচিবলৈ চেচুক ঠাইত প্রায় পঞ্চাশদিন মান থৈ দিয়া হয়। শাহখিনি পচি গলে বীজৰ সৈতে সেইখিনি পেলাই দি পাতল বাকলি এৰুৱাৰ পাছত ৰাপ বা ধোঁৱাচাঙত এলান্ধুৰে ছানি নধৰালৈকে উবুৰিয়াই থৈ দিবলাগে। তাৰ পাছত মিহি বালিৰে ঘঁহি ঘঁহি পৰিষ্কাৰ কৰা হয়। তেতিয়া খোলাটোত এটা লা ৰং ধৰে; কেতিয়াবা, কেতিয়াবা ঘন বেঙুনীয়া ৰং ধৰাও দেখা যায়। এই ৰং অতি সুন্দৰ আৰু ইয়াৰ এক কলাত্মক আকর্ষণ আছে। ইয়াক ভার্নিছ কৰি থোৱা যেন দেখা যায়। ইয়াৰ পিঠিখন ইমানেই মসৃণ হয় যে ইয়াত পোহৰৰ প্রতিফলনো দেখা যায়। ইয়াৰ বাবেই হয়তো কার্বি সমাজত বংৰ ইমান আদৰ।

নিৰাময়ৰ যাদুকৰী আৰু তান্ত্রিক প্রক্রিয়াত ভাত ব্যৱহাৰ :- প্রতিখন কার্বি ঘৰতে কৰা আটাইতকৈ গুৰুত্বপূর্ণ অনুষ্ঠানটো আছিল চে-কাৰক্লি। কার্বিসকলৰ মাজত চাউলক সমৃদ্ধি আৰু উচ্চ মর্যাদাৰ প্রতীক হিচাপে বিবেচিত কৰা হয়। এই পদ্ধতিত কলৰ পাত আৰু বাঁহেৰে এক বেদী ব্যৱস্থা কৰাৰ পিছত কলৰ পাতত চাউল ৰখা হয়। চাউলখিনি পানীৰ বাটি এটাত তিয়াই কলপাতত থৈ দিয়া হয়। সাং-কেবো বুলি কোৱা মুঠ নটা চাউল, ডোভান বুলি কোৱা বেদীত ৰখা হয়। কিছুমান ছে কার্কলিত মাত্র তিনি চিমটি চাউলহে অলটাৰত ৰখা হয়, যিবোৰ হেম্ফু, ৰসিংজা আৰু মুক্রং নামৰ দেৱতাসকলৰ বাবে উৎসর্গা কৰা হয়। চাউলৰ চিমটিটো সেই দেৱতাসকলৰ বাবে প্রসাদৰ চিন, যাৰ বাবে এই অনুষ্ঠান অনুষ্ঠিত হৈছিল। ইয়াক কেথোক বুলি কোৱা হয়। তিয়াই থোৱা চাউলৰ কিছু অংশ গুড়ি কৰি গুড়ি কৰি লোৱা হয়। তিয়াই থোৱা চাউলৰ কিছু অংশ গুড়ি কৰি লোৱা হয়। চাউলৰ গুড়ি পানীৰ লগত মিহলাই দ্রৱটো দেৱতাক সন্মান জনোৱাৰ মাধ্যম হিচাপে ডোৱনত লেপি দিয়া হয়। আকৌ, মে-থেক নামৰ ঠাইত ডোৱনৰ তলত চাউলও ৰখা হয়, তাতো ভাত এচিকুট ৰাখি বাঁহক সন্মান জনোৱা হয় যিবোৰ ৰীতি-নীতিৰ সময়ত ব্যৱহাৰ কৰা হয়। বাঁহে কার্বিসকলক ৰক্ষা কৰাৰ প্রতিশ্রুতি দিছে আৰু প্রয়োজন হ'লে তেওঁলোকৰ

মংগল আৰু সুৰক্ষাৰ বাবে নিজৰ প্ৰাণ দিব বুলি বিশ্বাস কৰা হয়, এইদৰে বাঁহটোও যে তেওঁলোকৰ বলিদানৰ কথা পাহৰি যোৱা নাই সেই কথা সোঁৱৰাই দিবলৈ বাঁহটোক এচিকুট চাউল আগবঢ়াই দিয়া হয়।

কার্বিসকলৰ দৃঢ় বিশ্বাস যে, কেইবাটাও ক্ষেত্ৰত স্বাস্থ্যজনিত বিকাৰ আৰু ইয়াৰ লগত জড়িত দুর্ভাগ্যৰ সৃষ্টি হৈছিল কিছুমান দুষ্ট কাৰকৰ কু-প্ৰভাৱৰ বাবে। ৰোগীক সুস্থ কৰিবলৈ তেওঁলোকে 'সা-কেলাং' নামেৰে জনাজাত যাদুকৰী-ধৰ্মীয় নিৰাময় চলায়। যথাযথ জপৰ সৈতে কেইটামান চাউলৰ দানাও চৰাইৰ ডিঙিত ৰাখি এই অনুষ্ঠানৰ বাবে বলি দিয়া হয়। এই হত্যা কৰাটো অপ দেৱতাক সন্তুষ্ট কৰিবলৈ আৰু ৰোগীক কু-অভিপ্ৰায়ৰ পৰা আৰোগ্য কৰিবলৈ কৰা হয়; বলিদানক সন্মান কৰাৰ প্ৰথাও জৰিত ইয়াত। ইফালে চ'জুন নামেৰে জনাজাত তেওঁলোকৰ গাঁও বা ভূখণ্ডীয় পৰ্যায়ৰ বাৰ্ষিক অনুষ্ঠানৰ ক্ষেত্ৰত গাহৰিবোৰক কেইটামান চাউল খুৱাই দিয়া হয়। তাৰ সমান্তৰালভাৱে কিছু তন্ত্ৰ আৰু মন্ত্ৰৰ সৈতে, সমগ্ৰ গাঁওখনৰ সুৰক্ষা, নিৰাপত্তা আৰু সংশ্লিষ্ট সকলো বাসিন্দাৰ মংগলৰ বাবে প্ৰাৰ্থনা কৰে। সংশ্লিষ্ট যাদুকৰী-ধৰ্মীয় চিকিৎসকসকলে, প্ৰতীকীভাৱে তেওঁলোকৰ মন্ত্ৰৰ জৰিয়তে সকলো কু-প্ৰভাৱ ধানৰ ভিতৰত ধৰি ৰাখিবলৈ চেষ্টা কৰে, আৰু চৰাই বা গাহৰিক খুৱাই দিয়ে। তাৰ পিছত ইয়াক বলি দিয়া হয় মানে কুপ্ৰভাৱ স্থায়ীভাৱে দূৰ কৰা হয়। ফলত আক্ৰান্ত লোকসকল সম্পূৰ্ণৰূপে আৰোগ্য হয় বা গাঁও, ভূখণ্ড যিকোনো কু প্ৰভাৱৰ পৰা সুৰক্ষিত হৈ থাকিব পাৰে।

নিহু-কাছিৰি এক প্ৰকাৰৰ মানসিক বিকাৰ। কার্বিসকলৰ মাজত বিশ্বাস কৰা হয় যে যেতিয়াই শিশুৱে অস্বাভাৱিক ভাৱে কাম কৰে, তেতিয়াই তেওঁলোকক নিহু-কাছিৰি ৰোগত আক্ৰান্ত বুলি বিশ্বাস কৰা হয়। ই আগতে সন্তানৰ পিতৃ আৰু শিশুৰ মাতৃৰ ককাকৰ মাজত সংঘটিত হৈছিল। চিহুট-চিপুট নামেৰে জনাজাত তান্ত্ৰিক মন্ত্ৰবোৰ উচ্চাৰণ কৰি মাতৃৰ ক্ষেত্ৰত তুমান নামেৰে পবিত্ৰ পানীৰ সৈতে মাতৃৰ ককাকে মাইকী মানুহৰ ক্ষেত্ৰত পাঁচবাৰ আৰু পুৰুষৰ ক্ষেত্ৰত ছবাৰকৈ ভাতৰ লদা এটা ৰোগীক খুৱাই দিয়ে। খুৱাই দিয়াৰ পিছত পবিত্ৰ সূতা হোন-কেৱাইৰ সৈতে পিতলৰ আঙঠি এটা বান্ধি হাৰ হিচাপে শিশুজনক পিন্ধাই দিয়া হয়, আৰু মাতৃৰ দেউতাকে কিনা কাপোৰ শিশুক পিন্ধিবলৈ দিয়া হয়। ইয়াৰ পিছত ভোজ-ভাতৰ আয়োজন কৰা হয়। মাতৃৰ দেউতাকৰ হাতেৰে খোৱা চাউলৰ লদাবোৰে এনে বেমাৰৰ পৰা শিশুক আৰোগ্য কৰিব ৰাখিব পাৰে।

কার্বিসকলৰ মাজত চাউলৰ লগত জড়িত লোকগীত- মন কৰিবলগীয়া যে, ধান খেতিৰ সংস্পৰ্শলৈ অহাৰ আগতে কার্বিসকলে বনৰীয়া শাক-পাচলি আৰু ফল-মূলক প্ৰধান খাদ্য হিচাপে লৈ জীৱন নির্বাহ কৰিছিল। তেওঁলোকৰ ৰুকাসেন গীতত ইয়াৰ উল্লেখ থকাৰ প্ৰমাণী এটি গীত তলত উল্লেখ কৰা হৈছে -

পির্থেকাংডোকাকুলাং
কাঠি ভাংভাকুলাং,
লংলীয়াঙকর্পাচৰাণ
চাইনিং আঙ্কৰ জিহুৰহান,
লচিপাছোৰানজৰলং

কার্বি সমাজত প্ৰচলিত এই গীতটোৰ প্ৰকৃত অর্থ এনেধৰণৰ : এইটোৱেই আছিল সেই সময়ৰ কাহিনী

যেতিয়া পৃথিৱীখন মাত্ৰ সৃষ্টি হৈছিল আৰু ধানৰ অস্তিত্ব এতিয়াও আহিবলগীয়া আছিল। হয়তো এইটোৱেই হ'ব পাৰে যে আচলতে তেওঁলোকে দুৰ্ভিক্ষত অনাহাৰে আছিল। তদুপৰি মন কৰিব পাৰি যে দেৱী লক্ষ্মীয়ে ইন্দ্ৰ ভগৱানৰ পৰা অনুমতি লৈ কাৰ্বিসকলৰ দুৰ্ভাগ্য দূৰ কৰিবলৈ সূতাত উঠি পৃথিৱীলৈ নামি আহিছিল। দুৰ্ভাগ্যজনকভাৱে সূতাডাল বট গছত আবদ্ধ হৈ পৰিল, যাৰ বাবে তাই সেই গছজোপাতে থাকিব লগা হ'ল। ইয়াৰ ফলস্বৰূপে সেই গছৰ তলত আশ্ৰয় লোৱা সকলো জীৱই প্ৰচুৰ খাদ্য পাবলৈ ধৰিলে। এদিন ৰাতি টেৰন ৰংছপ'ই এই কাণ্ডৰ বিষয়ে সপোন দেখিছিল। আৰু তাৰ পাছতেই তেওঁ নিজৰ সৰু পুত্ৰক নিজৰ দাসসকলৰ লগত যাবলৈ আৰু দেৱী লক্ষ্মীক বসতি স্থান বিচাৰি উলিয়াবলৈ ক'লে। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁলোকৰ নাওঁখন লক্ষ্মী বসতি কৰি থকা গছজোপাৰ ওচৰ পাওঁ পাওঁ হওঁতেই ডুব গ'ল আৰু সৌভাগ্যবশতঃ কোনোমতে ৰনছিং নামৰ এজন অনাথ ল'ৰা ৰক্ষা পৰিল আৰু বাকী আটাইবোৰ যাত্ৰী ডুব গ'ল। যাৰ ফলত একমাত্ৰ ৰনছিং নামৰ লৰাজনেই লক্ষ্মীৰ বাসস্থানৰ পৰা পৰ্যাপ্ত পৰিমাণৰ ধানৰ গুটি সংগ্ৰহ কৰি লগত লৈ অনৰ পৰিকল্পনা কৰিছিল। কিন্তু উভতি অহাৰ যাত্ৰাত ৰনছিঙে, লক্ষ্মীয়ে বসতি লোৱা সেই বিশেষ গছজোপাৰ পৰা নিজৰ লগত লৈ অহা সকলো ধানৰ গুটি হেৰুৱাই পেলালে, যিবোৰ মাছে খাই পেলালে বুলি ঠাৱৰ কৰিব পাৰি।

নদীৰ পাৰত বাস কৰা এটা নিগনিয়ে সেই আটাইবোৰ ধানৰ গুটি খাই পেলোৱা মাছ বিচাৰি পাই তাৰ পৰা বীজবোৰ উদ্ধাৰ কৰি মাটিত ৰোপণ কৰিলে। ফলত সেই অঞ্চলটো ঠিক ধাননি পথাৰৰ দৰে হৈ পৰিল। এদিন টেৰন ৰংছ'পোৱে নিজৰ সৰু ছোৱালীজনীৰ সৈতে বন্ধুক লগ কৰিবলৈ গ'ল; সেই বিশেষ নিগনিটো আৰু ৰহস্যময় শস্যপথাৰ খনৰ বিষয়ে বিতংভাবে জানিবলৈ। টেৰন ৰংছ'পোৰ কনিষ্ঠ কন্যাই, পৰম ভক্তিৰে পিঠিত দেৱী লক্ষ্মীক লৈ কুলেং নদীৰ পাৰৰ পৰা উপযুক্ত ৰীতি-নীতি আৰু ধৰ্মীয় পৰম্পৰা পালন কৰি ঘৰত প্ৰৱেশ কৰিলে। এইদৰেই লক্ষ্মী দেৱী, ধানৰ ৰূপত কাৰ্বি জনগোষ্ঠীৰ জীৱনত প্ৰৱেশ কৰে আৰু তেওঁৰ পূজা তেওঁলোকৰ দ্বাৰা অতি উলহ মালহ আৰু ধৰ্মীয় ৰীতি নীতিৰ মাজেৰে আৰম্ভ হয়।

কাৰ্বিসকলে নিজৰ ৰীতি আৰু পৰম্পৰা অনুসৰি ভালমানদণ্ডৰ উৎকৃষ্ট শস্য উৎপাদনৰ বাবে বিভিন্ন দেৱ-দেৱতাক পূজা কৰি সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল, আৰু এই প্ৰথা আৰম্ভ হৈছিল শস্যৰ খেতি আৰম্ভ কৰাৰ আগতে। এনে পূজাৰ সামূহিক ভিত্তি 'ব'ট'ৰ কেকুৰ' নামেৰে জনাজাত। ইয়াৰ কিছুমান উল্লেখযোগ্য দিশ আছে যেনে- ধানৰ গছবোৰ কাটি কঢ়িয়াই নিবলৈ নদী, নৈ বা সুঁতিৰ ওচৰত প্ৰাৰ্থনা কৰা, মাটিৰ উৰ্বৰতা আগতকৈ বৃদ্ধিৰ বাবে পূজা কৰা, ঝুম পথাৰৰ পৰা দুষ্ট আত্মাক বহিষ্কাৰ কৰা আৰু ধান খেতিৰ বাবে অনুকূল ভাল বতৰৰ বাবে বতৰ দেৱতা 'হাই-আইক' অৰ্পণ কৰা। এই ৰীতি-নীতি সমাপ্ত কৰাৰ পাছত ধানৰ মুঠিবোৰ এবিধ গছৰ পাতত পেক কৰি ধানৰ মুঠিবোৰ কঢ়িয়াই নিয়াৰ বাবে খৰাহীৰ দৰে পাত্ৰ(হাকচিলি)ত ভৰাই থয়। এই প্ৰথাৰ ৰীতি নীতিবোৰ সাধাৰণতে ইংতিকাথাৰ বংশৰ কোনো ব্যক্তিয়ে সম্পাদন কৰা পৰিলক্ষিত হয়। ৰীতি-নীতিৰ সময়ত তলৰ গীতটো তিনিবাৰকৈ গোৱা হয় আৰু প্ৰতিটো গীতৰ পিছত এমুঠি ধান গছ পানীত পেলোৱা হয়। গীতটো এনেধৰণৰ -



কাথি আপেক ও'
জেংগাৰনোইনাং লো
চিকুংনুনে চু
কাথি আপেক ও'
ৰাই পাপন ফো
ৰাই হাকিৰেচো
আংদুমেডুংসো
ডুংমেচাম্পি ফো
ৰা চাৰ্ণম ঠন আই নন।

গীতটোৰ প্ৰকৃত অৰ্থ হ'ল- খেতিৰ ধানৰ মুঠিবোৰক নদী লৈ আগবঢ়াই দিয়া হৈছিল। মিছামাছ আৰু দাৰিকানা মাছে যাতে এই খবৰটো সাগৰৰ ৰজাৰ ওচৰলৈ লৈ যায়।

সাগৰৰ ৰজা হাকিৰ ৰেচোক কাৰ্বিসকলে হিন্দু দেৱতা ভগৱান বিষ্ণুৰ প্ৰায় সমতুল্য বুলি গণ্য কৰিছিল। প্ৰতি বছৰে খেতিৰ ধানৰ মুঠিৰ এমুঠি গুটি আগবঢ়োৱাটো আছিল শস্যৰ তত্ত্বাৱধায়ক দেৱ-দেৱীৰ পূজাৰ এক প্ৰকাৰ। কাৰ্বিসকলে বিষ্ণু আৰু লক্ষ্মীৰ চিৰন্তন ৰূপক পুৰুষ (পুং) আৰু প্ৰকৃতি (স্ত্ৰী) হিচাপে প্ৰক্ষেপ কৰিছে।

গাহৰি আৰু কাৰ্বি সম্প্ৰদায় :- পৃথিৱীৰ প্ৰায়ভাগ মানুহৰে প্ৰিয় খাদ্য হৈছে মাংস। ভিন্ন মানুহৰ ভিন্ন ৰন্ধনশৈলী। নিজস্ব পছন্দ অনুসৰি ৰন্ধন শৈলীও বেলেগ বেলেগ। অসমৰ আটাইতকৈ ডাঙৰ জিলা হৈছে কাৰ্বি আংলং। কাৰ্বি আংলঙত বাস কৰা কাৰ্বিসকলৰ প্ৰিয় খাদ্য বা আঞ্জা হৈছে গাহৰি মাংস।

বাঁহগাজৰ আৰু তিলৰ সৈতে গাহৰি মাংসৰ ৰন্ধন শৈলী আৰু উপকৰণৰ পৰিমাণ :- ১ কিলোগ্ৰাম গাহৰি মাংসৰ বাবে ২০-৩০ ফোট নহৰু, দুটা ডাঙৰ পিঁয়াজ, মধ্যমীয়া আকাৰৰ আদাৰ টুকুৰা, চাৰিটা জিৰ্লাং(কাৰ্বি নহৰু), চাৰিটামান কেঁচা সতেজ সেউজীয়া জলকীয়া, এচামুচ হালধি, সোৱাদ অনুসৰি নিমখ, লপং (কাৰ্বি মচলা), তিল আৰু বাঁহৰ গাজ (হেন-অ'প্) আদি। প্ৰথমে ১ কিলোগ্ৰাম মাংস ভালকৈ চাফা পানীৰে ধুই লোৱা হয়। ইয়াৰ পাছত মাংসখিনি দুই গ্লাচ পানী দি ১০ মিনিটৰ বাবে সিজোৱা হয়। ১০ মিনিটৰ পাছত হালধি, নিমখ, লগতে আদা, নহৰু. জলকীয়া দি দিয়াৰ পাছত এবাতি বাঁহৰ গাজ দিব লাগে। ভালকৈ লৰাই ৬ মিনিটৰ বাবে ঢাকি থ'ব । শেষত তিল আৰু লপং দি ৩-৪ মিনিট সিজাব। ইয়েই হল বাঁহগাজৰ আৰু তিলৰ সৈতে ৰন্ধা গাহৰি মাংসৰ এক সুস্বাদু ব্যঞ্জন। কেতিয়াবা এইবিধ ব্যঞ্জন একমাত্ৰ বাঁহৰ গাজ বা কেতিয়াবা একমাত্ৰ তিলৰ গুৰিৰেও তৈয়াৰ কৰা হয়। গাহৰিৰ মাংসক কাৰ্বি সমাজত ফাঁক-অ'ক বুলি জনা যায়।

গাহৰি আৰু কাৰ্বি সম্প্ৰদায় পৃথিৱীৰ প্ৰায়ভাগ মানুহৰে প্ৰিয় খাদ্য হৈছে মাংস। ভিন্ন মানুহৰ ভিন্ন

ৰন্ধনশৈলী। নিজস্ব পছন্দ অনুসৰি ৰন্ধন শৈলীও বেলেগ বেলেগ। অসমৰ আটাইতকৈ ডাঙৰ জিলা হৈছে কাৰ্বি আংলং। কাৰ্বি আংলঙত বাস কৰা কাৰ্বিসকলৰ প্ৰিয় খাদ্য বা আঞ্জা হৈছে গাহৰি মাংস।

বাঁহগাজৰ আৰু তিলৰ সৈতে গাহৰি মাংসৰ ৰন্ধন শৈলী আৰু উপকৰণৰ পৰিমাণ :- ১ কিলোগ্ৰাম গাহৰি মাংসৰ বাবে ২০-৩০ ফোট নহৰু, দুটা ডাঙৰ পিঁয়াজ, মধ্যমীয়া আকাৰৰ আদাৰ টুকুৰা, চাৰিটা জিৰ্লাং(কাৰ্বি নহৰু), চাৰিটামান কেঁচা সতেজ সেউজীয়া জলকীয়া, এচামুচ হালধি, সোৱাদ অনুসৰি নিমখ, লপং (কাৰ্বি মচলা), তিল আৰু বাঁহৰ গাজ (হেন-অ'প্) আদি। প্ৰথমে ১ কিলোগ্ৰাম মাংস ভালকৈ চাফা পানীৰে ধুই লোৱা হয়। ইয়াৰ পাছত মাংসখিনি দুই গ্লাচ পানী দি ১০ মিনিটৰ বাবে সিজোৱা হয়। ১০ মিনিটৰ পাছত হালধি, নিমখ, লগতে আদা, নহৰু. জলকীয়া দি দিয়াৰ পাছত এবাতি বাঁহৰ গাজ দিব লাগে। ভালকৈ লৰাই ৬ মিনিটৰ বাবে ঢাকি থ'ব । শেষত তিল আৰু লপং দি ৩-৪ মিনিট সিজাব। ইয়েই হল বাঁহগাজৰ আৰু তিলৰ সৈতে ৰন্ধা গাহৰি মাংসৰ এক সুস্বাদু ব্যঞ্জন। কেতিয়াবা এইবিধ ব্যঞ্জন একমাত্ৰ বাঁহৰ গাজ বা কেতিয়াবা একমাত্ৰ তিলৰ গুৰিৰেও তৈয়াৰ কৰা হয়। গাহৰিৰ মাংসক কাৰ্বি সমাজত ফাঁক-অ'ক বুলি জনা যায়।

কচুৰ সৈতে গাহৰিৰ আঞ্জা :- এইবিধ সুস্বাদু আঞ্জা প্ৰস্তুত কৰিবৰ বাবে প্ৰথমতে কচুখিনি পানীত সিজাই থকা হয়, তাৰ খজুৰতি খিনি পানীত গুচি যোৱাৰ পাছত হান তক্ৰিৰ সহায়ত উপযুক্ত পৰিমাণত সিজা কচু খিনি ভালকৈ পিটিকি এটা পেষ্ট্ তৈয়াৰ কৰা হয়। অন্য এটা ৰন্ধন পাত্ৰত গাহৰিৰ মাংস খিনি ভাজি লৈ দুই বা তিনি মিনিটৰ পাছত তাত ইতিমধ্যে শিলৰ পটাত বটি তৈয়াৰ কৰি থোৱা তিলৰ গুৰি অলপ মিহলি কৰাই দিয়া হয়। যেতিয়া এইখিনি প্ৰায় আধা মান সিজি উঠিব, তেতিয়াই বাঁহৰ গাজৰ সৈতে পিতিকি থোৱা কচু খিনি প্ৰয়োজন অনুসৰি পানীৰ সৈতে ইয়াত দি দিব লাগে। ইয়াৰ পাছত বটি থোৱা আদা নহৰু অলপ দি সিজিবলৈ এৰি দিব লাগে। প্ৰায় আধা বা এক ঘণ্টা মানৰ ভিতৰত এইখিনি পৰিৱেশনৰ বাবে তৈয়াৰ হৈ উঠে।

পাৰহান্থৰৰ সৈতে গাহৰি :- পাৰহান্থৰ হ'ল অসমত পোৱা কাৰ্বি জনজাতিৰ এবিধ বিশ্বাসযোগ্য বাৰ্ষিক বনৌষধি, প্ৰধানকৈ বাৰিষাৰ পিছত ইয়াক দেখা যায়। সাধাৰণতে ই বহল, ত্ৰিভুজ বা কণী আকৃতিৰ পাত থকা মোটা গছ। গা গছ জোপা সৰু সৰু নোমেৰে ঢকা আৰু ইয়াত ক'লা ৰেখা থকা দেখা যায়। এইবিধ ব্যঞ্জন তৈয়াৰ কৰিবৰ বাবে প্ৰথমে বটি লোৱা আদা নহৰুৰ সৈতে পানী অলপ উতলাই লোৱা হয়। ভালকৈ উতলাৰ পাছত ইয়াত মাংস খিনি দি দিয়া হয় আৰু জোখমতে নিমখ দি উতলাই থকা হয়। মাংস খিনি প্ৰায় আধা সিজাৰ পাছত ইয়াত কাটি থোৱা এই বনৌষধীৰ পাত যোগ কৰা হয়। যেতিয়া গোটেইখিনি সম্পূৰ্ণকৈ সিজি উঠে, খাবৰ বাবে এইবিধ ব্যঞ্জন উপযোগী হৈ পৰে।

কেঁচা হালধিৰে তৈয়াৰী গাহৰি মাংসৰ আঞ্জা :- এইবিধ সাধাৰণতে সিদ্ধ পদ্ধতিৰে প্ৰস্তুত কৰা ব্যঞ্জন। পানী গৰম কৰাৰ পাছত তাত কৰা পিয়াঁজ দি দিয়া হয়। আৰু নামমান হালধি দি দিয়া হয় যাতে মাংসৰ পৰা গোন্ধ গুচি যায়। ইয়াৰ পাছত তাত মাংস খিনি যোগ কৰা হয়। এনেদৰে উতলা পানীত মাংস দিলে

তাৰ কেঁচা গোন্ধ টো উঠি নাহে, ঠাণ্ডা পানী দিলে কেঁচা গোন্ধ এটা ৰৈ যায়। তাৰ পাছত ইয়াত কেঁচা হালধি আৰু ইয়াৰ অলপ সময়ৰ পাছতেই আদা নহৰু খুন্দি যোগ কৰা হয়। ইয়াৰ লগে লগে জলকীয়া ফালি ফালিও দিয়া হয় কোনো কোনো ক্ষেত্রত। কিছু সময় ভালকৈ সিজাৰ পাছত পৰিবেশনৰ বাবে উপযোগী হৈ উঠে।

চুঙাত দিয়া গাহৰি :- কৰ্বি সমাজৰ এইবিধ খাদ্য ইমানেই জনপ্রিয় যে আন বহু জনজাতিয়ে ইয়াক প্রস্তুত কৰা দেখা যায়। এইবিধ ব্যঞ্জন তৈয়াৰ কৰোঁতে প্রথমতে এটি পাত্রত গাহৰিৰ মাংস খিনিত কেঁচা হালধি, পিয়াঁজ, নহৰু, জলকীয়া আদি সানি লৈ এটি বহল মুখৰ কেঁচা বাঁহৰ পৈণত চুঙাত ভৰাই লোৱা হয়। মুখ খন কলপাতেৰে সোপা দি চুঙাকেইটা প্রখৰ জুইত এনেভাৱে তপটোৱা হয় যাতে চুঙাটো পুৰি নাযায় কিন্তু তাৰ ভিতৰৰ মাংস খিনি সম্পুৰ্ণকৈ সিজি উঠে। এইবিধ ব্যঞ্জনতৈয়াৰ কৰোঁতে মাংস খিনি চুঙাত ভৰুৱা সময়ত অন্য মছলা আৰু পানী ব্যবহাৰ কৰা নহয়। ঠিক প্রায় আধা ঘণ্টা মানৰ পাছত মাংস খিনি সিজিলে চুঙাৰ পৰা উলিয়াই তাত কেঁচা তিলৰ গুৰি ছটিয়াই বা সানি দিয়া হয়। এইদৰে তৈয়াৰী গাহৰি মাংসৰ সুৱাদেই সুকীয়া।

কেঁচা পিঠাগুৰিৰে গাহৰি মাংস :- এইবিধ ব্যঞ্জন তৈয়াৰ কৰিবৰ বাবে কার্বি সম্প্রদায়ৰ লোকসকলে প্রথমতে গাহৰি মাংসখিনি আদা নহৰু বটি লৈ সানি ভালদৰে তেলত দেৰিলৈকে ভাজি লয়। মাংসখিনি তেলত সম্পুর্ণৰূপে ভাজ খোৱাৰ পাছতহে কেঁচা পিয়াঁজ কাটি দি দিয়া হয়। খাবৰ সময়ত কেঁচা তিলৰ গুটি পতাত বটি দিয়া হয়, যি ব্যঞ্জনবিধ অধিক সুস্বাদু কৰি তোলে।

পৃথিৱীৰ সকলো জনজাতিয়েই হয়তো শুকান মঙহ খায় ভাল পায় ! কেঁচা মাছ-মাংস ৰন্ধন কৰি খোৱাতকৈ শুকান মাছ, শুকান মাংসৰ সোৱাদেই অতুলনীয়। কার্বি আংলং জিলাৰ কার্বিসকলৰ এবিধ প্রিয় খাদ্য হৈছে শুকান মাংস। কার্বি অথবা অন্যান্য জনজাতি সকলে কিছুমান খাদ্য শুকুৱাই খায় । জনজাতি সকলে গাহৰি, হৰিণা, বিভিন্ন চৰাই, মাছ আদি শুকুৱাই ৰাখে । ইয়াৰ উপৰিও হানছেৰং (মৰা টেঙা), বাঁহগাজ, তিলৰ পাত আদি শুকুৱাই ৰাখে। শুকুৱাই ৰখা খাদ্যবোৰ বহু দিনলৈ বেয়া নহয় । আদিম যুগত কার্বি সমাজত চিকাৰ কৰা প্রথা আছিল। পূর্বপুৰুষে চিকাৰ কৰি অনা নল গাহৰি, হৰিণাৰ মঙহ, মাছবোৰ শুকুৱাই সাঁচি ৰাখিছিল। বর্তমান চিকাৰ নকৰিলেও কার্বি লোক সকলে বজাৰৰ পৰা মাংস কিনি আনি হ'লেও শুকুৱাই থয়। শুকুৱা মাছ-মঙহবোৰ ভিন্ন আঞ্জাত দি শুকান মঙহৰ তৃপ্তি লয় ।

গাহৰি মঙহ শুকুওৱা প্রণালী :- শুকুৱাবলৈ লোৱা মাংসখিনি প্রথমে ১ ইঞ্চিৰ ছাইজত টুকুৰা কৰিব লাগে । ভালকৈ চাফা পানীৰে মাংসবোৰ দুই-তিনিবাৰ ধুব লাগে। চালনি বা ডলাত মাংসখিনি পাতলকৈ সজায় ৰ'দত দি শুকাব লাগে । ভাল ৰ'দ পালে এদিন বা দুদিনতে শুকাই যায়। ৰ'দ নাপালে ধোঁৱা দিও মঙহখিনি শুকাব পাৰি । চালনি বা ডলাত মঙহবোৰ পাতলকৈ থ'ব লাগে। মাংসৰ চালনি বা ডলাখন জুইৰ পৰা প্রায় ৩ মিটাৰ উচ্চতাত ৰাখি তিনি চাৰি ঘন্টা ধোঁৱা দিব লাগে। ৰ'দত দি শুকুওৱা মঙহতকৈ ধোঁৱাত শুকুওৱা গাহৰি মাংসৰ সোৱাদ বেছি। ইয়াৰ উপৰিও আঙঠাত দিও শুকুৱাব পাৰি। কার্বিসকলৰ

বাবে শুকান মঙহৰ লগত হিপিৱৰত (পাহাৰৰ বেঙেনা) খাৰৰ আঞ্জা খুবেই প্ৰিয়। সকলো জনজাতীয় লোকৰ খাদ্যশৈলী প্ৰায় একে । তিৱা, মিচিং, বড়ো আদি জনজাতি সকলেও বহু খাদ্য শুকুৱাই খায়।

কুকুৰাৰ কাৰ্বি ব্যঞ্জন :- সম্পূৰ্ণ পৰম্পৰাগভাৱে কাৰ্বি সম্প্ৰদায়ৰ লোকসকলে কুকুৰাৰ মাংসৰ জুতি লগা তথা অত্যধিক সোৱাদযুক্ত ব্যঞ্জন প্ৰস্তুত কৰে। হোটেল, ৰেস্তোৰাঁ বা ৰাস্তাৰ কাষৰ কিনিবলৈ পোৱা জুতি লগা কুকুৰাৰ মাংসৰ ব্যঞ্জনতকৈ এইবোৰ ব্যঞ্জনৰ প্ৰস্তুত শৈলী তেনেই চমু আৰু সুকীয়া।

আদা আৰু কেঁচা হালধিৰে কুকুৰাৰ মাংস :- এইবিধ জনপ্ৰিয় ব্যঞ্জন তৈয়াৰ কৰিবলৈ হলে প্ৰথমে এটা পাত্ৰত পানী উতলাব লাগে। উতলি থকা পানীত ইতিমধ্যে কাটি থোৱা পিয়াঁজ দি দিয়া হয়। পিয়াঁজ খিনিৰ পৰা এটা নিৰ্দিষ্ট গোন্ধ ওলোৱাৰ পাছতেই মাংস খিনি এই উতলাই থকা পানীত সিজোৱা হয়। তাৰ পাছত মাংসত জোখমতে কেঁচা হালধি বটা দি দিয়া হয়। ইয়াৰ পিছত মাংস খিনি প্ৰায় আধা সিজা হওঁতে আদা নহৰু জলকীয়া দিয়া হয়। এনেই দিয়াৰ পাছত যেতিয়া মাংস খিনি সম্পূৰ্ণকৈ সিজিব, তেতিয়া তিল দি হেতাৰে লৰাই দিয়া হয়। অৱশ্যে কিছুমানে এইবিধ তেল দিও ৰন্ধিব পাৰি, বহুতে তেল নিদিয়াকৈয়ো ৰান্ধে। এইবিধ ব্যঞ্জনত মা মছলা আৰু তেলৰ প্ৰয়োগ বহুতেই কম। ঘৰৰ পাকঘৰৰ বাদে এইবিধ ব্যঞ্জনৰ সোৱাদ বেলেগকৈ ক'তো কিনিবলৈ পোৱা নাযায়।

চুঙাৰ কুকুৰা :- চুঙাত ভৰাই তৈয়াৰ কৰা গাহৰিৰ মাংস প্ৰস্তুত প্ৰক্ৰিয়াৰ দৰে এইবিধৰ প্ৰস্তুত প্ৰক্ৰিয়াও একেই। এইবিধ ব্যঞ্জন তৈয়াৰ কৰোঁতে প্ৰথমতে এটি পাত্ৰত কুকুৰাৰ মাংস খিনিত কেঁচা হালধি, পিয়াঁজ, নহৰু, জলকীয়া আদি সানি লৈ এটি বহল মুখৰ কেঁচা বাঁহৰ পৈণত চুঙাত ভৰাই লোৱা হয়। মুখ খন কলপাতেৰে সোপা দি চুঙাকেইটা প্ৰখৰ জুইত এনেভাৱে তপটোৱা হয় যাতে চুঙাটো পুৰি নাযায় কিন্তু তাৰ ভিতৰৰ মাংস খিনি সম্পুৰ্ণকৈ সিজি উঠে। এইবিধ ব্যঞ্জনতৈয়াৰ কৰোঁতে মাংস খিনি চুঙাত ভৰুৱা সময়ত অন্য মছলা আৰু পানী ব্যবহাৰ কৰা নহয়। ঠিক প্ৰায় আধা ঘণ্টা মানৰ পাছত মাংস খিনি সিজিলে চুঙাৰ পৰা উলিয়াই তাত কেঁচা তিলৰ গুৰি ছটিয়াই বা সানি দিয়া হয়। এইদৰে তৈয়াৰী কুকুৰাৰ মাংসৰ সুৱাদেই সুকীয়া তথা পেটৰ কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নকৰে।

কাৰ্বি জনগোষ্ঠীৰ কুকুৰা মাংসৰ বিশেষ ব্যঞ্জন হৈছে 'ভো-অক-পেন-হিম' (Vo Ok Pen Him) বা চাউলৰ গুড়িৰে ৰন্ধা কুকুৰা মাংস। এই ব্যঞ্জনটো সাধাৰণতে বেছি তেল-মছলা নোহোৱাকৈ তৈয়াৰ কৰা হয়। ইয়াত চাউলৰ গুড়ি ব্যৱহাৰ কৰাৰ ফলত এটা ঘন তথা গাঢ় আঞ্জা সৃষ্টি হয়। ই এক সহজ অথচ সোৱাদযুক্ত কাৰ্বি ৰন্ধন পদ্ধতিৰ ব্যঞ্জন।

ভো-অক-পেন-হিম (চাউলৰ গুড়িৰে কুকুৰাৰ আঞ্জা) :- উপকৰণ হিচাপে এইবিধ ব্যঞ্জন তৈয়াৰৰ বাবে প্ৰায় আধা সেৰ পৰিমাণৰ কুকুৰাৰ মাংসৰ বাবে চাউলৰ গুড়ি ২-৩ চামুচ, মিহিকৈ কুটা পিয়াজ ১ টা, তেজপাত ১-২ খন, আদা-নহৰুৰ পেষ্ট ১ চামুচ, জলকীয়া ২-৩ টা (স্বাদ অনুসৰি), হালধি আধা চামুচ, নিমখ সোৱাদ অনুসৰি, সৰিয়হৰ তেল ১ চামুচ (ঐচ্ছিক), আৱশ্যক অনুসৰি পানীৰ প্ৰয়োজন।

ভো-অক-পেন-হিম প্ৰস্তুত কৰিবৰ বাবে প্ৰথমে কুকুৰা মাংসখিনি ভালদৰে ধুই নিমখ আৰু হালধি সানি কিছু সময় ৰখা হয়। তাৰ পাছত এটা বাটিত চাউলৰ গুড়ি অলপ পানী দি মিহিকৈ গুলি লোৱা হয়, যাতে কোনো ধৰণৰ লডা নাথাকে। এতিয়া এটা কেৰাহীত সামান্য সৰিয়হৰ তেল গৰম কৰা হয়। যদি তেল ব্যৱহাৰ কৰিব নিবিচাৰে, পোনপটীয়াকৈ পানীৰে ৰান্ধিব পাৰে, কিয়নো কাৰ্বি খাদ্য সামগ্ৰীৰ ৰন্ধনশৈলীত প্ৰায়ে কম তেল ব্যৱহাৰ কৰা হয়। তেলত তেজপাত আৰু কুটা পিয়াজ দি পাতলকৈ ভজাৰ পাছত আদা-নহৰুৰ পেষ্ট আৰু জলকীয়া দি কিছু সময় ভাজিব লাগে। মচলাৰ কেঁচা গোন্ধটো আঁতৰিলে মাংসখিনি দি ভালদৰে লৰাই থাকি মাংসখিনি অলপ সময় ভজাৰ পিছত আৱশ্যক অনুসাৰে পানী দিয়া হয়। আঞ্জা খিনিত এটা ভালকৈ উতল আহিলে গুলি থোৱা চাউলৰ গুড়িৰ মিশ্ৰণটো লাহে লাহে দি লৰাই থাকিব লগে যাতে মিশ্ৰণ খিনি তৰকাৰী খিনিত ভালকৈ মিহলি হৈ পৰে আৰু এনেদৰে লৰাই থাকিলে আঞ্জাখন ডাঠ হৈ আহে। এইখিনিতে সোৱাদৰ জোখাৰে নিমখ যোগ কৰা হয়। এতিয়া মাংসখিনি সিজি কোমল নোহোৱালৈকে মধ্যমীয়া জুইত ৰান্ধিব লাগে। সিজি উঠিলেই গৰম ভাতৰ সৈতে এই বিশেষ কাৰ্বি ব্যঞ্জনটো পৰিৱেশন কৰিব পাৰি।

মাছৰ কণী আৰু কাৰ্বি সমাজ :- কাৰ্বি জনগোষ্ঠীৰ মাজত মাছ খোৱাৰ উপৰিও মাছৰ কণী খোৱাৰ প্ৰবনতাও নথকা নহয়। তেঁওলোকৰ সম্প্ৰদায়ৰ লোকৰ মাজত মাছৰ কণী ৰন্ধাৰ এক বিশেষ পদ্ধতি হৈছে বাঁহৰ চুঙাত বা কলপাতত মেৰিয়াই ভাপত দি কৰা ৰন্ধন প্ৰণালী। এই পদ্ধতিৰে মাছৰ কণী ৰান্ধিলে ইয়াৰ প্ৰাকৃতিক সোৱাদ আৰু সুগন্ধ অক্ষুণ্ণ থাকে। তলত এনেকুৱা দুটা সহজ পদ্ধতি উপকৰণৰ পৰিমাণ সহ বৰ্ণনা কৰা হ'ল-

পাতত দিয়া মাছৰ কণী :- উপকৰণ হিচাপে এইবিধ ব্যঞ্জন তৈয়াৰ কৰিবৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰীবোৰ হল যথাক্ৰমে- মাছৰ কণী (প্ৰায় ২৫০ গ্ৰাম), পিঁয়াজ সৰু সৰুকৈ কাটি লোৱা (১ টা ডাঙৰ), আদা-নহৰুৰ বটা (১ চামুচ), মান ধনীয়া পাত (এমুঠি, ইয়াক বন ধনীয়া বা মেমেধু বুলিও কোৱা হয়।), জলকীয়া ফালি লোৱা (২-৩ টা, সোৱাদ অনুসৰি), বিলাহী (১ টা, সৰু), নিমখ (সোৱাদ অনুসৰি), হালধি গুড়ি (আধা চামুচ), সৰিয়হৰ তেল (১ চামুচ), কলপাত (যথেষ্ট পৰিমাণৰ, তথা প্ৰয়োজন অনুসাৰে)।

প্ৰস্তুত প্ৰণালী :- প্ৰথমে মাছৰ কণী ভালকৈ ধুই পানী নোহোৱাকৈ টুকি লোৱা হয়। ইয়াৰ পাছতেই আহে মিশ্ৰণ প্ৰস্তুত কৰা, এইক্ষেত্ৰত মাছৰ কণীখিনি এটা বাচনত লৈ তাত সৰু সৰুকৈ কাটি লোৱা পিঁয়াজ, আদা-নহৰুৰ বটা, মান ধনীয়া, ফালি লোৱা জলকীয়া কেইটা, বিলাহী খিনি, নিমখ, হালধি আৰু সৰিয়হৰ তেল দি ভালকৈ মিহলাই লব লাগে। মিশ্ৰণ খিনি এতিয়া কলপাতত মেৰিয়াব পৰা হৈ উঠে। এতিয়া কলপাতকেইখিলা কোমল কৰিবলৈ অলপ জুইত সেকি লওক, এনেদৰে লেৰেলী থকা কলপাতত মেৰিয়াবলৈ সুবিধা। ইয়াৰ বাবে অৱশ্যে কলপাত কেইখন আগদিনাই আনি থলে আৰু সুবিধা হয়। তাৰ পিছত এই কলপাতৰ মাজত মাছৰ কণীৰ মিশ্ৰণটো দি ভালকৈ মেৰিয়াই লোৱা হয়, যাতে ভাপত দিওঁতে ভিতৰৰ পৰা একো ওলাই নাযায়। ইয়াৰ পাছত এটা ডাঙৰ পাত্ৰত পানী গৰম হ'বলৈ দি কলপাতত

মেৰিওৱা মাছৰ কণীখিনি তাৰ ওপৰত দি ঢাকনিৰে ঢাকি দিয়া হয়। এইদৰে ১৫-২০ মিনিট সময় ভাপত সিজিবলৈ দিয়া হয়। সিজাৰ পিছত জুইৰ পৰা নমাই কলপাতৰ পৰা উলিয়াই গৰমে গৰমে ভাতৰ সৈতে এইবিধ ব্যঞ্জন পৰিৱেশন কৰিব পাৰি। এই ব্যঞ্জনৰ বাবে সতেজ মাছৰ কণী ব্যৱহাৰ কৰিলে সোৱাদ বেছি ভাল হয়; মৰা মাছ, দৰহি যোৱা মাছৰ কণী ব্যবহাৰ কৰিলে ৰন্ধাৰ পাছত এটা অপ্ৰিতিকৰ গোন্ধ ওলাই।

মাছৰ কণীৰ পিটিকা :- এইটো অতি সহজ আৰু সোৱাদযুক্ত ৰেচিপি। উপকৰণৰ ভিতৰত প্ৰয়োজন হোৱা সামগ্ৰীবোৰ হ'ল- মাছৰ কণী, পিয়াজ সৰু সৰু কৈ কুটা, কেঁচা জলকীয়া, ধনিয়া পাত, নিমখ, সৰিয়হ তেল, কেঁচা নহৰু (ঐচ্ছিক)। এইবিধ ব্যঞ্জনত হালধি সাধাৰণতে ব্যবহাৰ কৰা নহয়।

প্ৰস্তুত প্ৰণালী :- প্ৰথমে মাছৰ কণীখিনি ভালকৈ ধুই নিমখ আৰু হালধি সানি অলপ সময় ৰখা হয়। এতিয়া কণীখিনি সিজোৱা পাছত হাতৰে ভাঙি মিহি কৰি লব লাগে। এইখিনিতে ইয়াৰ লগত কুটা পিয়াজ, কেঁচা জলকীয়া, ধনিয়া পাত, নিমখ আৰু সৰিয়হ তেল মিহলাই লোৱা উচিত। তাৰ পাছত গোটেইখিনি ভালকৈ সানি গৰম ভাতৰ লগত পৰিৱেশন কৰিব পাৰি।

কাৰ্বি সমাজত বাৰুকৈয়ে প্ৰচলিত এক লোকবিশ্বাস তথা জনশ্ৰুতি মতে ভাদ মাহৰ প্ৰথম দিনটোত অথবা ভাদ মাহত ওলকচুৰে তৈয়াৰী জ্বলা তৰকাৰী খালে শৰীৰৰ বিভিন্ন ধৰণৰ সমস্যা যেনে বাত বিষ, চৰ্দী, জ্বৰ আদি ৰোগৰ পৰা ৰক্ষা পোৱা যায়। তেওঁলোকৰ সমাজত ইয়াৰ সত্যতাৰ প্ৰমানো অলেখ আছে। ওলকচুৰ জ্বলা তৰকাৰী ৰন্ধাৰ শৈলী ঠাইভেদে বেলেগ বেলেগ। ওলকচুৰ লগত কুকুৰাৰ মাংস, হাঁহৰ মাংস আৰু পাৰ মাংস আদিৰ জ্বলা তৰকাৰী ৰন্ধা হয়। প্ৰথমে প্ৰায় তিনি পোৱা মান ওলকচুৰ বাকলি ডাঠকৈ কাটি লব লাগে। কটাৰ পাছত গৰম পানীৰে দুই তিনিবাৰ ধুই ল'ব লাগে যাতে তাত কোনো ধৰণৰ লেতেৰা লাগি নাথাকে। ইয়াৰ পাছতেই আহে এইখিনি পানীত সিজাই লোৱাৰ কাম। ইয়াৰ পাছত অন্য এটা কেৰাহীৰ গৰম তেলত মধ্যমীয়া জোখৰ দুটা পিয়াজ কাটি দি কিছুসময় ভাজি খুন্দি লোৱা মচলাবোৰ দিব লাগে। মচলাৰ ভিতৰত শুকান জলকীয়া, সতেজ কেঁচা জলকীয়া, ১৫/২০ ফোটা নহৰু, ৪/৫ টা লং, ২/৩ খিলা তেজপাত, ১ ইঞ্চি আদাৰ টুকুৰা, গোটা জিৰা ২ চামুচ মান, হালধি ১ চামুচ, মিট মচলা, ৰঙা জলকীয়া গুৰি, ধনীয়া পাউদাৰ ১ চামুচ আৰু জালুক প্ৰায় ৫০ গ্ৰাম। এই জ্বলা তৰকাৰী জালুক অবিহনে অসম্পূৰ্ণ। ইয়াৰ পাছত মাংসখিনি দি হেতাৰে লৰাই কিছু সময়ৰ বাবে ঢাকি থব লাগে। মাংসখিনি সিজাৰ পাছত সিদ্ধ কৰা ওলকচু দি লগতে বাকী ৰৈ যোৱা মচলাখিনি দি ১০/১৫ মিনিটৰ বাবে সিজাব লাগে।

কাৰ্বি খাদ্য সংস্কৃতি কেৱল এসাঁজ আহাৰতে সীমাবদ্ধ নহয়, ই কাৰ্বি জনজাতিৰ পৰিচয়, ইতিহাস আৰু প্ৰকৃতিৰ সৈতে তেওঁলোকৰ নিবিড় সম্পৰ্কৰ প্ৰতিফলন। সাধাৰণ মাছ, মাংস আৰু বাঁহগাজকে ধৰি স্থানীয়ভাৱে উপলব্ধ সামগ্ৰীৰে তৈয়াৰ কৰা সহজ অথচ সুস্বাদু ব্যঞ্জনসমূহেই কাৰ্বি খাদ্যক স্বকীয়তা প্ৰদান কৰিছে। এই কাৰ্বি জনগোষ্ঠীটো পৰম্পৰাগত খাদ্যভাসৰ ক্ষেত্ৰত যথেষ্ঠ চহকী। তেওঁলোকে

পৰম্পৰাগত খাদ্যভাসৰ সৰহ সংখ্যক উপাদনকেই চৌপাশৰ জগত খনৰ পৰা আহৰণ কৰে। বিভিন্ন অৰণ্যজাতৰ গছৰ গজালি, কুদো, আমৰলি টুপ তথা কণী, লেটা, আদিৰ ব্যাপক ব্যবহাৰ এওঁলোকৰ অন্যতম প্ৰধান বৈশিষ্ট। এই বৈশিষ্টই এওঁলোকৰ খাদ্যভাসক এক অনন্য মাত্ৰা প্ৰদান কৰাৰ লগতে উল্লেখনীয় জনগোষ্ঠী হিচাপে চিনাকী প্ৰদান কৰিছে। এচাম যুৱক-যুৱতীৰ মাজত বৰ্তমান আধুনিকতাৰ প্ৰভাৱ দেখা গৈছে যদিও, পৰম্পৰাগত খাদ্যসম্ভাৰৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সংৰক্ষণৰ প্ৰচেষ্টাই এই অনন্য খাদ্য সংস্কৃতিটোক জীয়াই ৰাখিছে। সময়ৰ লগে লগে সলনি হোৱা খাদ্যভাসৰ মাজতো ই আজিও কাৰ্বি সমাজৰ প্ৰাণকেন্দ্ৰ হৈ আছে। এই খাদ্যৰ সুবাস আৰু সোৱাদেই কাৰ্বি পৰম্পৰা আৰু সামাজিক জীৱনৰ ধাৰা অক্ষুণ্ণ ৰখাৰ এক শক্তিশালী প্ৰতীক।

সামৰণিত ক'ব পাৰি যে কাৰ্বি খাদ্য কেৱল পেট ভৰোৱাৰ উপায় নহয়, এয়া তেওঁলোকৰ পৰিচয় আৰু সংস্কৃতিৰ এক অবিচ্ছেদ্য অংশ। প্ৰকৃতিৰ লগত থকা তেওঁলোকৰ গভীৰ সম্পৰ্ক, কৃষি পদ্ধতি আৰু সামাজিক ৰীতি-নীতিৰ প্ৰতিচ্ছবি এই খাদ্যসমূহত দেখা যায়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে কিছুমান আধুনিক খাদ্যৰ প্ৰভাৱ পৰিলেও, পৰম্পৰাগত খাদ্যসম্ভাৰে আজিও কাৰ্বি জনগোষ্ঠীৰ সাংস্কৃতিক শিপা ধৰি ৰাখিছে, যিটো আমাৰ বাবে এক মূল্যবান সম্পদ। এই লেখাত বৰ্ণনা কৰা কাৰ্বি খাদ্যৰ ৰন্ধন-প্ৰণালীৰ এটা সম্যক পৰিসৰ আঁকোৱালি লবলৈ চেষ্টা কৰা হৈছে ইয়াৰ বাহিৰেও আৰু এনে বহুতো ব্যঞ্জন আছে যিবোৰ একে ভিতৰুৱা কোনোবাজনৰ তাতহে উপলব্ধ তথাপি ইয়ে এটা কথা স্পষ্ট কৰি দিয়ে যে তেঁওলোকৰ খাদ্যৰ মুখ্য বৈশিষ্ট্য হৈছে সৰলতা আৰু প্ৰাকৃতিক উপাদানৰ ব্যৱহাৰ। কম মচলা আৰু তেল ব্যৱহাৰ কৰি প্ৰস্তুত কৰা এই খাদ্যবোৰ কেৱল সোৱাদযুক্তই নহয়, স্বাস্থ্যৰ বাবেও উপকাৰী। সেয়েহে, এই পৰম্পৰাগত খাদ্য ধাৰণা আমাৰ বৰ্তমানৰ ব্যস্ততাপূৰ্ণ জীৱনশৈলীৰ বাবেও এক গুৰুত্বপূৰ্ণ শিক্ষা হ'ব পাৰে।

এনেদৰে, কাৰ্বিসকলৰ খাদ্য সংস্কৃতিত তেওঁলোকৰ জীৱনশৈলী, বিশ্বাস আৰু প্ৰকৃতিৰ প্ৰতি থকা সন্মানৰ প্ৰতিফলন দেখা যায়। বাঁহৰ চুঙাত সিজোৱা ভাতৰ পৰা আৰম্ভ কৰি পাতেৰে মেৰিয়াই সিজোৱা মাংসলৈকে, প্ৰতিবিধ খাদ্যৰেই এক সুকীয়া সোৱাদ আৰু তাৎপৰ্য আছে। এই খাদ্যশৈলী অধ্যয়নে কেৱল তেওঁলোকৰ ৰন্ধন প্ৰণালীৰ বিষয়েই নহয়, তেওঁলোকৰ সামগ্ৰিক সাংস্কৃতিক জীৱনৰ বিষয়েও এক সুন্দৰ ধাৰণা দিয়ে।

~ ভাৰ্গব জ্যোতি বৰা



অসমৰ ক্ৰীড়াৰ ইতিহাস

সুস্থ শৰীৰ কোনো এটা জাতিৰ বাবে অমূল্য সম্পদ। সুস্থ শৰীৰৰ অধিকাৰী হ'লেহে এটা শক্তিশালী জাতি আৰু এটা শক্তিশালী মন গঢ় লৈ উঠিব পাৰে। মানৱ সভ্যতাৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে খেল -ধেমালিৰ লগত এক সীমা হীন সম্পৰ্ক আছে। খেলৰ ইতিহাস আৰু মানৱ জীৱনৰ ইতিহাস এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এজন ব্যক্তিৰ জন্মৰ লগে লগেই তেওঁৰ মনত, কাম-কাজত প্ৰকাশ পায় ক্ৰীড়াৰ প্ৰতি অজানিত ভালপোৱা।

এতিয়া সমাজ জীৱনত তোলপাৰ লগোৱা ফুটবল, ক্ৰিকেট আদিক আদিকালত দেখিবলৈ পোৱা নগৈছিল ঠিকেই, কিন্তু ক্ৰীড়াৰ আদিম ৰূপে মানৱ জীৱনত তেতিয়াই ডেও দি গৈছিল। সেয়েহে ক্ৰীড়াৰ প্ৰতি বৰ অসমতো আদৰ আছিল। অসমৰ ইতিহাস গমি-পিতি চালে চ্যুকাফাই পাটকাই পৰ্বত পাৰ হৈ আহোম ৰাজ্য বিস্তাৰ কৰাৰ লগে লগে অসমৰ ক্ৰীড়া ইতিহাসৰ বৰ্ণময় আৰম্ভণি হোৱাৰ কথা ক'ব পাৰি। সেয়েহে অসমৰ ক্ৰীড়া ইতিহাসত আহোমৰ গৌৰৱপূৰ্ণ দিন আৰু আমাৰ অতিকৈ আদৰৰ বিহুৰ কথা সোণালী আখৰেৰে লিপিবদ্ধ থাকিব। বিহু আৰু আহোম যুগ অবিহনে অসমৰ ক্ৰীড়াই কাহানিও পূৰ্ণতা নাপায়।

অসমৰ ক্ৰীড়া জীৱনলৈ লক্ষ্য কৰিলে দেখা পোৱা যায় জাতিটোৰ জাতীয় জীৱনৰ সৈতে ক্ৰীড়াৰ ঐতিহাসিক সম্পৰ্কৰ কথা। সেয়েহে বিহু আৰু ক্ৰীড়াৰ মাজত সম্পৰ্ক যুগমীয়া। তাহানি যেতিয়া চীনত ছু-চু খেলা হৈছিল ঠিক তেতিয়া আৰু তাৰ আগেয়ে আমি অসমীয়া জাতিয়ে খেলিছিলোঁ কণী যুঁজ, কড়ি যুঁজ আদি। ক্ৰীড়া হ'ল এক আনন্দ, শাৰীৰিক আৰু মানসিক সক্ষমতাৰ চূড়ান্ত প্ৰকাশ। প্ৰবীণ সাহিত্যিক হেম বুঢ়াগোহাঞিৰ 'বিহু আকৌ আহিল' শীৰ্ষক গ্ৰন্থখনত কণী যুঁজ সম্পৰ্কত বিস্তৃত আলোচনা কৰিছে। আনহাতে, যতীন বৰুৱাৰ 'বিহু উৎসৱৰ খেলা-ধূলা'ত এই বিষয়ে বিস্তৃতভাৱে প্ৰকাশ কৰিছে। 'বিহু আকৌ আহিল' শীৰ্ষক গ্ৰন্থখনত বিহুৰ আনন্দত মতলীয়া কণী যুঁজাৰুসকলে কিদৰে শিৱসাগৰৰ বকতা মৌজা, নেমুগুৰি, হাটবৰ আৰু লাহৰীবৰত মিলিত হৈ খেলিছিল তাৰ সুন্দৰ উপমা পোৱা যায়। নেমুগুৰিত কৃষিজীৱীসকলে ধান কাটি বিহুৰ আনন্দত মতলীয়া হৈ কণী যুঁজৰ বাবে একগোট হোৱাৰ বিষয়েও উল্লেখ আছে। আনহাতে, হাজোৰ কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, কড়ি যুঁজ আদি বিহুৰ সময়ত অনুষ্ঠিত কৰাৰ বিষয়েও জানিব পৰা গৈছিল। প্ৰকৃতাৰ্থত বিহুৰ আলম লৈ বৰ অসমে এনেবোৰ খেলত অংশ লৈ মানসিক দৃঢ়তাৰ পৰিচয় দি আনন্দত মতলীয়া হৈ পৰিছিল।

বিহুৰ মাজেৰে অসমৰ ক্ৰীড়া অথবা খেলে শৈশৱত ভৰি দিলেও আহোম যুগত অসমৰ ক্ৰীড়াই গা কৰি উঠিছিল। আমি অসমত যদি ক্ৰীড়াৰ পৃষ্ঠপোষকতাৰ কথা কওঁ তেতিয়া হ'লে আহোম যুগক শ্ৰদ্ধা সহকাৰে সুঁৱৰিব লাগিব। আহোম স্বৰ্গদেউ অথবা ৰাজপৰিয়ালৰ পৰা খেলক যিদৰে পৃষ্ঠপোষকতা আগ

বঢ়োৱা হৈছিল, সেয়া হয়তো আজিৰ চৰকাৰেও আগ বঢ়োৱা নাই। তাহানি এতিয়াৰ দৰে ক্ৰিকেট-ফুটবল আদি নাছিল। কিন্তু আছিল ম'হ যুঁজ, মাল যুঁজ, দৌৰা, তৰোৱাল খেল,শেন মেলা, ঘোঁৰা দৌৰ, কাঁড় খেল ইত্যাদি। আমি ম'হ যুঁজক বৰ্তমান স্পেইনৰ বাফেলো যুঁজ, তৰোৱাল খেলক ফেন্সিং, ঘোঁৰা দৌৰক ইকুৱেষ্ট্ৰিয়ান, কাঁড় খেলক আৰ্চাৰী, মাল যুঁজক ৰেষ্টলিং বুলি ক'ব পৰোঁ। এনেবোৰ খেলক ৰাজপৰিয়ালে অথবা আহোম শাসনকৰ্তাসকলে পৃষ্ঠপোষকতা আগ বঢ়াইছিল বিভিন্ন মাধ্যমেৰে। ৰজাঘৰে এই ক্ষেত্ৰত মুকলি মনেৰে কাম কৰি গৈছিল। তেতিয়াই বিশেষ বিশেষ খেলৰ বাবে বিষয়া, প্ৰশিক্ষক পৰ্যন্ত নিযুক্তি দি ক্ৰীড়াৰ প্ৰতি জনগণৰ মন আকৰ্ষণৰ প্ৰয়াস কৰিছিল। সেই কালৰ অন্যান্য ৰাজ্যসমূহত এনে কাৰ্যৰ বা আঁচনিৰ অভাৱ পৰিলক্ষিত হয়। এই দিশবোৰ পৰ্যালোচনা কৰাৰ আগেয়ে আমি উল্লেখ কৰাটো উচিত হ'ব যে এছিয়াৰ প্ৰথম স্প'ৰ্টছ পেভিলিয়ন অথবা ক্ৰীড়া পেভিলিয়নৰ কথা। এই পেভিলিয়নটো অন্য একো নহয়-অসমৰ সবাৰে পৰিচিত শিৱসাগৰৰ ৰূপহী পথাৰৰ ৰংঘৰ। ৰংঘৰে গৰ্বৰে সোঁৱৰায় আহোম যুগৰ ক্ৰীড়া প্ৰেমৰ কথা।

আহোম যুগত মাল যুঁজ, ম'হ যুঁজ আদিয়ে দৰ্শকক আহ্লাদিত কৰিলেও শেন আৰু কণুৱাৰ খেলে সবাকে অধিক আমোদ দিছিল। এই শেন আৰু কণুৱাৰ খেলৰ বাবে স্থাপন কৰা হৈছিল চৰাইচোং। ছয়-সাতখন মুকলি খেলপথাৰক লৈ চিহ্নিত কৰা হৈছিল চৰাইচোঙক। শেন মেলাত অংশ লোৱা শেন চৰাইক প্ৰশিক্ষকসকলে দিয়া অভিনৱ প্ৰশিক্ষণ মন কৰিবলগীয়া আছিল। বিশেষকৈ খেলৰ মাজত শেন চৰাইটোৱে কণুৱাক বধ কৰি ঠোঁটেৰে কামুৰি আকাশলৈ গৈ অভিনৱ ছন্দেৰে খৰলুটি মাৰি তললৈ নামি অহাৰ দৃশ্য চাই থাকিবলগীয়া আছিল। ইয়াৰ দ্বাৰা তাহানিৰ প্ৰশিক্ষণ পদ্ধতি কিমান উচ্চমানৰ আছিল তাক জানিব পাৰি। ৰংঘৰক কেন্দ্ৰ কৰি অনুষ্ঠিত হৈছিল এইবিধ খেল।

তদুপৰি ম'হ যুঁজ, বাঘ-ভালুকৰ যুঁজ, হাতী যুঁজ আদি ৰংঘৰৰ সন্মুখত অনুষ্ঠিত হৈছিল। শেন মেলাৰ লেখীয়াকৈ হাতী যুঁজৰ বাবে ৰংঘৰৰ উত্তৰ পিনে হাতীশাল স্থাপন কৰা হৈছিল। এনেদৰে আমি জানিব পাৰোঁ আঁহতগুৰিৰ ম'হ যুঁজৰ কথা। ইয়াৰ দ্বাৰা এনেবোৰ খেল অসমৰ অন্যান্য ঠাইতো যে অনুষ্ঠিত হৈছিল তাক জানিব পাৰি।

আহোম যুগত ক্ৰীড়াই সৰ্বাধিক পৃষ্ঠপোষকতা পাইছিল স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত। আহোম ৰাজ্যৰ বিভিন্ন অঞ্চলত পুখুৰী খান্দি জলক্ৰীড়াৰ প্ৰতি (সাঁতোৰ আদি) জনসাধাৰণক আকৃষ্ট কৰিছিল। অৱশ্যে তেওঁ পেভিলিয়নসদৃশ মঞ্চ নিৰ্মাণ কৰিও খেলৰ প্ৰতি থকা তেওঁৰ মোহ প্ৰকাশ কৰিছিল। তেওঁ ১৫-১৬ হাতৰ শালকাঠৰ খুঁটাৰে নিৰ্মাণ কৰিছিল এই মঞ্চ। আহোম যুগৰ কে'বাবিধো খেল এতিয়া লুপ্তপ্ৰায়। এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে আহোম যুগত কোনো ৰজাৰ অভিষেক হ'লে অথবা ৰাজপৰিয়ালত পুত্ৰ আদিৰ জন্ম হ'লে প্ৰায় এসপ্তাহ জুৰি বিভিন্ন খেলৰ আয়োজন কৰিছিল। ই বৰ্তমান ক্ৰীড়া সমাৰোহৰ লেখীয়া আছিল।

এতিয়া আহোঁ বিহুৰ সময়লৈ। বিহুৰ সময়ত নৈ, পুখুৰী আদিত নাওখেল অনুষ্ঠিত হৈছিল। একেদৰে

কিছুমান পাহোৱাল ডেকা ল'ৰাই মালযুঁজত ভাগ লৈছিল। এই মালযুঁজ বৰ্তমানৰ ৰেষ্টলিং অথবা মল্লযুদ্ধৰ লেখীয়া আছিল। ইয়াৰ উপৰি মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে অসংখ্য খেল জনসাধাৰণৰ মাজত প্ৰচলিত আছিল। এই খেলসমূহৰ অন্যতম হ'ল- হাউ খেল, ঢোপ খেল, টাংগুটি, ঘিলা খেলা, লুকা-ভাকু, বুন্দিয়া হাউ, কড়ি খেল ইত্যাদি। হাউগুদু খেলক বৰ্তমান কাবাডীৰ আদিৰূপ বুলিব পাৰোঁ। হাউগুদুক কৰ্ণাটকত ছেদুগুদু, কেৰালাত ৰণ্ডি কালি, পঞ্জাৱত জবুৰ ঘানা হিচাপে জনা যায়। এই সময়ৰ আন এবিধ প্ৰিয় খেল হ'ল- ঢোপ। ইয়াৰ জন্ম ক'ত হৈছিল সেয়া কোনেও ক'ব নোৱাৰে। এইবিধ খেল যে আহোম যুগতো জনপ্ৰিয় আছিল তাৰ অলেখ উদাহৰণ পোৱা যায়। ব্ৰিটিছ ৰাজত্বৰ শেষছোৱাত তেজপুৰৰ পৰা আঠ কিলোমিটাৰ দূৰৰ মদপীৰ ঢেকেৰিপাৰ নামৰ বৃহৎ বাকৰি এখনত এইবিধ খেলৰ সমাৰোহ অনুষ্ঠিত হৈছিল। পাছত কোকৰাঝাৰৰ বিনোদ ব্ৰহ্ম নামৰ এগৰাকী খেলু�ৰেয়ে এইবিধ খেল জনপ্ৰিয় কৰি তোলাৰ বাবে প্ৰয়াস কৰিলেও ই সফল নহ'ল। আমাৰ থলুৱা খেলবিলাক একত্ৰিত কৰি ইয়াক জনমানসত প্ৰতিষ্ঠিত কৰাৰ বাবে ১৯৮৯ চনত অৱশ্যে প্ৰচেষ্টা আৰম্ভকৰিছিল ভাৰত চৰকাৰৰ তৰফৰ পৰা। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ অথবা ছাইৰ তৰফৰ পৰা শিৱসাগৰৰ ঐতিহ্যমণ্ডিত ৰংঘৰৰ বাকৰিত ১৯৮৯ চনত ইণ্ডিজেনাছ গেমছ নাম দি ক্ৰীড়া সমাৰোহ আয়োজন কৰিছিল। উল্লেখযোগ্য যে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ তৰফৰ পৰা পূৰ্বোত্তৰত এনেদৰে থলুৱা খেলসমূহ পুনৰুদ্ধাৰৰ বাবে প্ৰচেষ্টা চলালেও সেই প্ৰচেষ্টা এবাৰতে থমকি ৰয়। ইণ্ডিজেনাছ গেমছৰ সৈতে সম্পৰ্ক ৰখা ঢোপ খেলৰ সৈতে বৰপেটা অঞ্চলৰ ঐতিহ্যমণ্ডিত ঢেমনা অনা খেলৰ অনেক মিল পোৱা যায়। ঢেমনা অনা খেল সাধাৰণতে শীতকালত অনুষ্ঠিত হৈছিল। বৰপেটা অঞ্চলত ঢেমনা অনাৰ অৰ্থ হ'ল কোনো বিপত্নীকে কোনো বাঁৰী তিৰোতাক পত্নীৰূপে অনা। দুটা দলৰ মাজত অনুষ্ঠিত এইবিধ খেলত এটা দলত চাৰিজনৰ পৰা ১০ জন বা ততোধিক খেলুৰে থাকে। বয়সৰ তাৰতম্য লৈও খেলুৰৈৰ সংখ্যা কম-বেছি কৰা হয়। খেলৰ সঁজুলি হিচাপে এটা বল ব্যৱহাৰ কৰা হয়। আহল-বহল মুকলি ঠাইত এইবিধ খেল খেলা হৈছিল। এইবিধ খেল ক'ত কেতিয়া কোনে আৱিষ্কাৰ কৰিছিল, সেয়া কোনোৱে নাজানে। কিন্তু এটা কথা ঠিক, এই খেলত ব্যৱহাৰ কৰা বলটো দুয়োটা দলে দলিওৱাৰ পাছত যিটো দলে অধিক ঢেমনা আনিব, সেই দলটোৱেই বিজয়ী হ'ব। অৰ্থাৎ এটা মূৰৰ পৰা এটা দলে খুব জোৰেৰে ওপৰলৈ দলিয়ালে আনটো দলে ওপৰতে ধৰিব লাগিব। ইয়াৰ পাছত যিটো দলে প্ৰথমে বলটো ধৰে তেওঁ মধ্যবৃত্ত এটাত থিয় হৈ থাকে। আনহাতে, অন্য দলৰ বল শূন্যত ধৰা খেলুৰৈজনে বলটো মধ্যবৃত্তত থকা খেলুৰৈলৈ উদ্দেশ্য কৰি দলিয়ায়। এই বলটো যদি মধ্যবৃত্তত ৰৈ থকা খেলুৰৈজনৰ গাত লাগে তেন্তে তেওঁক ঢেমনা আখ্যা দি প্ৰতিপক্ষৰ দললৈ অনা হয়। এনেদৰেই ঢেমনা অনা খেলটো খেলা হয়। বৰপেটা অঞ্চলত এইবিধ খেল খুব জনপ্ৰিয় হ'লেও আৰু কিছুমান থলুৱা খেল জনসাধাৰণৰ মাজত প্ৰচলন আছিল। এইসমূহৰ ভিতৰত গন্ধ হাউ, লালী, ফুৰ্তি বা গোল্লা, হাফলা, ঘিলা, ৰছী টনা, কধৰা টনা, কুকুৰা যুঁজ, টাংগুটি, ভটাগুটি, মুঠি ভটা, বাঘবোল, মংগল পাঠা, হাতবল, বৈঠা বল, তিনিঠেঙীয়া দৌৰ, টেকেলি ভঙা, গছ কপটি, থাটি কপটি আদিৰ কথা বিশেষভাবে উল্লেখযোগ্য। এইসমূহ খেলৰ ভিতৰত বৈঠা বল, হাতবলৰ সৈতে ক্ৰিকেট খেলৰ সাদৃশ্য আছে।

এইসমূহ খেলৰ উপৰি অসমত জনপ্ৰিয় আছিল ম'হ যুঁজ। স্পেইনত বৰ্তমান সবাতোকৈ জনপ্ৰিয় খেল

বাফেলো যুঁজ। ইয়াৰ লেখীয়াই আছিল ম'হ যুঁজ। ম'হ যুঁজ আহোমৰ যুগতে আৰম্ভ হৈছিল। কিন্তু ইয়াৰ বিস্তৃতি আছিল অনেক। ভয়াৱহ এইবিধ খেল এতিয়াও মৰিগাঁৱৰ আঁহতগুৰিত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত আয়োজিত হয়। খেল চলি থকাৰ সময়ত জুম বান্ধি সকলোৱে এইবিধ খেল উপভোগ কৰে। আঁহতগুৰিত কেইদিনমানৰ ব্যৱধানত দুবাৰ এই ম'হ যুঁজ অনুষ্ঠিত হয়। প্ৰথমবাৰ মাঘৰ বিহুত আৰু দ্বিতীয়বাৰ ২৬ জানুৱাৰীত গণতন্ত্ৰ দিৱস উপলক্ষে এই খেল অনুষ্ঠিত হয়। আঁহতগুৰিৰ বাহিৰেও মিকিৰভেটা, চৰাইবাহী, বৰভগীয়া, বাৰপূজীয়া, গোনামাৰা, বৰামাৰা, দমাল, বৰশীবন্ধা, দুৱৰিথলি আদিত ম'হ যুঁজ অনুষ্ঠিত হয়। মাঘৰ বিহুৰ সময়ত ম'হ যুঁজ অনুষ্ঠিত হয় সেই ঠাইসমূহত। এই ম'হ যুঁজত কোনো নিৰ্দিষ্ট নীতি-নিয়ম দেখা পোৱা নাযায় যদিও প্ৰতিযোগিতাত বিজয়ী হোৱা ম'হৰ গৰাকীৰ বাবে এই কৃতিত্ব গৌৰৱ আৰু আত্মসন্মানৰ কথা বুলি ধৰা হয়। এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে এই যুঁজৰ ভালেমান দিন আগৰ পৰা যুঁজাৰু ম'হক কামৰ বোজা কমাই ভালকৈ তত্ত্বাৱধান লোৱা হয়। খাদ্যৰ ওপৰতো যথেষ্ট গুৰুত্ব দিয়া হয় আৰু ম'হ প্ৰতিপালন কৰা ঠাই টুকুৰাত আন মানুহ যোৱাটো বন্ধ কৰি দিয়া হয়। শেষ নিশা ম'হক চৰাবলৈ নিয়া হয় যাতে বেলি উঠালৈ ম'হে পেট পূৰাই খাব পাৰে। পূৰ্বতে উল্লেখ কৰা হৈছে এইবিধ খেলৰ ভয়াৱহতাৰ কথা। কেতিয়াবা দুয়োটা ম'হে কেবাঘণ্টাও যুঁজ কৰে। এনে এক উদাহৰণ পোৱা যায় চৰাইবাহীত ৮২ চনৰ ম'হ যুঁজৰ সময়ত। হাজাৰ হাজাৰ জনসাধাৰণৰ উপস্থিতিত সেইদিনা দুটা ম'হে ১৪০ মিনিট একেৰাহে যুঁজ কৰিছিল। সেইদিনা ম'ই দুটাৰ শিঙৰ খুন্দাত এটা ম'হৰ বাঁও শিংটো গুৰিতেই ভাগি গৈছিল।ইয়াৰ পাছতো ম'হটোৱে পৃষ্ঠভংগ দিয়া নাছিল। দুই মিনিট প্ৰবল পৰাক্ৰমেৰে যুঁজ কৰিছিল ম'হটোৱে। এটা সময়ত ম'হটোৱে নিজৰ দুৰ্দশাৰ কথা বুজিব পাৰি খেলপথাৰৰ পৰা তৰা-নৰা ছিঙি প্ৰাণৰক্ষাৰ বাবে পলাই গৈছিল। ম'হ যুঁজ অৱশ্যে এতিয়াও বিভিন্ন অঞ্চলত চলি আছে।

এনেদৰে বিভিন্ন স্থানত এনেবোৰ থলুৱা খেলৰ প্ৰচলনৰ আভাস পোৱা যায় যদিও এতিয়া এনেবোৰ খেল লুপ্তপ্ৰায়। অৱশ্যে দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত সুঁৱৰী উৎসৱত মালযুঁজ খেল এতিয়াও প্ৰচলিত আছে। এনে খেল চাবলৈ এতিয়াও জনসমাগম হয়। এতিয়া আধুনিক খেলসমূহৰ আগত এই খেলসমূহ জুঁই পৰি ক্ৰমে নাইকিয়া হোৱাৰ লেখীয়া অৱস্থা এটাৰ সৃষ্টি হৈছে।

~ অংকন বৰা



কোনোবাদিনা ভাবোঁ কথাবোৰ অনুধাৱন কৰি কৰি এদিন নোহোৱা হৈ যাম

কোনোবাদিনা ভাবোঁ কথাবোৰ অনুধাৱন কৰি কৰি এদিন নোহোৱা হৈ যাম! কি থাকিব শেষত...? আজি বান্ধৱী এজনীৰ কথামতে বহুদিনৰ মূৰত ৰিক্সাত উঠিলোঁ। তাইৰ কাম তেতিয়াও বাকী আছিল কিন্তু মোৰ শেষ হোৱাৰ বাবদ তাই পঠিয়াই দিলে। ভালেই পালোঁ, ইমান গৰম! কিন্তু তাইলৈ বেয়াও লাগিল...তাই ক'লে, "আজি ৰিক্সা এখনতে উঠি যা, মই ৰিক্সাতেই প্ৰায় উঠো, টকা কেইটামানো ৰাহি হয়, ভালো লাগে, ঠাইবোৰ চাবও পাৰি, (পৰিৱেশ প্ৰদূষণো কম হয় বাৰু) আৰু আটাইতকৈ মূল কথাতো হ'ল বেচেৰা মানুহজনে টকা কেইটামানো পাব; কি ঠিক তেওঁ চাগৈ আজি ভাড়া পোৱায়ে নাই!" কথামতেই কাম। তায়েই ৰিক্সাৱালা এজন ৰখোৱালে আৰু মই উঠিলোঁ। তাই পাছফালৰ পৰা মাত দি "২০ নহ'বা ৩০ টকা ল'ব" বুলি ইংগিতত দেখুৱাই "ভালকৈ যাবি" বুলি ক'লে। এনেকুৱা কথাবোৰতেই মৰমবোৰ যে আৰু অকনমান বেছিকৈ বাঢ়ি যায়! গৈ আছোঁ মই। উপন্যাস পঢ়ি থাকিলে সদায় মই আটাইতকৈ দুৰ্বল চৰিত্ৰটি হৈ পৰোঁ! নাজানো কিয় এনে হয়! হয়তো চৰিত্ৰটি আটাইতকৈ সবলহে!!!

বাৰু যি কি নহওঁক, বহুদিনৰ মূৰত ৰিক্সাত উঠিছোঁ। লাজো লাগিছে অকনমান, কিন্তু নিজেই নিজক কৈছোঁ "লাজ কৰিনো কি পাবি! তোৰ চাৰিওফালে থকা আটাইবোৰ মানুহ নিজৰ পৃথিৱীত মনোমগ্ন!" সৰুতেই যে মামাহঁতৰ ঘৰলৈ গ'লে ৰিক্সাখনেই favourite আছিল! বহুদিন নহয়, বহু বছৰেই হ'ল ৰিক্সাত নুঠাৰ। সময়বোৰ যে সলনি হৈছে সেইবাবেই চাগৈ আধুনিকতাৰ কবলত পৰি modernization ৰ প্ৰতিযোগিতাখনত ময়ো উঠি-পৰি লাগিলোঁ। লাজ লাগে হয়তো, নতুবা মানুহৰ হাতত সময় নিচেই কম সেইবাবেই ৰিক্সাত নুঠে। নাজানো সঠিক কাৰণটো কি! পৰিৱৰ্তন হৈছে সকলোৰেই, মানুহৰ, মনবোৰৰ, সময়বোৰৰ। কিন্তু ৰিক্সাৱালাকেইজন দেখিলে মোৰ এনে লাগে যেন এই পৰিৱৰ্তন তেওঁলোকৰ বাবে নহয়! তেওঁলোকে যুঁজি থাকে নিতৌ কেইটামান টকাৰ বাবে, ঘৰলৈ উভতি যাওঁতে কিবা এটা লৈ যাব জীয়েক/পুতেকলৈ, হয়তো ঠিক এনেকেয়েই ভাবে চাগৈ নতুবা পাচলি কেইটামানকে নিব! মোৰ বৰ বেয়া লাগে! কি কৰিব পাৰোঁ তাকেই ভাবি থাকোঁতে চিন্তাৰ শেষৰ পৰ্যায়ত উপনীত হওঁগৈ। উত্তৰ একেটাই, "একো কৰিব নোৱাৰো! কিনো কৰিব পাৰিম, এগালমান টকা থকা হ'লে ভাল আছিল।" কিন্তু এগালমান টকা জানো এনে পৰিস্থিতিৰ বিকল্প হ'ব পাৰে? নোৱাৰে। পৃথিৱীখনৰ কিছুমান কথা এনেকুৱায়ে। নিতৌ চলি থাকে।

~ স্মিতা হীৰা

গল্প সংগ্ৰহ

অব্যক্ত

কচুপাতখিলাৰ ওপৰত ডোঙা বান্ধি ৰোৱা বৰষুণৰ পানীখিনি তললৈ সৰি পৰিছে। তাই অনুভৱ কৰিছে, এই টোপালপিনি মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন, অক্লান্ত পৰিশ্ৰম সদৃশ মাথোঁ যি কোনো স্থায়ী নহয়। তাইৰ জীৱনৰ দুখখিনিৰো এইদৰে স্থায়ীত্বতা নোহোৱা হ'লেই ভাল আছিল বোধহয়! আজি তাই মেঘে ওন্দোলাই অনা আকাশখনত ক্ষীণ ৰেঙনিৰে ডাৱৰৰ আঁৰত লুকাই থকা বেলিটোৰ দৰে অচল। ইচ্ছা কৰিলেও ত্যাগ আৰু দায়িত্বৰ তুলাচনীখনত সমান ভৰ দি সময়লৈ অপেক্ষা কৰি থকা বিক্ৰেতাজনৰ বাদে আন একোৱেই হ'ব পৰা নাই।

"দৰদী, ঐ দৰদী কতনো আছ? বিয়াৰ খবৰ এটা ল'বলৈ আহিছো অ'। চুবুৰীয়া মণি খুৰীয়েকৰ মাতটো শুনি তাইৰ সম্বিৎ ঘূৰি আহিল। "অ খুৰী, আহক বহুকচোন," বুলি খুৰীয়েকলৈ মুঢ়াটো আগবঢ়াই দিলে তাই। খুৰীয়েকৰ মাতত উৎচুকতা-"এ হেৰি নহয়, বিয়াৰ যা- যোগাৰ কিমানখিনি হ'লগৈ, দৰাৰ ঘৰত কইনাৰ আটাইকেইযোৰ সাজ যোগাৰ হ'লনে নাই খবৰ কৰিবিহঁত, আৰু এই ফার্নিচাৰৰ কথা কি হ'বগৈ, খৰধৰ কৰিব হ'ল দেই।' তাই কিবা এটা ক'বলৈ লওঁতেই পিছফালৰপৰা হাতত চাহ একাপ লৈ বায়েক আহি উপস্থিত। নাৰিকলৰ লাৰুটোত থকা পৰুৱাটো হাতেৰে গুচাই খুৰীয়েকক খাবলৈ দি ক'লে- "চিন্তা নাই খুৰী, আমাৰ যা-যোগাৰবোৰ প্ৰায় সম্পূৰ্ণই হৈছেগৈ, দৰাঘৰৰ পৰাও সকলো আজৰি বুলি আমাক জানিবলৈ দিছে, এতিয়া মাথোঁ এটাই সমস্যা আছে; এইক লৈ।"... । বায়েকৰ কথা শেষ হওঁ কি নহওঁতেই পুনৰ খুৰীয়েকে মাত লগালে, 'মাজনী, কপালৰ লিখন কোনেও খণ্ডাব নোৱাৰে, বান্ধি থৈ যোৱা সম্পৰ্কটো ৰাইজে যোৰা-টাপলি মাৰি সম্পূৰ্ণ কৰিব বিচাৰিছে, তাতেনো তই আকৌ কিয় মইমতালিখন আৰম্ভ কৰিছ, তোৰ দুখটো আমিও নুবুজকৈ থকা নাই, কিন্তু এই বায়েৰৰ মুখখনলৈ চাইয়েই তাইক সকাহ দিওঁ বুলি তোৰ মনে নধৰেনে ?"

বায়েকৰ মুখলৈ কুণীয়াকৈ চাই তাই ভাবিব ধৰিলে – এৰাটো, মাক ঢুকোৱা আজি দুমাহ হ'ল। উচ্চ ৰক্ত চাপজনিত কাৰণত বয়সতকৈ বহু আগেয়ে সৰু জীয়েক অর্থাৎ তাইৰ বিয়াখনৰ সকলোখিনি আয়োজন কৰি মেলিও মাকে বিয়া খন নেদেখাকৈয়ে আজি কিছুদিনৰ আগতে মেলানি মাগিবলগীয়া হ'ল। তাইৰ বিয়াখন পাতি যোৱাৰ মাকৰ যি দুর্বাৰ হেঁপাহ, কলিতে মৰহি গ'ল। দেউতাক নথকা ছোৱালী দুইজনীক কিমান কষ্টৰে তুলি-তালি আজিৰ এই অবস্থা পাইছেহি সেই কথা সর্বজন-বিদিত। ডাঙৰ জীয়েকৰ প্ৰায় ৪০ বছৰ বয়সে ভাটি দিয়াৰ পাছত সেই দুখ মোহাৰি সৰু জীয়েকক এজন ভাল অভিযন্তাৰ লগত যাঁচি থৈ যাব বিচাৰোতেই বিনা মেঘে বজ্ৰপাতৰ সূচনা হ'ল।' তাই ভাবিলে, মাকৰ এই আশাৰ কলিটোত সাৰ-পানী যোগাই গাঁৱৰ ৰাইজেও উঠি-পৰি অনুষ্টুপীয়াকৈ হলেও বিয়াখন পাতি দিব বিছাৰিছে। সেয়া তাই আৰু তাইৰ বায়েকে নিজেও দেখিছে; বিয়া বুলি ঘৰ এখনত হ'ব লগা কামৰ ব্যস্ততা, খদমদম মুঠতে আটাইবোৰ সমস্যা ৰাইজ আৰু সিহঁতৰ মিতিৰৰ মানুহে আঁকোৱালি লৈছে। যদিও এবছৰ পাৰ নোহোৱালৈকে একেখন ঘৰতে মাংগলিক কার্য অনুষ্ঠিত কৰাৰ কোনো নিয়ম নাথাকে তথাপি এই কেও -

কিছু নোহোৱা ছোৱালী দুজনীক অন্তৰৰ জুইকন নুমুৱাবলৈকে যাঁচি দিয়া মৰম-স্নেহ, পুতৌৰ বাবে তাই কৃতজ্ঞ। কিন্তু এই সকলোবোৰৰ পাছতো তাই যেন মানসিক অন্তৰ্দ্বন্দত ভুগিছে; বিয়া নোহোৱাকৈ ৰৈ যোৱা বায়েকজনীক অকশৰীয়াকৈ এৰি থৈ যাবলগীয়া হোৱাত, উমি উমি জ্বলি থকা মাকৰ দুখটোৱে বুকুত হুলে বিন্ধাদি বিন্ধি যি বিষৰ সৃষ্টি কৰিছে তাৰ উচুপিচনি মানুহে গুনিও চোন নুশুনাৰ ভাও জুৰিছে। হাজাৰ বাৰ বিয়া নহওঁ বুলি অমান্তি কৰাৰ পিছতো কিয় দায়িত্ব আৰু ভৱিষ্যতৰ খাতিৰত মানুহবোৰে তাইক বলেৰে আনৰ হাতত তুলি দিব বিচাৰিছে! অবিবাহিত হৈও তাই গোটেই জীবন চলি যাব পাৰিব কিন্তু এই আপোন ঘৰখন, তাইব বুকুৰ এফাল তাইৰ মৰমৰ বায়েকজনীক কিদৰে এৰি থৈ গৈ কাৰোবাৰ ঘৰত তাই ৰাজৰাণী হ'ব পাৰিবগৈ!

নোৱাৰে তাই, মুঠেই নোৱাৰে; সকলোৱে তাইক বুজনি দিছে, কিন্তু এবাৰলৈ হলেও তাইৰ মনটোক বুজিব পাৰিছেনে, হয়তো নাই পৰা! সেইবাবেই দায়িত্ব, মৰস, ইচ্ছা আদিবোৰক জলাঞ্জলি দি এই মানুহবোৰেই বুকুৰ কুটুমক ত্যাগ কৰিবলৈ শিকাইছে স্বাৰ্থপৰতাৰ অন্য এক ভাষাত। সেয়ে হয়তো কেতিয়াবা নিজৰ মানুহকে অচিনাকি যেন লাগে তাইৰ; যেন তাইক সৰু ছোৱালী কৰি মাজতে বহুৱাই সকলোৱে মাথোঁ নির্দেশ দিছে কৰি যাবলৈ। আনকি বায়েকো এইক্ষেত্ৰত সহমত, সেইবাবে দৰদীৰ বায়েকলৈ খং নুঠাও নহয়।

ডিঙিৰ পৰা খং খং কৈ ওলাই অহা শুকান কাহটো মাৰি খুৰীয়েকে কৈ উঠিল চাহকাপ বৰ সোৱাদ লাগিল, পিছে মই এতিয়া যাওঁহে, তহঁত বাই-ভনী দুইজনীয়ে মিলা-মিচা কৰি বাকী থকা কামবোৰ আজৰি কৰহঁত। আমিটো আছোৱেই, কিবা অসুবিধা পালে পোনছাটেই, মাত লগালেই হ'ল। আৰু মাজনী তই কইনাৰ সাজত বহিবলৈ সাজু হ বোলো দেই বুলি কৈ কৈ বাহিৰলৈ ওলাই গ'ল। মাতটোত উচপ্ খাই উঠিহে তাই জানিব পাৰিলে যে অতপৰে সিহঁতৰ মাজত কথোপকথনেই চলি আছিল আৰু তাই সমূখৰ ৰাধাচূড়াজোপালৈ চাই চাই ইয়াকে ভাবি আছিল।

খটংকৈ শব্দ কৰি চাহৰ কাপটো তুলি বায়েক ভিতৰলৈ যাবলৈ লওঁতেই পিছফালৰ পৰা তাই মাত লগালে- 'নহ'লে তয়ো মোৰ লগতে থাকিবিগৈ তাত, ইযাত অকলে অকলে কি কৰিবি!' বায়েকে বেঁকা হাঁহি এটি মাৰি ধেমেলীয়া সুৰত ক'লে- "শুনা নাছিলি সিদিনা, শাহুয়েৰে পৰোক্ষভাবে হ'লেও আনৰ বোজা নলওঁ বুলি কোৱা, একো নহয় দে, ইমানবোৰ মানুহ কাষতে থকাৰ পিছত মোৰ আৰু চিন্তা কত? মই তোৰ দৰে ভয়াতুৰ নহয় (হাঁহি), বিয়া নোহোৱাৰ সিদ্ধান্ত লোৱাৰ দিনাৰ পৰাই আজীৱন অকলে কাটোৱাৰ পণ লৈছিলো, আজি বিধাতাই তাকে প্ৰমাণ কৰিৰ বাবে এটা সুবিধা দিছে বুজিছ।' 'কিন্তু মই যে নোৱাৰোঁ.....; বুলি সম্পূৰ্ণ কৰিবলৈ নাপাওঁতেই মুখত হাতখন দি বায়েকে আশ্বাস দিলে- "পাৰিব লাগিব তই মইনা, মাৰ আশা পূৰণ কৰিব লাগিব তই। সেইবুলি ভনীয়েকক সাৱটি ধৰিলে তাই, কিবা এটা ক'ব খুজিও তাইৰ বাহুত বায়েকৰ লোটক এটোপালৰ উমান পাই থমকি ৰ'ল। তাইক উদ্দ্যেশি কৈ লৈ উঠিল বায়েকে 'মইনা, তই আজিও সেই সৰু ছোৱালীজনীয়ে হৈ থাকিলি, একদম স্বাৰ্থপৰ হ'বলৈ নিশিকিলি।" (মাতত কান্দোনৰ ৰোল)

আজি সিহঁতৰ পদুলিত এখন নাটকৰ প্ৰদৰ্শন হৈছে। সেই নাটত মুখ্য চৰিএৰ অভিনয় কৰিছে কইনাৰ সাজ পৰিহিত মাকাৰ মনোবাঞ্ছা আৰু সমাজে দেখুওৱা দায়বদ্ধতাৰ জৰীডাল খামুচি ধৰি ৰখা, নিজ ইচ্ছাক ত্যাগ কৰা এগৰাকী পৰাজিত নাৰি। বৰ্তমান সময়ৰ বহু মানুহে অন্তৰত জমা হৈ থকা আঘাতবোৰৰ সত্ত্বেও বাহিৰত প্ৰতিপন্ন কৰিবলৈ যোৱা হাঁহিমুখীয়া মুখখনৰ ক্ষেত্ৰত তাইয়ো ব্যতিক্ৰম হৈ থকা নাই। আগতে অভিনয় কৰি নাপালেও আন বহুতৰ দৰে মুখত হাঁহিটো লৈ পৰিস্থিতিৰ সম্মুখত বৰ ধুনীয়াকে ভাও দিব পাৰিছে তাই; সেইক্ষেত্ৰত চাবলৈ গলে আজিৰ নাটৰ তাই শ্ৰেষ্ঠ নায়িকা, অবশ্যে ' বায়েকো এইক্ষেত্ৰত পিছ পৰি ৰোৱা নাই। কামৰ ব্যস্ততাত বান্ধ খাই থাকিলেও যৎপৰোনাস্তি কৰিছে ভাও জুৰিবলৈ। এঃ, তাইনো এইবোৰ কি ভাবিছে। আজি তাইৰ জীৱনৰ এই বিশেষ দিনটোৰ উদুলি-মুদুলি পৰিবেশত প্ৰত্যক্ষ কৰিছে ' ৰাইজে নখ জোকাৰিলে নৈ বয়-যোজনাটিৰ মৰ্মাৰ্থ, আহাৰ্যৰে বিভূষিত তাইৰ তেল পৰি পিছলা দেহাটোৰ তিৰবিৰণিত মুগ্ধ হোৱা দৰ্শকসকল আৰু কাণত খুন্দা মৰা দুই-একৰ সেই কথাবোৰ - 'আজিৰ পৰা তাই আৰু মুক্ত, হওঁক যেনিবা ছোৱালীজনী উদ্ধাৰ হ'ল।' হয়তো সেয়ে আজি তাই নিজকে সৌভাগ্যৱতী বুলি ভাবিবলৈ বাধ্য হৈছে।

শেষত নাটক কল্যাণ খৰমান মাৰি ভাৱৰীয়া, শ্ৰোতা-দৰ্শক সহিতে সকলো আমি পদুলিৰ মূৰত বৈ আছেহি কইনা বিদায়ৰ বাবে। সাক্ষী হৈ ৰোৱা প্ৰত্যেকৰে গালত এটোপালকৈ হ'লেও চকুপানী ওলমি ৰৈছে আৰু সেই মূহুৰ্ত্তৰ তীব্ৰ বেদনা অনুভৱ কৰিবলৈ যত্ন কৰিছে। তথাপি তাই বায়েকৰ মুখলৈ এবাৰো ঘূৰি নোচোৱাকৈ গাড়ীত উঠিলগৈ। তাই কিন্তু আজি কন্দা নাই; কাৰণ কন্দাৰ কোনো স্পৃহাও নাই। ৰাতি যদিও ঘৰৰ কাষৰ আলিমূৰৰ মাটিডৰাৰ মাক-দেউতাকৰ ভেটি দুটিৰ কাষেৰে গাড়ীখন পাৰ হৈ গৈছে বুলি ভাই অনুমান কৰিব পাৰিছিল।

অপহা মনটোক বান্ধি ৰাখি কোনোক্ষেত্ৰত তাই নিজকে তুলনা কৰিব পাৰিছে সেই আগতে পঢ়া ফুলকুঁৱৰীৰ সাধুটিৰ লগত; য'ত কুঁৱৰীক সৰগৰ ৰূপকোঁৱৰে আহি লৈ যোৱাৰ পিছত দুই ভৱনেই বিনন্দীয়া হৈ পৰিছিল, কিন্তু তাতে ৰৈ গৈছিল ধৰাৰ বুকুত বীজ হৈ ফুলকুঁৱৰীৰ সেই অস্পষ্ট তথা অব্যক্ত কথাবোৰ.....

~ সুপ্ৰিয়া বৰা



চিচা

"আহ্লাদিত মনেৰে পম খেদা,
বৃথা দিবাস্বপ্নই যানো সপোন
নে , সার্বভৌম মনৰ গাম্ভীর্যতাৰ
গগনচুম্বী শিখৰ স্পর্শৰ
অক্লান্ত প্রচেষ্টাহে সপোন!
সপোন আচলতে কল্পনাৰ সমুদ্রৰ,
নিলীম দিগন্তত ৰিণিকি - ৰিণিকি
ভাঁহি অহা বাস্তৱ নৌকাখনৰ অস্তিত্ব?
নে, শীতকালিৰ সতেজ পুৱাৰ দিঠকৰ
নিচিগা কুঁৱলীৰ আলসুৱা অভিমানজাক!!
সপোনৰ সত্যতা ক'ত ?
প্রেমত নে....."

শাৰীটোত মনোনিৱেশ সম্পূর্ণ নৌহওঁতেই অকস্মাত এটা কাঁচৰ পাত্র মাটিত পৰাৰ শব্দ! শব্দটিয়ে হস্তক্ষেপ কৰিছে নিস্তব্ধ জোনাক নিশা নিঁয়ৰৰ টোপালবোৰে কেলি কৰা সেই অন্তৰংগ মূহুর্তৰ মৌনতা । কবিতাৰ কিতাপখন জঁপাই তৎক্ষণাতে জৱাৰ .... নিচেই কাষতে থকা টেবুলখনৰ ওপৰত সজাই থোৱা ফুলশয্যা নিশাৰ সেই বিশেষ উপহাৰটিলৈ চাই দেখে যে চিঁচাৰ সেই নান্দনিক পাত্রটি মাটিত পৰি ঠান-বান .....। কাব্যিক ভাওনা খনিৰ সামৰণিৰ কল্যাণ- খৰমান চাপৰটি কি এনে কাৰুণ্যৰ বার্তাবাহক??? লৰালৰিকৈ হাউলী কাঁচৰ টুকুৰাখিনি বুটলিবলৈ ধৰাত তাইৰ মনত হঠাতে আৱির্ভাৱ হৈছে অন্ধবিশ্বাসৰ বিশ্বাসযোগ্যতা আৰু বাস্তৱ দর্শনৰ মাজত এটি অনাকাংক্ষিত সংঘাত! "ভগা চিঁচাই যে কঢ়িয়াই আনে অমংগলৰ আগজাননী...." এয়াইটো তাইৰ মন অশান্ত কৰি তোলা সেই ঋণাত্মক সংঘাত ।

কিন্তু কি আঁচৰিত !! এয়া অসম্ভৱ.., অকল্পনীয় .., অশ্রাব্য.....!! বুটলি লোৱা প্রথমটুকুৰা চিঁচাত তাই দেখিছে অমংগলৰ কলুষ - কালিমা ! তাৰ প্রতিবিম্বত সুস্পষ্ট জৱাৰ ফুলশয্যা নিশা সেই উপহাৰ দিয়া তাইৰ সতীত্ব অটুট ৰখাৰ প্রতিশ্রুতিত ৰঙা সেন্দুৰেৰে তাইৰ শিৰ ৰাঙলী কৰা মনসপটৰ শ্রেষ্ঠ দেৱতুল্য নায়ক নিজ স্বামীৰ ছবি....। কিন্তু এয়া কি? তেওঁ কিয় পৰিধান কৰিছে এজোৰ বেৰঙীন বগা সাজ..! চঞ্চলা হৈ তাই ভগা চিঁচাটুকুৰা দলিয়াই পেলালে । আনটুকুৰা চিঁচাত এইবাৰ তাইৰ দৃষ্টি পৰিছে নিজৰ প্রতিচ্ছবিত, কিন্তু..... জৱাৰ শিৰ যে আজি উকা কিয়....! চাৰিওফালে বিয়পি পৰা কাঁচৰ অইন টুকুৰাবোৰত তাই দেখিছে দহন কৰা চিতাৰ জুইৰ পৰা নির্গত হোৱা ক'লা কলংকৰ ধোঁৱা.....! অবিশ্বাসৰ চাকনৈয়াত পুট গৈ লাহে লাহে সকলো অদৃশ্য হৈ পৰিছে তাইৰ। ঠিক সেই ক্ষণতে তাইৰ উকা শিৰৰ কাষত অনুভূত হৈছে দুখন কোমল ওঁঠৰ উষ্ম নিষ্পাপ চুম্বন। প্রত্যক্ষ কৰাৰ প্রচেষ্টাত চঁট কৰে

সাৰ পাই উঠিল জৱাৰ দুযোৰি নয়ন। তাইৰ চকু পৰিল তাইৰ গৰ্ভ শুৱনি কৰি স্বামী প্ৰৱাল আৰু জৱাৰ মৰমৰ শেষ পৰিচয়ৰূপে থিঁতাপী লোৱা সেই ভ্ৰূণকণ, এতিয়া সাত বছৰীয়া ইউনিফৰ্ম পৰিহিত পুত্ৰ ঋত্বিক। "পালাহি সোণ....." এনেদৰে জৱাই লগালে ঋত্বিকক মাতৃস্নেহৰ আকুল মাত।

বিছনাৰ পৰা উঠি জৱা ব্যস্ত হৈ পৰিল ঋত্বিকৰ বিদ্যালয়ৰ মৌখিক দিনপঞ্জীখনৰ আমেজ লৈ তাৰ সৈতে একেলগে দুপৰীয়াৰ আহাৰ খোৱাত। পাকঘৰৰ দুপৰীয়া পৰৰ নিত্য - নৈমিত্তিক কাম কাজ সামৰি আহি তাই বেদৰুমৰ লগতে সংলগ্ন ফুলনিমুখীয়া বাৰাণ্ডাখনতে বহি চুলি ফণীয়াবলৈ লাগিল। হঠাতে তাইৰ চকু পৰিল সমাজিকত দেখা ভাঙি যোৱা সেই কাঁচৰ উপহাৰটিৰ সুস্থ স্বৰূপ কাষৰ মেজখনিত,তাইৰ দুযোৰি নয়ন অকস্মাতে নিদ্ৰাৰ প্ৰেমত পৰিবলৈ সুচল কৰি দিয়া শিতানৰ গাৰুটোৰ কাষত আধামেলাকৈ পৰি থকা প্ৰৱালৰ কবিতাৰ পুথিখন "দিবাস্বপ্নৰ এটি কাঁচৰ পঁজা" (পুথিখনৰ নাম) যিয়ে অলপতে তাইক লৈ গৈছিল সপোনপুৰীলৈ আৰু লগতে তাইৰ চকু পৰিছিল আজিও তাইৰ পৱিত্ৰতা ৰক্ষাৰ প্ৰতিশ্ৰুতি পূৰণত নিয়োজিত তাইৰ স্বামীত্বৰ গৌৰৱেৰে প্ৰৌজ্জ্বল মাল্যাপিত ফটোৰ ফ্ৰেমটোত প্ৰৱালৰ প্ৰতিচ্ছবি.....।

কমলাবৰণীয়া কোমল ৰ'দৰ ৰাঙলী কিৰণ গ্ৰীলৰ বেৰিকেটৰ মাজেৰে আহি তাইৰ সাজযোৰত ঠেকা খাই সৃষ্টি কৰিছে এটি সংঘাতপূৰ্ণ প্ৰশ্ন -" বগা ৰং যদি শান্তিৰ প্ৰতীক...
তেনেহ'লে এই শুকুলা সাজযোৰত, ইমান অশান্তি খোদিত কিয়.....?"

জৱাৰ দুযোৰি নয়নেৰে নিগৰিত হোৱা আৰ্দ্ৰ আশ্ৰুধাৰাক সান্তনাৰ পৰাণ জুৰাই কাল সন্ধিয়া ঋত্বিকে মাতৃৰ মৌন ঝণাত্মিকতা ভংগ এনেদৰে কৰিছিল -" মা ব'লা....। প্ৰিতম খুৰাৰ ৰিচিপনলৈ নোযোৱা .....?" হঠাত জৱাৰ মনত পৰিল যে সেইদিনা প্ৰৱালৰ বন্ধু প্ৰিতম বৰুৱা আৰু অপৰাজিতা ভূঞাৰ খুবাউৰী। কাৰুণ্যৰ মেট মৰা বোজা কঢ়িয়াই অনুৰ্বৰা তাইৰ অতীতৰ মৰুভূমিত উদ্ভৱ হোৱা প্ৰত্যাশা আৰু অনুকম্পাৰ ভ্ৰমিত মৰীচিকাৰ মাজত যেন ঋত্বিকেই তাইৰ একমাত্ৰ আশাৰ ওৱাছিহ। " ব'লা উলাওঁগৈ ...." এনেদৰে তাই বাস্তৱলৈ ঘূৰি আহি তাক কাপোৰ পিন্ধাব'লৈ ধৰিলে। অন্যমনস্কতাৰে তাক কাপোৰ পিন্ধাই তাই মনে মনে ভাৱিছিল "হয়তো আজি দুটি মন একাত্ম হৈ সাঁজিব এটি নৱীন আশাৰ পঁজা! এয়াই চাগে অপৰাৰ বাবে হ'ব প্ৰিতমৰ মৰমসনা এটি কাঁচৰ উপহাৰ....। সেই অপৰা যেন কাহানিও নহওক পৰৱৰ্তী জৱা .....|||"

~ অভিনৱ ৰঞ্জন বৰা

এটা বলী মানুহ

এখন ৰাজ্যত এটা বৰ ডাঙৰ হাতী আৰু এটা বাঘ আছিল। সিহঁত দুয়োৰো উপদ্ৰৱত মানুহে ততমত এৰিছিল। বহুত যত্ন কৰিও ৰজাই সেই বাঘ আৰু হাতী মাৰিব নোৱাৰি গোটেই ৰাজ্যতে ঢোল পিটি শুনাই দিলে বোলে যেয়ে এই হাতী আৰু বাঘটো মাৰিব পাৰিব তাক বহুত পুৰস্কাৰ দিয়া হ'ব। এই কথা শুনি বহুত মানুহে বাঘ আৰু হাতী মাৰিবলৈ যত্ন কৰিবলৈ ধৰিলে কিন্তু মাৰিব নোৱাৰিলে। দৈবাত এদিন এটা মানুহে মনত দুখত বিহ খাই মৰোঁগৈ বুলি কিছুমান পিঠাগুড়িৰ লগত বিষ সানি লৈ সেই ৰাজ্যৰ ফালে যাওঁতে এজোপা গছৰ তলত সেই টোপোলাটো থৈ ওচৰৰে নৈ এখনত পানী খাবলৈ গৈছিল। সেই সময়ত দুষ্ট হাতীটোৱে আহি সেই পিঠাগুড়িবোৰ খাই পেলালে। যেতিয়াই বিহ-সনা পিঠাগুড়িবোৰ খালে তেতিয়াই গাত বিষ লাগি হাতীটো মৰি থাকিল। এই কথা ৰজাই খবৰ পাই হাতীটো কোনে মাৰিলে বুলি বিচাৰ কৰোৱাত সেই বিষ সনা মানুহটোক ৰজাৰ ওচৰলৈ লৈ যোৱা হ'ল। সি কেনেকৈ হাতীটো মাৰিলে বুলি তাক ৰজাই সুধিলত সি ক'লে, "মই হাতীটো একে ভুকুৰেই মাৰিলোঁ।"

ৰজাই বৰ সন্তোষ পাই তক অনেক ধন দি ক'লে, "মোৰ ৰাজ্যত আৰু এটা বৰ দুষ্ট বাঘ আছে, যদি তই সেই বাঘটোও মাৰিব পাৰ তেন্তে তোক মই আৰু বহু ধন দিম।" সি ক'লে বোলে, "স্বৰ্গদেউ, সেই বাঘটোও মই মাৰিব পাৰিম।" এইবুলি কোৱাত ৰজাই ক'লে, "তই পৰহিলৈ বাঘটো মাৰিব লাগিব।" মানুহটোৱে শলাগি শলাগি আহি তাৰ থকা ঠাই পাই চিন্তা কৰিবলৈ ধৰিলে। সি কেনেকৈ সেই বাঘটো মাৰিব পাৰে। যেতিয়া বাঘ মৰাৰ দিন পৰিলহি, সি কিছুমান ডোল আৰু এটা ঢেঁকীথোৰা লৈ ভয়-ভয়কৈ হাবিত সোমালগৈ। সেই হাবিত এজোপা ডাঙৰ গছ আছিল। সি গৈ সেই গছৰ ওপৰত উঠি "কে" "কে" "কে" "কে" বুলি মিছা-মিছিকৈ গান গাই আছে আৰু চৰাইবিলাকে এই গছজোপাৰ পাতে পাতে পৰি কোঢ়াল কৰি আছে। তাকে শুনি বাঘে সেই গছৰ ওচৰলৈ আহি মানুহটোক সুধিলে, "ককাই তই চৰাইবিলাকক কি শিকাইছ?" সেই মানুহটোৱে ক'লে বোলে "ভাই মই সিহঁতক গান শিকাইছোঁ।" তেতিয়া বঘে ক'লে, "ককাই, মোকো তেনেকুৱা গান শিকাব পাৰিবি জানো?" মানুহটোৱে ক'লে,"তই হৈছ বাঘ, মই হৈছোঁ নৰমনিচ, তই মোক খাবি নহয়?" তেতিয়া বাঘে ক'লে, "মই সইত সইত তিনি সইত খাই কৈছোঁ, মই তোক নাখাওঁ। তই মোক তেনেকুৱা গান শিকা।" বাঘৰ কথা শুনি মানুহটোৱে গছৰপৰা নামি আহি বাঘৰ ঠেং চাৰিখন গোটাই খুবমতে বান্ধি পেলাই ঢেঁকীথোৰাটোৰে তাক মাৰিবলৈ ধৰিলে। মাৰত তত্ নেপাই বাঘে ক'লে, "ককাই, মই আৰু গান নিশিকো, মোক এৰি দে।" মানুহটোৱে ক'লে, "ভালকৈ শিক, নিশিকিবি?" এইদৰে মাৰি থাকোঁতেই বাঘ মৰিল। সি সেই বাঘটো আনি ৰজাক দেখুৱাই দিলে। তেতিয়া ৰজাই বৰ ৰং মনেৰে তাক ক'লে বোলে,"আজি তোমাৰ সৈতে যুঁজিবলৈ এটা বলী মানুহ আনি দিম, তুমি সেই মানুহটোক জিকিব পাৰা যদি তোমাক আৰু ধন-বস্তু দিম।" এইবুলি কৈ এটা বলী মানুহ আনি ৰাতি তাৰ লগত ৰজাই শুৱাই থ'লে। ৰাতি মানুহটোৱে বলী মানুহটোক ক'লে বোলে,"ভাই মই একোটা ভুকুতে এটা হাতী মাৰিছোঁ আৰু এটা ডাঙৰ বাঘ মাৰিছোঁ, তই মোৰ লগত কেনেকৈ যুঁজ কৰিবি?

তই এতিয়া ভৰ বয়সত মোৰ লগত যুঁজি মৰিবলৈ আহিছনে?" এইবুলি কোৱাত সেই মানুহটো ভয়ত ৰাতিয়েই পলাই গ'ল। পিছে পুৱা ৰজাৰ বলী মানুহটো ৰজাই বিচাৰি নাপাই বাঘ মৰা বলী মানুহটোক বহুত ধন-বস্তু দি বিদায় দিলে আৰু তেতিয়াৰ পৰা হাতী আৰু বাঘৰ উপদৰ গুচি নিৰাপদে ৰাজ্য চলাবলৈ ধৰিলে।

কঁঠালে পেলাই মুচি,
মই আহিলো গুচি।

~ মধুস্মীতা বৰা
(সংগৃহীত - বুঢ়ী আইৰ সাধু)

বাঘ আৰু কেঁকোৰা

অতি পুৰণি কালত এঠাইত এটা বাঘ আছিল। সি চোং সলাই আন এখন চোঙলৈ যাওঁতেই এটা কেঁকোৰাৰ সৈতে তাৰ দেখা-শুনা হ'ল। কেঁকোৰাটোৱে বাঘক দেখি মিচিকিয়া হাঁহি মাৰি মাত লগালে, "ককাই ক'লৈ যোৱা?" বাঘে কেঁকোৰাৰ হাঁহিমুখ দেখি ভাল পাই উত্তৰ দিলে, "মই চোং সলাই আন এখন হাবিলৈ যাওঁ। তুমিনো ক'লৈ যোৱা?" কেঁকোৰাই ক'লে, "মই কলৈকো নাযাওঁ, মোৰ ওচৰতে ঘৰ। মই অকলশৰীয়া জীৱ। মোৰ আগলৈকো চাবলৈ নাই, পিছলৈকে চাবলৈ নাই। বাঘেও ক'লে, "মোৰো সেয়ে কথা, ময়ো অকলশৰীয়া নিৰাশৰ পৰাণী; মোৰো কেও কিছু নাই।" এইদৰে দুয়ো আলাপ কৰি দুয়ো দুয়োৰো ওচৰত ইমান সন্তুষ্ট হ'ল যে শেষত দুয়ো সখি পতাই সেই হাবিতে ওচৰা-ওচৰিকৈ কৰি থাকিল।

এইদৰে কিছুদিন দুয়ো মিলাপৰীতিৰে আছিল। বাঘে পহু মাৰি আনে, দুয়ো ভগাই মহাসুখেৰে খাই-মেলি থাকে। কেঁকোৰা বাঘৰ সহিয়েক দেখি আন হিংসুক জন্তুৱেও কেঁকোৰাৰ কোনো অপকাৰ কৰিবলৈ সাহ নকৰে। এদিন কেঁকোৰাই বাঘক ক'লে, "সখি মঙহ খাই আৰু আমুৰালে, তোমাৰ আগত সঁচা কথা ক'বলৈ কি, মঙহ খাই মই লাহে লাহে পেটৰুগীয়া হৈছোগৈ। এতেকে আমি মাজে মাজে নিৰামহীয়া খাবৰো দিহা কৰিলে কেনে হয়? আমি খেতি কৰোঁ আহা?" বাঘে উত্তৰ দিলে, "খেতি কৰাটোনো কি টান কথা? তুমি ভাল দেখা যদি কৰোঁহক আহা।" এইবুলি বাঘে কেঁকোৰাৰ কথাত হয় দিলত কেঁকোৰাই ক'লে, "তেন্তে সখি তুমি গাঁৱলৈ গৈ ধানৰ পথাৰৰ পৰা কিছুমান কঠীয়া তুলি লৈ আহা। মই হাবিৰ মাজৰ এই মাটিডোখৰকে চহাওঁ।" এইবুলি দুয়ো আলচ কৰি, কেঁকোৰাই মাটি খানিবলৈ লাগিল আৰু বাঘে লোকৰ পথাৰৰ পৰা মাণিকীমধুৰি ধানৰ কঠীয়া চুৰকৈ আনি সেই মাটিত বুবলৈ ধৰিলে।

কিছুমান দিনৰ ভিতৰতে সিহঁতৰ ধানে থোক মেলিলে। ধান দেখি সন্তোষ পাই কেঁকোৰাই বাঘক মাত লগালে, "ধান জানিবা অৰ্জিলো, কিন্তু তাৰ সাৰথি পাচলি নহ'লে কি হ'ব? শুদা ভাত খামইক নেকেকৈ? এতেকে আমি শাক-পাচলিও আৰ্জিব লগা হ'ল। তুমি গাঁৱৰ পৰা লাই, লফা, চুকা, পালেং, মেমেধু, বাবৰিৰ পুলি কিছুমান লৈ আহাগৈ। বে-এনাৰ পুলি গোটাচেৰেকো আনিবলৈ নাপাহৰিবা। মই শাকনিবাৰীৰ মাটি চহাওঁ।" এইবুলি বাঘক শাক-পুলি আনিবলৈ পাচি দি কেঁকোৰাই মাটি খান্দিবলৈ লাগিল। বাঘ দুখোজমান যোৱাৰ পিছতে কেঁকোৰাই আকৌ ৰিঙিয়াই মাত লগালে, "সখি মই ক'বলৈ পাহৰিছিলোঁ, জলকীয়াৰ পুলি গোটাচেৰেকো আনিবা, টেঙা দিয়া শাকৰ আঞ্জাৰে ভাত খাবলৈ জলকীয়া নহ'লে জুতি নালাগিব" বাবে "হু" বুলি আনিবলৈ গাত লৈ দীঘলকৈ দীঘল জাঁপ মাৰি গাঁৱৰফালে যাবলৈ ধৰিলে।

এইদৰে খেতি-বাতি কৰি দুয়ো বহি আছে। লাহে লহে আঘোণ মাহ পালেহি। ধান পকিবলৈ আৰম্ভ হৈছে,

দাবৰ আয়োজন কৰি কেঁকোৰাই বাঘক সুধিলে, "সখি মই আগ নিম।" এইবুলি কেঁকোৰাই ধানৰ আগ অর্থাত্ গুটি নিলে আৰু বাঘে গুৰি অর্থাত্ নৰা নিলে। তাৰ পিছত বেঙেনা ছিঙিবৰ হ'ল। বাঘে কেঁকোৰাক সুধিলে, "সখি তুমি গুটি নিবা নে গছ নিবা?" কেঁকোৰাই গুটি নিম বুলি বেঙেনাৰ গুটি নিল, বাঘে গছ নিলে। এইদৰে খেতি সামৰি আঁতাই এদিন বাঘে নখোৱা পাতি কেঁকোৰাক নিমন্তর্ণ কৰিলে। ইপিনে বাহে ধানৰ গুৰি ৰান্ধিছে, বেঙেনা গছৰ শাক ৰান্ধিছে, ৰান্ধি কেঁকোৰাক খাবলৈ দিলে। কেঁকোৰাই সেইবোৰ কি খাব, অলপ ছুই গুচি আহিল। সি যি হওক, ইয়াৰ পিছতো কেঁকোৰাই সদায় তিনি তেলনি মাৰি বাঘৰ ঘৰত মঙহৰ আঞ্জাৰে ভাত খায়, কিন্তু এদিনো বাঘক তাৰ নিজৰ ঘৰলৈ খাবলৈ নামাতে। বাঘে এই কথা টং কৰি এদিন কেঁকোৰাক ক'লে, "সখি, তুমি এদিনো মোক তোমাৰ ঘৰত খাবলৈ মতা নাই। এদিন ন-খোৱা পাতি মোক মাতা, তোমাৰ ঘৰতনো কেনে ৰন্ধা-বঢ়া হয়, মোৰ খাই চাবৰ মন গৈছে।" কেঁকোৰাই উত্তৰ দিলে, "সখি তোমাক মোৰ ঘৰত খাবলৈ কিয় নামাতিম? মই ন-খোৱা পাতি তোমাক মাতিম মাতিম বুলি সদায় পাঙিয়েই আছোঁ, কিন্তু মোৰ ঘৰত ঠাই সঙ্কীর্ণ, তোমাক ক'ত বহুৱাম, ক'ত খুৱাম বুলিহে থেৰোগেৰোকৈ আছোঁ, সেইদেখি সেই কাম হৈ উঠা নাই। যি হওক, তুমি আহুকাল নাপালে কাইলৈ ৰাতিপুৱাৰ সাজ ভাতকে মোৰ ঘৰত খাবাগৈ। কি বোলা সখি? ন-খোৱা নামতহে। দুখীয়াৰ ঘৰত কাইলৈ ভৰিৰ ধূলি পেলাই শাকে-খাবে এগাল খাই আহিবাগৈ মাথোন।" বাঘে উত্তৰ দিলে, "নিশ্চয়, কাইলৈ তোমাৰ ঘৰত ন-খাবলৈ যাম।

পিছদিনা পুৱা কেঁকোৰাই ন-খোৱা পাতি মাণিকী-মধুৰি জহা-চাউলৰ ভাত ৰান্ধিলে, বেঙেনাৰ খাৰ ৰান্ধিলে। বাঘে কেঁকোৰাৰ ঘৰত ন-খাবলৈ আহিল। কেঁকোৰাই বাঘক ক'লে, "সখি, তুমি মোৰ গাঁতৰ ওচৰতে বহা, মই ভাত আঞ্জা উলিয়াই দি থাকো, তুমি খাই থাকা; তুমিতো আৰু মোৰ গাঁতৰ ভিতৰলৈ সোমাব নোৱাৰা। এইবুলি কেঁকোৰাই ভাত-আঞ্জা গাঁতৰ মুখলৈ উলিয়াই দিবলৈ ধৰিলে, আৰু বাঘে সলৌপ-সলৌপ কৰে খাবলৈ ধৰিলে। কেঁকোৰাৰ ভাতৰ চৰু সৰু, ভাত যি ৰন্ধা হৈছিল তাক দুমোকোৰাতে বাঘে ওৰ পেলালে, গতিকে কেঁকোৰাৰ ভয় হ'ল-সি ভাবিলে, বাঘৰ আশয় পাবলৈ নাই। খাবলৈ বহি তাৰ পেট নভৰিলে, মোৰ পর্তি তাৰ বন্ধুতা-কন্ধুতা সোপাই ক'ৰবালৈ যাব আৰু তাৰ খং উঠি সি মোক খাই পেলাব। এতেকে এটা বুদ্ধি কৰি ইয়াৰ হাতৰ পৰা সাৰিব লাগিব। ইয়াকে মনত পাঙি সি বাঘক ক'লে, "সখি বাৰে বাৰে মই তোমালৈ ভাত কঢ়িয়াই মোৰ কঁকালৰ বিষে ধৰিছে, আৰু উঠিবই নোৱাৰো। তুমি তোমাৰ নেজডাল মোৰ গাঁতৰ ভিতৰলৈ সুমুৱাই দিয়া, তাতে মই ভাত-আঞ্জা বাটিয়ে বাটিয় বান্ধি দিওঁ, তুমি নি নি খাই থাকা।" কেঁকোৰাৰ টেঙৰালি কথাৰ আচল মানে বুজিব নোৱাৰি বাঘে তাৰ নেজডাল গাঁতত সুমুৱাই দিলতে, কেঁকোৰাই ভিতৰৰ পৰা সেইডাল চেপি ধৰিলে। বাঘে দুখ পাই টানেহে টানে,নেজডাল নোলায়, আৰু তাত কেঁকোৰাৰ চেপা টানহে হয়। বাঘে যন্তর্ণাত ততমত এৰি চিঞৰত গগন ফালিবলৈ ধৰিলে, তথাপি কেঁকোৰাই এৰি নিদিয়ে। দৈবযোগত তেতিয়া ওচৰতে বাঁৰী-কোঁৱৰ এটাই পথাৰত মাটি কুৰি আছিল। সি বাঘৰ চিঞৰ শুনি মাটি কুৰিবলৈ এই কোৰ লৈ পলাবলৈ ধৰোঁতে বাঘে দূৰৰ পৰা তাক দেখি চিঞৰি কান্দি-কাটি কাকৃতি কৰি ক'লে, "হে ককাই, এইপিনে আহা, মই মৰিলো, কেঁকোৰাৰ চেপাৰ তাপত মোৰ প্রাণ যায়। মোৰ নেজডাল এৰুৱাই দিয়াহি ঐ।" বাঁৰী-কোঁৱৰে উত্তৰ দিলে, "মই নোৱাৰো বুজিছনে? তই বাঘ, তোৰ বিশ্বাস নাই, এৰুৱাই দিলেই তই মোক

খাই পেলাবি।' বাঘে ক'লে, "হে দেউতা আহা ঐ। মই সইত সইত সইত তিনি সইত খাই কৈছোঁ, তোমাক নেখাওঁ। মোক এৰুৱাই দিয়া মোৰ দেউতা। তুমি যদি মোক এই বিপদৰ পৰা উদ্ধাৰ কৰা তেনেহ'লে মই শপত খাই কৈছোঁ দিনৌ তোমাক একোটাকৈ পহু মাৰি আনি দিম।" এই কথা শুনি বাঁৰী-কোঁৱৰে বাঘৰ কথা পতিয়াই ওচৰ চাপি আহি কোৰখনেৰে চাব মাৰি দি বাঘৰ নিজডাল কাটি দিলত বাঘ ৰক্ষা পৰিল। বাঘে সেইখিনিৰ পৰা গুচি যাবৰ সময়ত বাঁৰী-কোঁৱৰক কাণে কাণে কৈ গ'ল, "তোমাক মই মোৰ কথামতে দিনৌ পহু একোটা দিম হয়, তুমি কিন্তু সেই কথা কাৰো আগত ক'ব নোৱাৰা, ক'লেই তুমি য'তে থাকা, তাৰেপৰাই মই ততালিকে তোমাক লৈ গুচি যামহি।"

বাঘৰ উপকাৰ কৰাৰ বাবে ইয়াৰ পিছৰপৰা বাঁৰী-কোঁৱৰে বাঘৰ পৰা দিনৌ একোটা পহু পাবলৈ ধৰিলে। এইদৰে ভালেমান দিন গ'ল। এদিন বাঁৰী-কোঁৱৰৰ অলপ গা-বেয়া হোৱা বাবে মাকে মঙ্গলতী বুঢ়ী এজনী মাতি আনি মঙ্গল চোৱালে। বুঢ়ীয়ে মঙ্গল চাই ক'লে যে কিছুমান জ্ঞাতি ভকতক পহুৰে ভোজ এটা খুৱালে বাঁৰী-কোঁৱৰৰ গা ভাল হ'ব। এই কথা শুনি বাঁৰীয়ে পুতেকক ক'লত পুতেকে বাঘক ভোজলৈ দুটা পহু আনি দিবলৈ ক'লে। বাঘে ভোজৰ দিনা দুটা পহু মাৰি আনি বাঁৰী-কোঁৱৰক দি গ'ল।ভোজৰ দিনা সকলো জ্ঞাতি কুটুমে বাঁৰী-কোঁৱৰৰ ঘৰত খাবলৈ বহিছে, এনেতে এখন পাত কম পৰাত এজনে কলপাত এখন কাটি আনিবৰ মনেৰে বাৰীৰ পাছফাললৈ গৈ দেখিলে কিহবাৰ হাড়ে তাত পর্বতাকাৰ হৈ আছে। মানুহটোৱে হাড়বোৰ দেখি বিচুতি খাই পাত নাকাটি উভতি গুচি আহি সকলোকে ক'লে, "ৰাইজসকল, আমি ইয়াৰ ঘৰত ভোজ খাব নোৱাৰো, ই কিবা খায়। আপোনাসকলে আহি চাওকচোন। ই ইমানবোৰ হাড় দ'মাই থ'বলৈ ক'ত পালে?" এইবুলি ক'লত, সকলো ভোজৰ ভাতৰ পৰা হাত দাঙি উঠি আহি দেখিলে কথা সঁচা। তেতিয়া সকলোৱে বাঁৰী-কোঁৱৰক সুধিলে, "এইবোৰ কিহৰ হাড়-মূৰ ক? নহ'লে আমি তোৰ ঘৰত ভোজ খাব নোৱাৰো।" বাঁৰী-কোঁৱৰে ক'লে, "খাব পোৱা জন্তৰ বাহিৰে আন একোৰে হাড়-মূৰ নহয়। আপোনাসকলৰ আগত ক'ব নোৱাৰো; কাৰণ ক'লেই মোক বাঘে লৈ গুচি যাবহি। সেইবাবে আপোনাসকলে খুকুৰি নাৰাখি মোক ক্ষমা কৰি ভোজ-ভাত খাওক।" ৰাইজে তাৰ কথা শুনি নপতিয়াই তাক ক'লে, "আমি সকলোৱে যাঠি-জোং লৈ তোক বেঢ়ি থাকোঁ, তই ক; নহ'লে আমি নাখাওঁ।" ৰাইজৰ কথা শুনি বাঁৰী-কোঁৱৰে নিৰুপায় হৈ সকলোৰে মাজত আঁঠু লৈ কথাটো ক'বলৈ ধৰিলে। সকলোৱে যাঠি জোং লৈ তাক বেঢ়ি ৰ'ল। যেই কথাটো শেষ হ'ল বিশ্বাশৱদে ক'ৰবাৰ পৰা বাঘটো আহি মানুহৰ মাজৰ পৰা তাক থাপ মাৰি ধৰি লৈ গুচি গ'ল। ভোজ খাবলৈ অহা ৰাইজে অলপমান বেলি ভেবালাগি তাৰ পিছত ইফালে-সিফালে তাক নাপাই ঘৰাঘৰি গুচি গ'ল।

বাঁৰী-কোঁৱৰে বাঘৰ হাতৰ পৰা এৰাই লাহে লাহে গৈ এখন নৈৰ পাৰত এজোপা গছৰ তল পালেগৈ। সি দেখিলে, গছজোপাৰ তলতে বনৰীয়া ম'হৰ খুঁটি। ম'হবোৰ তেতিয়া তাত নাছিল দেখি কোঁৱৰে লৰালৰিকৈ তাত পৰি থকা গাখীৰৰ ফেনবোৰ খাই খুঁটিখন ভালকৈ সাৰি-মচি চাফ-চিকুণ কৰি থৈ ওচৰৰ গছজোপাত উঠি থাকিল। আটাইবোৰ ম'হ চৰি গধূলি উভতি আহি, সিহঁতৰ খুঁটি সেইদিনা আঁতাই পিতাই থোৱা দেখি আচৰিত হ'ল। সিহঁতে চাৰিওফালে চাই একো নেদেখি নিজৰ ভিতৰতে কথা কোৱা-মেলা কৰি শুই থাকিল। পিছদিনা ৰাতিপুৱা আকৌ যেতিয়া ম'হবোৰ চৰিবলৈ গ'ল, বাঁৰী-কোঁৱৰে গছৰ পৰা

নামি আহিল। ম'হ-পোৱালিয়ে পিওঁতে সিহঁতৰ মুখৰপৰা গাখীৰৰ যিবোৰ ফেন মাটিত পৰি আছিল সেইবোৰ সি খাই, আগৰ দিনাৰ দৰে খুঁটিখন ভালকৈ সাৰি গোবৰবোৰ পেলাই চাফ-চিকণ কৰি গছৰ ওপৰত উঠি থাকিল। সেইদিনাও গধূলি ম'হবোৰ উভতি আহি খুঁটিখন চাফ-চিকণ দেখি আচৰিত হ'ল আৰু কোনে এই কাম কৰে তাক ধৰিবৰ মনেৰে আলচ কৰি পিছদিনা বুঢ়া ম'হ এটাক ৰখীয়া পাতি থৈ চৰিবলৈ গ'ল। যাবৰ সময়ত সিইতে বুঢ়া ম'হক কৈ গ'ল যে, "তই ভালকৈ চাই থাকিবি, কোনে আহি আমাৰ খুঁটিখন আঁতাই যায়হি, আমি তোলৈ ঘাঁহ-পানী লৈ আনিম।" কিন্তু দুপৰীয়া ৰ'দত বুঢ়া ম'হটোৰ টোপনি আহিলত, ম'হটোৰ টোপনি অহা দেখি বাঁৰী-কোঁৱৰে সাউতকৰে গছৰ ডালৰ পৰা নামি আহি আগৰদৰে ফেনবোৰ খাই খুঁটিখন আঁতাই গছৰ ওপৰত উঠি থাকিল। বুঢ়া ম'হে গমকে নাপালে। ইপিনে বাঘে বাঁৰী-কোঁৱৰক নি এখন গেজেপনি হাবিত সোমালেগৈ। কোঁৱৰৰ কিবা ভাগ্য ভাল আছিল, এনে সময়তে ভোকত তাৰ পেটে কোকোৰাবলৈ ধৰিলে। বাঘে কোকোৰৈ শুনি কোঁৱাক সুধিলে, "তোৰ পেতত কিহে কোকোৰাইছে অ'?" কথাষাৰ শুনি বাঁৰী-কোঁৱৰৰ খপকৰে বুধি ওলাল। সি উত্তৰ দিলে, "আয়ে সৰুতে মোক ছকুৰি কেঁকোৰা খুৱাইছিল, তাৰে তিনিকুৰি আগেয়ে ওলাল, তিনিকুৰি বাকী আছিল। এতিয়া সেই তিনি-কুৰিয়েই ওলাব খুজিছে।" বাঘে কেঁকোৰাৰ নাম শুনিয়েই ভাবিলে-"সর্বনাশ। এটা কেঁকোৰাই মোক চৈধ্য ভুৱন দেখুৱাই থৈছে। এতিয়া যদি তিনিকুৰি কেঁকোৰা ওলাব লাগিল, তেনেহ'লে আমাৰ ফালে হৈছে আৰু।" বাঘে ইয়াকে ভাবে বাঁৰী-কোঁৱৰক তাতে এৰি থৈ লৰি পলাই গুচি গ'ল।

ম'হ-পোৱালিয়ে পিওঁতে সিহঁতৰ মুখৰপৰা গাখীৰৰ যিবোৰ ফেন মাটিত পৰি আছিল সেইবোৰ সি খাই, আগৰ দিনাৰ দৰে খুঁটিখন ভালকৈ সাৰি গোবৰবোৰ পেলাই চাফ-চিকণ কৰি গছৰ ওপৰত উঠি থাকিল। সেইদিনাও গধূলি ম'হবোৰ উভতি আহি খুঁটিখন চাফ-চিকণ দেখি আচৰিত হ'ল আৰু কোনে এই কাম কৰে তাক ধৰিবৰ মনেৰে আলচ কৰি পিছদিনা বুঢ়া ম'হ এটাক ৰখীয়া পাতি থৈ চৰিবলৈ গ'ল। যাবৰ সময়ত সিইতে বুঢ়া ম'হক কৈ গ'ল যে, "তই ভালকৈ চাই থাকিবি, কোনে আহি আমাৰ খুঁটিখন আঁতাই যায়হি, আমি তোলৈ ঘাঁহ-পানী লৈ আনিম।" কিন্তু দুপৰীয়া ৰ'দত বুঢ়া ম'হটোৰ টোপনি আহিলত, ম'হটোৰ টোপনি অহা দেখি বাঁৰী-কোঁৱৰে সাউতকৰে গছৰ ডালৰ পৰা নামি আহি আগৰদৰে ফেনবোৰ খাই খুঁটিখন আঁতাই গছৰ ওপৰত উঠি থাকিল। বুঢ়া ম'হে গমকে নাপালে। গধূলি ম'হবোৰ আহি বুঢ়াক কি দেখিলে বুলি সুধিলত বুঢ়াই ক'লে, " মই একো নেদেখিলো।" সিহঁতে বুঢ়াৰ পৰা একো কাম নহয় জানিপিছদিনা কাণী ম'হ এজনীক ৰখীয়া পাতি থৈ গ'ল। কাণীয়ে ভাল চকুটো তলফালে আৰু কণা চকুটো ওপৰফালে কৰি শুই থাকোঁতেই সেইদিনাও বাঁৰী-কোঁৱৰে আগৰ দৰে সকলো কাম কৰি গছত উঠি ৰ'ল, কাণীয়ে একো নেদেখিলে।

গধূলি ম'হজাকে আহি কাণীক বতৰা সোধাত কাণীয়ে "একো নেদেখিলো" বুলি ক'লত সিহঁতে বুজিব পাৰিলে যে কাণীয়ে কণা চকুটো ওপৰফালে দি শুই থকা বাবেহে একো নেদেখিলে। এইবাৰ সিহঁতে ঘাই ম'হজনীকে ৰখীয়া পাতি থৈ যাবলৈ ঠিক কৰি পিছদিনা তাকে কৰিলে। কিন্তু সেইদিনাও ঘাই ম'হজনীৰ চিলমিলকৈ অলপ টোপনি অহা দেখি বাঁৰী-কোঁৱৰে নামি আহি ফেন খাই খুঁটি আঁতাই লৰালৰিকৈ গছত

উঠোতেই ম'হজনীৰ টোপনি ভাগিলত, তাই তাক দেখি লৰ মাৰি আহি সুধিলে, "তই দেৱতা নে মানুহ কোন ক? আৰু দেৱতাই হ বা মানুহেই হ নামি আহ।" বাঁৰী-কোঁৱৰে ক'লে, "মই দেৱতা নহওঁ, মানুহহে; মই নামি যাব নোৱাৰোঁ। গ'লেই তই মোক খুঁচি মাৰিবি" বুলি ক'লে।ম'হজনীয়ে ক'লে, "নোখোঁচো নামি আহ।" কোঁৱৰে ক'লে, "নহয় তই খুচিবি।" ইয়াৰ পিছত ম'হজনীয়ে তিনি সৈত খাই নোখোঁচো বুলি ক'লত বাঁৰী-কোঁৱৰে গছৰ পৰা নামি আহি আগৰ পৰা গুৰিলৈকে তাৰ সকলো কথা ম'হজনীক ক'লে। তাৰ কথা শুনি ম'হজনীৰ তালৈ মৰম লাগিল। তাই তাক ক'লে যে, "তুমি আজিৰ পৰা ইয়াতে নির্ভয়ে থাকা, তোমাক আমি আমাৰ গৰাকী পাতিলো আৰু তুমি গাখীৰ খাবলৈ সুকীয়াকৈ আমি তোমাক এজনী ম'হ দিম।" গধূলি আনবিলাক ম'হ আহিলত ঘাই ম'হজনীয়ে সকলোবিলাক কথা সিহঁতক ক'লত সিহঁতে ৰং পালে আৰু বাঁৰী-কোঁৱৰক নিজৰ গৰাকী বুলি মানি ল'লে। ইয়াৰ পিছত সিহঁতে কাণী ম'হজনী মাৰি তাইৰ শিং দুটা বাঁৰী-কোঁৱৰক দি ক'লে, "এই শিং দুটাৰ এটা খংশিঙা, এটা বংশিঙা। আমি চৰিবলৈ গ'লে তুমি যদি ৰংশিঙাটো বজোৱা শুনো তেন্তে তুমি ভালে আছা বুলি জানি আমিও ৰঙেৰে চৰি ঘাঁহ খাই ফুৰিম। আৰু যদি তোমাৰ কোনো বিপদ ঘটে তেন্তে তুমি যদি খংশিঙাটো বজোৱা, তেতিয়া আমি তোমাক ৰাখিবলৈ লৰি তোমাৰ ওচৰ ওলামহি। তুমি আমাৰ খুঁটিখন যেনেকৈ আঁতাইছিলা সেইদৰে সদায় অঁতাই থাকিবা।”

এইদৰে ভালেমান দিন গ'ল। এদিন বাঁৰী-কোঁৱৰে ডালত বহি মূৰ আঁচৰোতে দৈবাত্ তেওঁৰ দীঘল চুলি এডাল ছিগি নৈত পৰিল। সেই চুলিডাল এটা ৰাঘবৰালিয়ে খালে। এদিন এটা ডোমে জাল বাওঁতে সেই ৰাঘবৰালিটো তাৰ জালত পৰিলত, মাছটো ডাঙৰ আৰু তেলাল দেখি ডোমে তাক লৈ গৈ ৰজাক ভেটিলে। ৰজাৰ এজনী দীপ-লিপ্ কন্যা আছিল। লিগিৰীইতে মাছটো বাছোঁতে কন্যাজনী আগতে থিয় দি আছিল। বৰালিৰ পেটৰ পৰা ইমান দীঘল চুলি এডাল ওলোৱা দেখি কন্যাজনীয়ে সেই চুলিডাল যাৰ মূৰৰ তেওঁক মনে মনে স্বামী বৰি, সেইডাল লৈ এটা টেমাৰ ভিতৰত সুমুৱাই থৈ ৰোষঘৰত সোমাল। কিয় জীয়ক ৰোষঘৰত সোমাল এই কথা ৰজাই সোধাত জীয়েক ক'লে যে যদি এই চুলিডালৰ গিৰিহঁতক আনি তেওঁৰ সৈতে বিয়া দিয়ে তেহে তেওঁ ৰোষঘৰৰ পৰা ওলাব নতুবা তেওঁ ভাত-পানী নাখাই মৰি যাব। ৰজাই এই কথা শুনি বিচুৰ্তি হ'ল-ক'ৰ মানুহে মূৰ চুৰি নৈত চুলি পেলালে, ক'ৰ মাছৰ পেটত সেই চুলি ওলাল, এতিয়া তেওঁ তাক ক'ত বিচাৰি পায়? নহ'লেও সিফালে ৰাজকন্যা মৰে। ৰজা বিমোৰত পৰি মূৰ ঘমাই বহি আছে।

ৰাজকন্যাই এটা ঢোৰাকাউৰী পুহিছিল। সি ৰজাৰ দুখ দেখি ওচৰ চাপি আহি ক'লে, "স্বৰ্গদেউ, আপুনি একো চিন্তা নকৰিব, মই সেই চুলিৰ গৰাকীক উলিয়াই দিম। আপুনি মোক মাথোন এটা পকা আম দিয়ক।” ৰজাই ঢোৰাকাউৰীৰ কথা শুনি অলপ উশাহ পাই লৰালৰিকৈ এটা পকা আম বিচৰাই অনাই ঢোৰাকাউৰীক দিলে। কাউৰীয়ে সেই পকা আমটো লৈ বঁৰী-কোঁৱৰ থকা হাবিলৈ উৰি গৈ কোঁৱৰৰ ওচৰ পাই মাত লগালে, "বংশিঙা খংশিঙা কোনে বায়? পকা আমটি কোনে খায়?" পকা আমৰ নাম শুনিয়েই বাঁৰী-কোঁৱৰৰ লোভ লাগিল। তেওঁ উত্তৰ দিলে, "বংশিঙা খংশিঙা ময়ে বাওঁ। পকা আমটি পালে ময়ে খাওঁ।" এইবুলি কোঁৱৰে ক'লত কাউৰীটোৱে বঁৰী-কোঁৱৰক পকা আমটি দিলে আৰু কোঁৱৰে আমটো

ল'বলৈ হাত মেলোতেই সি টস্কৰে খংশিঙাটো লৈ গুচি গ'ল। মানুহে কথাতে কয় বোলে "কাউৰী টেঙৰ আৰু মাউৰী টেঙৰ।" সি কোঁৱৰক কেনেকৈ ঠগিলে দেখিলা। কোঁৱৰৰ হাতৰ পৰা খংশিঙাটি লৈ গুচি গ'লত, "বাপুৰ চিলিম ছিগিল।" ইয়াৰ পিছত বাঁৰী-কোঁৱৰে ৰংশিঙাটো বজায়হে বজায়, ম'হবোৰে ৰংশিঙাৰ মাত শুনি ৰং পাই ঘূৰি ঘূৰি চৰি ফুৰিবলৈহে লাগিল। ইপিনে টোৰাকাউৰীয়ে ৰজাক খংশিঙাটো দি ক'লে বোলে "এই শিঙাৰ গিৰিহিহত চুলিৰ গৰাকী। আপুনি মোৰ লগত টেকেলা-বেঙেনা গোটাচেৰেক দিয়ক, মই তাক দেখুৱাই দিওঁগৈ।" কাউৰীৰ কথা শুনি ৰজাই গোটাচেৰেক টেকেলা তাৰ লগত দি তাক পঠিয়াই দিলে।

বাঁৰী-কোঁৱৰক এতিয়া সহজে ধৰি আনিব পৰা হ'ল, কাৰণ খংশিঙাটো লৈ তাৰ বল গ'ল।বাঁৰী-কোঁৱৰক ৰজাৰ টেকেলাই ধৰি আনি ৰজাৰ আগত দিলেহি। কোঁৱৰক টেকেলাই ধৰি লৈ যাওঁতে সি বাটে বাটে নিজৰ গাৰ কাপোৰখনৰ এডোখৰ এডোখৰকৈ ফালি পেলাই গৈছিল। ম'হবোৰে গধূলি খুঁটিলৈ আহি বাঁৰী-কোঁৱৰক নেদেখি কোঁৱৰৰ কিবা বিপদ ঘটিল ভাবি কোঁৱৰে ফালি পেলাই যোৱা সেই কানি-কাপোৰবোৰৰ চিন ধৰি ধৰি বিচাৰি গৈ ৰজাৰ ঘৰ ওলালগৈ। অৰ্জাই ম'হজাক অহা দেখি ভয় খোৱাত বাঁৰী-কোঁৱৰে সেইজাক তাৰ ম'হ বুলি ক'লে। ম'হজাকেও কোঁৱৰক দেখি আনন্দত নাচিবলৈ ধৰিলে। ৰজাই কোঁৱৰক ক'লে, "যদি তোমাৰহে ম'হ তেন্তে তুমি সিহঁতৰ কাণে কাণে বগাই ফুৰিব পাৰিবানে?" কোঁৱৰে পাৰিম বুলি কৈ ম'হবোৰৰ কাণে কাণে বগাই ফুৰি দেখুৱালত ৰজাই কথাটোৰ পৰ্মাণ পাই সন্তোষিত হৈ বাঁৰী-কোঁৱৰৰে সৈতে নিজৰ জীয়েকক বিয়া দি জোঁৱায়েকক উঠিৰজা পাতি নিজে বহিৰজা হৈ ৰ'ল। আমাৰ কাপোৰ-কানি ক'লা হ'ল, গুচি আহিলো।

~ লিজা ভোটাই বৰা
(সংগৃহীত - বুঢ়ী আইৰ সাধু)

অন্যান্য সংগ্ৰহ

ভাৰতৰ স্বাধীনতাৰ ৭৯ তম বৰ্ষ

("মনন ২০২৫-২৬"ৰ আগষ্ট মাহৰ শ্ৰেষ্ঠ লিখনি)

আমাৰ দেশ ভাৰতবৰ্ষই যোৱা ইংৰাজী ১৫ আগষ্ট, ২০২৫ তাৰিখে স্বাধীনতাৰ ৭৮ বছৰ অতিক্ৰম কৰি ৭৯ বছৰত ভৰি দিলে। স্বাধীনতাৰ দিনটো কেৱল এখন ৰাষ্ট্ৰৰ মুক্তিৰ দিন নহয়, ই লাখ লাখ বীৰ-বীৰাঙ্গনাৰ ত্যাগ, বলিদান, আৰু আত্মপ্ৰত্যাৰ্পণৰ ফল। স্বাধীনতাৰ ৭৮ বছৰ পিছত, দেশৰ অগ্ৰগতি, দায়িত্ব আৰু ভবিষ্যতৰ পথ আগবঢ়াবলৈ স্বাধীনতা দিৱস অতি গুৰুত্বপূৰ্ণ।

ইতিহাসৰ পৃষ্ঠাত স্বাধীনতা সংগ্ৰাম :

ভাৰতীয় স্বাধীনতা সংগ্ৰাম এটা দীৰ্ঘ, কঠোৰ আৰু বহু পৰ্যায়ৰ সংঘাতৰ ফল। মহাত্মা গান্ধীৰ অহিংস নীতিত সংগঠিত হোৱা অসহযোগ আন্দোলন, সত্যাগ্ৰহ আন্দোলন, ভাৰত ত্যাগ আন্দোলন' ইত্যাদিয়ে ইংৰাজ চৰকাৰক দিশহাৰা কৰিছিল। লাখ লাখ মানুহে এই আন্দোলনত অংশগ্ৰহণ কৰিছিল – কৃষক, শ্ৰমিক, ছাত্ৰ, মহিলা, আৰু সাধাৰণ জনতাই একেটা সুৰত মাত দিছিল - "স্বাধীনতা আমাৰ অধিকাৰ।"

স্বাধীনতা পোৱাৰ দিন – ১৫ আগষ্ট ১৯৪৭ :

১৫ আগষ্ট ১৯৪৭ তাৰিখে ভাৰতীয় উপমহাদেশে ইংৰাজ ৰাজৰ পৰা মুক্তি লাভ কৰে। পণ্ডিত জৱাহৰলাল নেহৰুদেৱে স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে ৰাষ্ট্ৰক সম্বোধন কৰি কয়, *"At the stroke of the midnight hour, when the world sleeps, India will awake to life and freedom."* এই স্বাধীনতাই এক নতুন আশাৰ আনিছিল যদিও দেশৰ বিভাজনৰ দুখ আৰু তীব্ৰ হিংসাও লগত লৈ আহিছিল।

৭৮ বছৰত দেশৰ অগ্ৰগতি :

৭৮ বছৰত ভাৰতবৰ্ষই বহুখিনি উন্নতি লাভ কৰিছে। বিজ্ঞান, প্ৰযুক্তি, শিক্ষা, চিকিৎসা, অৰ্থনীতি, আৰু ৰাজনীতিৰ ক্ষেত্ৰত দেশ আগবাঢ়িছে। চন্দ্ৰযান, গগনযানৰ দৰে মহাকাশ অভিযান, ডিজিটেল ভাৰত, মেক ইন ইণ্ডিয়া, আৰু আত্মনিৰ্ভৰ ভাৰত অভিযানসমূহে দেশক বিশ্ব মানচিত্ৰত সুদৃঢ় স্থানত প্ৰতিষ্ঠা কৰিছে।

নতুন যুগত ভাৰত হৈছে বিশ্বৰ আটাইতকৈ ডাঙৰ গণতন্ত্ৰ আৰু সৰ্বাধিক যুৱ সমাজ থকা ৰাষ্ট্ৰ। ডিজিটেল বিকাশ আৰু ষ্টাৰ্টআপৰ সংস্কৃতিয়ে দেশত নতুন সুযোগ সৃষ্টি কৰিছে। পিছে তেনে এক উন্নয়নমূলক পথত আগুৱাই থাকিও, দেশে দৰিদ্ৰ, নিবনুৱা সমস্যা, শিক্ষাৰ অভাৱ, আৰু পৰিৱেশৰ প্ৰদূষণৰ দৰে বহু সমস্যা অতিক্ৰম কৰিব লগা হৈছে।

স্মৰণীয় স্বাধীনতা সেনানীসকল :

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ মূল শক্তি আছিল ত্যাগ আৰু সাহস। কেইজনমান স্মৰণীয় স্বাধীনতা সেনানী হৈছে -

* মহাত্মা গান্ধী – অহিংস আন্দোলনৰ জনক।
* নেতাজী সুভাষ চন্দ্ৰ বসু – "আজাদ হিন্দ ফৌজ"ৰ জন্মদাতা।
* ভগত সিং, ৰাজগুৰু আৰু সুখদেৱ – যুৱ বিপ্লৱী যিয়ে বলিদান দি ইতিহাসত নাম খোদাই কৰি গ'ল।
* সৰোজিনী নাইডু, অৰুণা আসেফ আলী, কস্তুৰবা গান্ধী – মহিলাৰ সাহসী অংশগ্ৰহণ।
* ড° ভূপেন হাজৰিকা, কমলেশ্বৰ বৰঠাকুৰ – উত্তৰ-পূৰ্বাঞ্চলত জনচেতনাৰ সাৰথি।

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অৱদান :

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিকা স্বাধীনতা সংগ্ৰামত বিশেষভাৱে উল্লেখযোগ্য। কৃষ্ণকান্ত সন্দিকৈ, আৰু কনকলতা বৰুৱাৰ দৰে স্বাধীনতা সেনানীয়ে নিজৰ প্ৰাণ অৰ্পণ কৰিছিল। ১৯৪২ চনৰ "ভাৰত ত্যাগ আন্দোলন"ত কানকলতাই ৰাষ্ট্ৰীয় পতাকা লৈ নিহত হৈছিল। অসমৰ এই অৱদান সদায় স্মৰণীয়।

৭৯ তম স্বাধীনতা দিৱসৰ বিশেষতা :

৭৯ তম স্বাধীনতা দিৱসত দেশজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে:

* ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰলৈ সম্বোধন।
* লালকিল্লা পৰিসৰৰ পৰা ৰাষ্ট্ৰীয় পতাকা উত্তোলন আৰু গৌৰৱগাঁথা বৰ্ণনা।
* ছাত্ৰ-ছাত্ৰী, নাগৰিক, আৰু সৈনিকসকলৰ সাংস্কৃতিক অনুষ্ঠান।
* "ঘৰে ঘৰে তিৰঙ্গা" অভিযানৰ জৰিয়তে ৰাষ্ট্ৰপ্ৰেমৰ জাগৰণ।

এইবাৰ দেশত আত্মনিৰ্ভৰতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে যাতে দেশৰ প্ৰতিজন নাগৰিকে দেশ গঠনত অংশগ্ৰহণ কৰে।

ভৱিষ্যতৰ দিশ আৰু দায়িত্ব :

স্বাধীনতাৰ ৭৯ বছৰত দেশভক্তিৰ সংজ্ঞা কেৱল পতাকা উত্তোলনত সীমাবদ্ধ নহয়। আজিৰ দিনত দেশপ্ৰেমৰ অৰ্থ হৈছে:

* শিক্ষাৰ বিস্তাৰ
* বিজ্ঞান আৰু প্ৰযুক্তিত অৱদান
* সামাজিক একতা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি
* পৰিৱেশ সংৰক্ষণ
* সঠিক নাগৰিকৰ দায়িত্ব পালন

দেশৰ যুৱ প্ৰজন্মই যদি নৈতিকতা, উদ্যম আৰু সজাগ মনৰ সৈতে আগবাঢ়ে, তেনেহ'লে ভাৰত "বিশ্বৰ

গুৰু" ৰূপে পুনৰ প্ৰতিষ্ঠা হ'ব পাৰিব।

উপসংহাৰ :

৭৯ তম স্বাধীনতা দিৱস উপলক্ষে আমি সকলো ভাৰতীয়ে পুনৰ এবাৰ স্মৰণ কৰা উচিত সেই ত্যাগ, সাহস, আৰু অধ্যৱসায়ৰ কথা যিয়ে আমাৰ বাবে, স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিছিল। স্বাধীনতা দিৱসৰ জৰিয়তে প্ৰমাণ হয় যে আমি যেন কেৱল উদযাপনৰে সীমাবদ্ধ নথকা দেশভক্তি প্ৰদৰ্শন কৰো। আত্মসমীক্ষা, দায়িত্ববোধ, আৰু দেশপ্ৰেমৰে আগুৱাই, ভাৰতক উন্নত আৰু মানবিক ৰাষ্ট্ৰৰ ৰূপত গঢ়ি তোলাই আমাৰ মূল লক্ষ্য হ'ব লাগে।

জয় হিন্দ
ভাৰত মাতা কি জয়

~ অংকন বৰা

"Cultural Climates: Narratives of Adaptation, Sustainability, and Change" সম্পাদনাৰ অভিজ্ঞতা

Cultural Climates: Narratives of Adaptation, Sustainability, and Change নামৰ গ্ৰন্থখন সম্পাদনা কৰাটো মোৰ জীৱনৰ এটা বিশেষ অভিজ্ঞতা। এই গ্ৰন্থখন মাত্ৰ গৱেষণাপত্ৰসমূহৰ সংকলন নহয়; ই হৈছে মানুহ, সংস্কৃতি আৰু পৰিৱেশৰ মাজত থকা গভীৰ সম্পৰ্কক লৈ এক যৌথ আলোচনা আৰু চিন্তন।

গ্ৰন্থখনৰ চিন্তা আৰম্ভ হৈছিল অসমৰ পৰা। আমাৰ ৰাজ্য তথা সমাজ পৰিৱেশ পৰিৱৰ্তনৰ প্ৰভাৱত ধীৰে ধীৰে সলনি হৈ আহিছে—জীৱনধাৰা, পৰম্পৰা, আৰু সামাজিক গাঁথনিৰ ভিতৰেও এই সলনি স্পষ্ট। সেই পৰিৱৰ্তনৰ বাস্তৱ চিত্ৰক একাডেমিক দৃষ্টিকোণত বুজিবলৈ আৰু বৰ্ণনা কৰিবলৈ মই এক আন্তঃবিষয়ক (interdisciplinary) দৃষ্টিভংগীৰে এই গ্ৰন্থখনৰ পৰিকল্পনা কৰিছিলোঁ। Cultural Climatesত মুঠ ৩৫টা গৱেষণাপত্ৰ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ভিতৰত ৪টা আন্তঃৰাষ্ট্ৰীয় প্ৰবন্ধ—দুটি দক্ষিণ আফ্ৰিকাৰ বিশ্ববিদ্যালয়ৰ পৰা আৰু দুটি ভিয়েটনামৰ বিশ্ববিদ্যালয়ৰ পৰা। বাকী ৩১টা প্ৰবন্ধ ভাৰতৰ বিভিন্ন ৰাজ্য আৰু অঞ্চলৰ পৰা সংগৃহীত, যিয়ে ভাৰতৰ সাংস্কৃতিক আৰু পৰিৱেশগত বৈচিত্ৰ্যক প্ৰতিফলিত কৰিছে। সম্পাদনাৰ যাত্ৰাটো একেদৰে প্ৰত্যাহবান আৰু অনুপ্ৰেৰণাদায়ক আছিল। প্ৰবন্ধ আহ্বান, বাছনি, পৰ্যালোচনা, সংশোধন আৰু সংকলনৰ প্ৰতিটো পৰ্যায়ত বহু মনোযোগ, ধৈৰ্য আৰু সহযোগিতাৰ প্ৰয়োজন হৈছিল। তথাপিও প্ৰত্যেকটো ধাপেই নতুন শিক্ষা আৰু আনন্দেৰে পৰিপূৰ্ণ আছিল। গৱেষকসকলৰ একাগ্ৰতা আৰু একাডেমিক সততাই গ্ৰন্থখনক বিশেষত্ব দান কৰিছে। এই গ্ৰন্থখনৰ অন্যতম গৌৰৱৰ বিষয় হৈছে ইয়াৰ একাডেমিক গুণমান আৰু সততা। সম্পূৰ্ণ গ্ৰন্থখন Turnitin plagiarism detection software ৰ দ্বাৰা পৰীক্ষা কৰা হৈছিল, য'ত মাত্ৰ ৫% Plagiarism Score পোৱা গৈছে। এই ফলাফলই গ্ৰন্থখনৰ মৌলিকতা আৰু গৱেষণামূলক মান প্ৰমাণ কৰে। ইয়াৰ লগতে, গ্ৰন্থখনক Indian Research Scholars Association (IRSA), All Assam Research Scholars' Association (AARSA) আৰু Assam University Research Scholars' Forum (AURSF) ৰ দ্বাৰা শুভেচ্ছা আৰু অভিনন্দন জনোৱা হৈছে। এই স্বীকৃতিসমূহে গ্ৰন্থখনৰ শৈক্ষিক মূল্য আৰু প্ৰাসঙ্গিকতা অধিক দৃঢ় কৰিছে।

Cultural Climates গ্ৰন্থখনৰ প্ৰতি মোৰ আশা, ই পাঠক, গৱেষক আৰু শিক্ষাৰ্থীসকলৰ বাবে চিন্তা, অনুপ্ৰেৰণা আৰু নতুন দৃষ্টিভংগীৰ এটা উৎস হৈ উঠক। পৰিৱেশ পৰিৱৰ্তন যদিও বিশ্বৰ আগত এটা গুৰুতৰ প্ৰত্যাহবান , তথাপিও মানুহৰ সংস্কৃতিত নিহিত স্থিতিস্থাপকতা, জ্ঞান আৰু আশা আমাক আগলৈ যোৱাৰ পথ প্ৰদৰ্শন কৰিব।

~ দীপজ্যোতি বৰা

সুধাকণ্ঠ দেৱৰ সাংস্কৃতিক পৰিক্ৰমা

(সুধাকণ্ঠ দেৱৰ শত জন্ম বার্ষিকী উপলক্ষে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা ৰচনা প্রতিযোগিতাৰ প্রথম স্থান প্রাপ্ত লিখনি)

আৰম্ভণি :- লুইতৰ দুয়োপাৰ জিলিকাই মানৱ জাতিৰ বাবে গীত গাই হেজাৰ শ্রোতাৰ হৃদয় জিনা, অসমীয়াৰ বুকুৰে বুকুৰে চিৰপ্রবাহমান এটি সত্তা সংগীত ৰত্ন ভূপেন হাজৰিকা মাথোন সংগীত শিল্পীয়েই নাছিল তেখেত একাধাৰে প্রখ্যাত গায়ক, সু�ৰকাৰ, গীতিকাৰ, কবি, সংগীত পৰিচালক, চলচিত্র নির্মাতা আৰু এজন আজন্ম শিল্পী আছিল। ভাৰতৰত্ন সন্মানেৰে বিভূষিত এই গৰাকী মনীসী নীলকান্ত হাজৰিকাৰ ঔৰসত আৰু শান্তিপ্রিয়া হাজৰিকাৰ গর্ভত স্থিতি লৈ ভূমিষ্ঠ হয় ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰ তাৰিখে শদিয়া নামে ঠাইত।তেখেতৰ অমৃতময় কণ্ঠৰে শ্রোতাগনৰ হৃদয়ে হৃদয়ে গীতৰ নৈয়ে সৃষ্টি কৰা টোৱে লৈ আনে অসমীয়াৰ আয়ুস ৰেখা বহাগক , বৰলুইতক , অসমী আইৰ স্বাভিমানক । কণ্ঠত সৰস্বতী আইৰ বসতিৰে সুধাকণ্ঠ সন্মান লাভ কৰা হাজৰিকা দেৱে পৃথিৱীৰ চুকে কোনে ,অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অথাৎ শদিয়াৰ পৰা ধুবুৰীলৈ সুৰৰ বিলাপ ছটিয়াই অসমৰ সাংস্কৃতিক পথাৰখন টনকিয়াল কৰি থৈ গৈছে।গীতৰ মাধ্যমেৰে সমন্বয়ৰ বর্তা বিলোৱা হাজৰিকা দেৱ আছিল উত্তৰ - পূৱ ভাৰতৰ বিভিন্ন জাতি - জনজাতিৰ সমন্বয়ৰ প্রতীক।

সুধাকণ্ঠ দেৱৰ সাংস্কৃতিক পৰিক্রমা :- সুধাকণ্ঠ হাজৰিকাদেৱৰ জীবন পৰিক্রমাৰ এক উল্লেখযোগ্য বেলিকা ৰচিত হয় সাংস্কৃতিক দিশৰ ওপৰত । এই মহান শিল্পীজনাই পিতৃ নীলকান্ত হাজধিকাৰ সান্নিধ্যত লাভ কৰিছিল সাংস্কৃতিক প্রেৰনা আৰু লাভ কৰিছিল মাতৃৰ কোলাতে তথাকথিত থলুৱা গীত-মাতৰ এটি মধুৰ ছন্দোময় সুৰ আৰু গীতৰ ঝংকাৰ। এয়েই আছিল তেখেতৰ গীত সুৰ আৰু সংগীতৰ গজালি। দেউতাকৰ কর্মসূত্রে নিগাজি কৈ তেজপুৰত স্থিতি লোৱাৰ পাছতেই শিল্পীগৰাকীৰ জীৱনলৈ সুৱর্ণ সুযোগ নামি আছিল। বান ৰংগমঞ্চৰ সুযোগতে লাভ কৰে বিষ্ণু জ্যোতি, ফনী শর্মা, গজেন বৰুৱা, চন্দ্র গোস্বামী, গহন চন্দ্র গোস্বামী, পণ্ডিতনাথ কলিতা (শিক্ষক), কমলা প্রসাদ আগৰৱালা আদিৰ দৰে বহুতো গুণী-জ্ঞানী লোকৰ সান্নিধ্য। এই সকলেই আছিল তেখেতৰ শিল্প সাধনাৰ প্রেৰনাৰ উৎস।উন্মোচিত হৈছিল তেখেতৰ শিল্পী জীবনৰ এটি নতুন দিগন্ত।

মহাপুৰুষ শ্রীমন্ত শংকৰ দেৱে ১২ বছৰ বয়সতে 'আ-কাৰ 'ই-কাৰৰ জ্ঞান লাভ কৰাৰ আগেয়ে ' কৰতল কমল ৰচনা কৰি শিক্ষক মহেন্দ্র কন্দনিক স্তম্ভিত কৰি তুলিছিল। ঐ আছিল যেন ঐশ্বৰিক অৱদান। ইয়াৰ লগত বিজনি নকৰিও ভূপেন হাজৰিকা এই গৰাকী মহিমাময়ী কলা - সংস্কৃতি ,সাহিত্য - গীত, নাট বহুধা গুণৰ সম্ভাৰেৰে অসমীয়া জাতিক চিৰযুগৰ বাবে জীৱন্ত কৰি থৈ থোৱা মহাপুৰুষ গৰাকীৰ হৈয়েই এটি গীত ৰচনা কৰি ১১ বছৰ বয়সতে কুসুম্বৰৰ পুত্র শ্রীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান' গীত - বৰগীত সুৰীয়া কৰি গহন চন্দ্র গোস্বামীৰ প্রেৰণাৰ প্রথম আত্মপ্রকাশ কৰে । জীৱনৰ ১৩

বছৰ বয়সত 'অগ্নি যুগৰ ফিৰিঙতি মই' গীত ৰচনা কৰিলে। ইমাৰ পাছতো যেন এইগৰাকী সুধাকণ্ঠ কোনোদিন উভতি নুচুৱাকৈ গীত আৰু সংগীতৰ পথাৰ খন আপ্লুত হৈ সোমাই পৰিল।

সুধাকণ্ঠৰ গীতসমূহৰ বৈচিত্র্যময় বিষয়ৰ সমাহাৰ। এনে কি বিষয় আছে যি ভূপেন্দ্ৰ সংগীতত নাই? অসমীয়া সংস্কৃতিৰ পৰা সামাজিক পটভূমিত অৰ্থনীতিৰ পৰা ৰাজনীতি বিষয়লৈ, 'বিশ্ব মানৱৰ সৈতে ঐক্যতা স্থাপনাৰ পৰা আদি কৰি শাসক আৰু শোষিত লৈকে, দৰিদ্ৰ কৃষকৰ পৰা ধ্ৰুপদ বিষয়লৈকে সকলো দিশেই পোৱা যায়।কেতিয়াবা যদি স্বাধীনতা আন্দোলনৰ গীত গৈছে তেন্তে কেতিয়াবা বৰ্ণ-বৈষম্যৰ গীত গাইছে। কেতিয়াবা আকৌ মানৱীয় মূল্যবোধৰ বাবে।

শিশু ভূপেন হাজৰিকাই ৫ বছৰ বয়সতে ১৯৩০ চনৰ ৩০ অক্টোবৰ ত কটন কলেজিয়েট হাইস্কুলৰ এক ৰাজহুৱা অনুষ্ঠানত প্ৰথম সংগীত পৰিৱেশন কৰি সাহিত্যৰথীৰ আশীষ মূৰ পাতি লৈছিল। সপ্তম মান শ্ৰেণীত থাকোতেই প্ৰথম সুৰ প্ৰদান কৰি সদৌ অসম সংগীত প্ৰতিযোগিতাত বনগীতত প্ৰথম পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা হাজৰিকাদেৱক বনগীতৰ সম্ৰাট আনন্দিৰাম দাস ডাঙৰীয়াই যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল বুলি তেওঁ কৈছিল । সাংস্কৃতিক দিশৰ সমান্তৰালভাৱে তেখেত শৈক্ষিক দিশটো প্ৰভাৱশালী আছিল। জ্যোতি - বিষ্ণু - নটসূৰ্য ফণী শৰ্মাৰ সাংস্কৃতিক সানিধ্যই মন জীপাল কৰা ভূপেন হাজৰিকাদেৱক ষষ্ঠ শ্ৰেণীত থাকোতেই ১৯৩৬ চনত কলিকতাত গৈ জয়মতী আৰু শোণিত কুঁৱৰী পালানাটৰ গীতৰ ৰেকৰ্ডিং কৰি অভিলেখ গঢ়িছিল। আৰম্ভ হৈছিল সাংস্কৃতিক জীৱনৰ পৰিক্ৰমা। ১৯৩৭ চনত মাত্ৰ ১১ বছৰ বয়সতে কিশোৰ ভূপেন হাজৰিকাৰ কলমেৰে নিগৰিছিল-

কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৰে
ধৰিছিল নামৰে তান,
নামৰে সুৰতে আনন্দত নাচিছিল
পবিত্ৰ বৰদোৱা খান,
মোৰ গুৰু ঐ, পবিত্ৰ বৰদোৱা থান।'

পিতৃ নীলকান্ত হাজৰিকাৰ 'অ' মইনা কেতিয়া আহিলি তই' শীৰ্ষক গীতটিৰে ভূপেন হাজৰিকাই সুৰকাৰ জীৱনৰ পাতনি মেলিছিল। তাৰ পিছতেই তেওঁ ১৯৩৯ চনত 'ইন্দ্ৰমালতি' ছবিত কণ্ঠদান কৰিছিল লগতে অভিনেতা ৰূপেও আত্মপ্ৰকাশ কৰে। ১৯৪৩ চনৰ মহাযুদ্ধৰ সময়ত দেশ তোল-পাৰ লাগি থকা সময়ত ১৩/১৪ বয়সত তেঁওঁৰ স্বৰচিত গীত -

অগ্নিযুগৰ ফিৰিঙতি
মই নতুন অসম গঢ়িম
সৰ্বহাৰৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম।'

শীর্ষক গীতটিত সুৰ প্রদান কৰি গীতটি ৰেডিঅ'ত বাণীবদ্ধ কৰে। তেওঁৰ দ্বাৰা ৰচিত প্রথম গীতটিতেই সমাজ সচেতনতাৰ দিশটো সু-স্পষ্টকৈ ফুটি উঠিছিল কাৰন তেঁও যুদ্ধ দেখিছে, অনাহাৰে থকা মানুহ দেখিছে, অৱহেলিতৰ ক্রন্দন প্রতিধ্বনিত হোৱা শুনিছে।

পিছলৈ তেঁও বহু ছবিত সংগীত পৰিচালক ৰূপেও আত্মপ্রকাশ কৰে যাৰ ফলস্বৰূপে ১৯৪৮ চনত প্রসিত সেনৰ 'সতী বেউলা' নটসূর্য ফণী শর্মাৰ 'চিৰাজ', ১৯৫৫ চনত 'পিয়লি ফুকন', ১৯৫৬ চনত "এৰাবাটৰ সুৰ, ১৯৫৭ চনত 'ধুমুহা'ত সংগীত পৰিচালনা কৰা ভূপেন হাজৰিকাই ১৯৫৮ চনত 'মাহুত বন্ধু ৰে ' কথাছবি নির্মান কৰে। ১৯৫৯ চনত 'কেঁচা সোন', 'পুৱতি নিশাৰ সপোন'ত সংগীত পৰিচালনা কৰে।

১৯৭৬ চনত 'মেৰা ধৰম মেৰা মা' ছবিত সংগীত পৰিচালনা কৰে। 'চামেলি মেমচাব'(১৯৭৫) আৰু 'খোজ' ছবিৰ শ্রেষ্ঠ সংগীত পৰিচালকৰ সম্মান আজুৰি অনা ভূপেন হাজৰিকাই ইয়াৰ পাছতো ক্ষান্ত নাথাকি ১৯৬১ চনত 'শকুন্তলা', ১৯৬৪ চনত 'প্রতিধ্বনি', 'লতিঘাত'(১৯৬৬), চিকমিক বিজুলি (১৯৬৯), একটি নদীৰ নাম(১৯৭৩), আৰোপ(১৯৭৩), চামেলি মেমচা'ব(১৯৭৫), ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালা আৰু জয়মতী(১৯৭৫), মন প্রজাপতি(১৯৭৯), স্বীকাৰোক্তি(১৯৬৮), দেৱদাৰু(১৯৭৯) অপৰূপা(১৯৮২), ৰ'দালি(১৯৯৩), প্রতিশ্রুতি(১৯৯৩), গল্প গামিনী(২০০০), চিঙ্গাৰী (২০০৬) ইত্যাদিৰ দৰে অসমীয়া, বাংলা আৰু হিন্দী ভাষাৰ বহু মূল্যৱান ছবি নির্মানেৰে অসমীয়া ছবিজগতৰ ভঁৰাল শুৱনি কৰি গ'ল। এনেকৈয়ে ধৰাৰ দিহিঙে-দিপাঙে জীৱনৰ গীত গাই লহৰি থাকোতেই তেওঁ পল ৰৱছনৰ দৰে বিপ্লৱী শিল্পীৰ সান্নিধ্য লাভ কৰে। তেওঁৰ সান্নিধ্যৰ পৰশে যেন ভূপেন হাজৰিকাদেৱক আৰু এখোপ আগলৈ লৈ গ'ল। সৃষ্টি হ'ল বহু কালজয়ী (বৈপ্লৱিক) শীর্ষ গীতৰ। পল ৰৱছনৰ 'দ্য অল্ড মেন' গীতটোৰে অনুপ্রাণিত হৈ ১৯৬৫ চনত ভূপেন হাজৰিকাৰ কলেমেৰে নিগৰিছিল—

"বিস্তীর্ণ পাৰৰে
অসংখ্য জনৰে
হাহাঁকাৰ শুনিও
নিঃশব্দে নিৰৱে
বুঢ়া লুইত তুমি
বুঢ়া লুইত বোঁৱা কিয়?" ৰ দৰে চিৰসেউজ গীত।

জীৱন-যৌৱন আৰু সৃষ্টিশীলতাৰ সেই সময়খিনিতেই তেওঁৰ জীৱন সংগীৰ আগমন, বিচ্ছেদ আদি দুর্যোগে জোকাৰি গল হাজৰিকাৰ সাংসাৰিক জীৱন আৰু তাৰ পৰিপ্রেক্ষিতত সৃষ্টি হ'ল বহু বিষাদ আৰু বিচ্ছেদৰ গীত। তেওঁ লিখিছিল—

"হয়তো নিতৌ হেজাৰ জনৰ
হেজাৰ শৰাই পাওঁ

তথাপি কিয় বিশেষজনৰ
মৰম বিচাৰি যাওঁ।"

যাদুকৰী, মায়াৰী কণ্ঠেৰে শ্ৰোতাজনৰ হৃদয় জয় কৰা সুধাকণ্ঠই তেখেতৰ শুভাকাঙ্ক্ষী শ্ৰোতাক উদ্দেশ্যি সুৰ নিগৰায়—
"মোৰ প্ৰিয় হেজাৰ শ্ৰোতা
তোমাক নমস্কাৰ!
গীতৰ সভাত তুমিয়েইতো
প্ৰধান অলংকাৰ।"

হাজৰিকাদেৱে ৭৩ খন কথাছবিৰ সংগীত পৰিচালনাৰ দায়িত্ব বহন কৰে, ইয়াৰে ভিতৰত অসমীয়া ছবি ৩৬ খন, বাংলা ১৫, ভোজপুৰী ৩ খন আৰু লগতে কাৰ্বি আৰু বড়ো ভাষাতো একোখনকৈ ছবি আছে। এনেদৰে জীৱন কালত তেখেতে এক পৰিসৰৰ সংস্কৃতি, সংগীত সাধনাৰে বিশ্বৰ সাংস্কৃতিক পথাৰত বীজৰ অংকুৰণ কৰি থৈ গৈছে।

সামৰণি :- ৬৪ কলাৰে সমৃদ্ধ এই গৰাকী কলাকাৰ, বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকা অসমীয়াৰ হিয়াৰ আমঠু। পৃথিৱীৰ চুকে- কোনে বিয়পি আছে তেখেতৰ অমৰ সৃষ্টিৰাজি। সকলো বিষয়কে তেখেতে তেখেতৰ গীতত স্থান দিছে। তেখেতে গীতেৰে ছবি আঁকিছিল, জনমানসত তুলিকাবিহীন ছবিৰে উপচাই থৈ গৈছে। সাংস্কৃতিক বাটত তেখেতে বহুতো সম্মান অৰ্জন কৰিবলৈ সক্ষম হয় - পদ্মশ্ৰী (১৯৭৭), পদ্মভূষন (২০০১), সংগীত নাটক অকাডেমী বঁটা (১৯৮৭), দাদা চাহেব ফাল্কে বঁটা (১৯৯২) , অসস ৰত্ন (২০০৯), মুক্তি যোদ্ধা পদক (২০১১), দেশৰত্ন, প্ৰচাৰ ভাৰতী, National Aretiot Award কে ধৰি অসংখ্য বঁটাৰে বিভূষিত সুধাকণ্ঠ জনলৈ যচা হ'ল "জীৱন যোৰা সাধনা বঁটা"। প্ৰতিভাৰ আকৰ এইজনা মনীষীৰ অতুলনীয় সৃষ্টিৰাজিৰ বৰ্ণনাও সীমাহীন। এই বিশ্ববৰেণ্য শিল্পীজনৰ সৃষ্টি জিলিকি থাকক প্ৰতিজন অসমীয়াৰ অন্তৰত আৰু সেই সৃষ্টিৰাজিক আঁকোৱালি লওক নৱপ্ৰজন্মৰ শিশু-কিশোৰসকলে। শেষত, এই গৰাকী বিশ্ব বৰেণ্য শিল্পী সুধাকণ্ঠৰ সৃষ্টি- সাধনাৰাজি প্ৰতি গৰাকী অসমীয়াৰ বুকুত থুপাই থৈ বিশিষ্ট কবি, সাহিত্যিক ডঃ অমৰ জ্যোতি চৌধুৰীদেৱৰ ভাষাৰে —"কোন ক'ত আছ আহ
গাওঁ জাতিক জগোৱা গান
গাওঁ মানুহৰ জয়গান
মৃত্যু জিনাৰ উদযাপনৰ গান
শেষ হ'ব কেনেকৈ—এই অদ্ভুত গান
গানৰ দেহতে গজিছে নতুন গান।।"

~ নেত্ৰাক্ষী ভাগৱতী

মায়াবিনীৰ শেষ বিদায়

(জুবিন দাৰ স্মৃতিত)

জুবিন.....
এটি মাথোঁ নাম নহয়
এটা জাতিৰ সত্তা
জুবিন মানেই এটা যুগ,এখন গভীৰ সাগৰ।
লিখিবলৈ লৈ বৈ গৈছোঁ মই। ক'ৰ পৰা কেনেকৈ আৰম্ভ কৰোঁ?কলম স্তব্ধ নে মোৰ শব্দ...! একবিংশশতিকাৰ কাহিনী যেন ইয়াতেই শেষ। প্ৰাণৰো প্ৰাণৰ বুকুৰ আপোন জুবিনদাৰ প্ৰাণটো বিদেশৰ সাগৰে কাঢ়ি লৈ গ'ল।

অবিশ্বাস্য!
জনা-নজনা দিনৰ পৰাই এটাই বুজিছিলোঁ...জুবিন মানেই গান আৰু গান মানেই জুবিন। এইজন যাদুকৰী কণ্ঠৰ অধিকাৰী আজি পঞ্চভূততত বিলীন। তেওঁ কি নোহোৱাও হ'ব পাৰে নে? মৃত্যু ইমান সহজ নে তেওঁৰ বাবে? কাকো একো এষাৰি নোকোৱাকৈ গুচি গ'ল তেওঁ। ক'বওনো কিয়? তেওঁ জানো অসমক এৰি যাব পাৰে! নে অসমে তেওঁক দিব পাৰে বিদায়!

সাগৰ তলিত শুব খুজিছিল তেওঁ,শুই গ'ল। অসমৰ মাটিত তেওঁৰ মৃত্যু লিখা নাছিল। অসমে নিবিচাৰে তেওঁৰ মৃত্যু। মৃত্যুক জয় কৰিব পৰা মানুহজনক বিদেশৰ সাগৰে লৈ গ'ল। অসমৰ শক্তিয়েই নাই তেওঁৰ উশাহ কাঢ়ি আনিবলৈ। জুবিন নামৰ এই সত্তাটো ইমানেই গভীৰ যে গভীৰ সাগৰতহে তেওঁ বিলীন হ'ল।

অসমে হেৰুৱালে এটি ধ্ৰুৱ নক্ষত্ৰ আৰু এতিয়া এই নক্ষত্ৰৰ গীতত কঁপিছে সমগ্ৰ অসম....
জুবিনদাক আমি ক'ত বিচাৰি নাপাম....

শৈশৱৰ হাঁহিয়ে যেতিয়া গুণগুণাব—
"মনলে উভতি আহে ল'ৰালি
তোৰে মোৰে এটি এটি ধেমালি"

যেতিয়া প্ৰেমৰ পৰশে প্ৰাণ পাব—
"যুগে যুগে প্ৰতি খুজে
তোমাতেই মই হ'ম বিলীন
এন্ধাৰৰে চুকে চুকে
আছোঁ মই তোমাতেই লীন"

যেতিয়া পুৰুষৰ দুচকুত এহাল চকুৱে খেলি থাকিব—
"তোমাক দেখা পালে
সপোন জাগি উঠে
বুকুখনি হয় তাজমহল"

মৃত্যুৰ ঝংকাৰতো বাজিব তেওঁৰ সুৰ—
"দেহাৰ ভৰষা নাই
শুনিছানে নাই....."

প্ৰেয়সীৰ বিচ্ছেদত প্ৰেমিকৰ হৃদয়ে চিঞৰিলে—
"বুকু ভৰি আছে মোৰ
অমিয়া মৰম
তেজে তেজে বিয়পি
দিয়াহি জীৱন"

যেতিয়া প্ৰেমে বিবাহৰ ৰূপ ল'ব—
"বিভাবৰীয়া আমাৰে মিলনৰ
উজাগৰী ৰঙীন সপোনৰ
খিৰিকীৰে জুমি জোনাকে
গীত গাই শুভ প্ৰণয়ৰ"

এনেকৈয়ে জীয়াই থাকিব জুবিনদাৰ অস্তিত্ব...
আমাৰ হৃদস্পন্দন জুবিন গাৰ্গ সদায় থাকিব অসমীয়াৰ বুকুত,তেজত,উশাহত। দেহৰ শিৰাই-শিৰাই বিয়পিব তেওঁৰ নাম,অমিয়া সুৰ। প্ৰতিজন অসমীয়াই চিঞৰি চিঞৰি গাব—
"মায়াবিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
হিয়াৰ কোণত"

ভালে থাকক আপুনি
জয় জুবিন দা...

~ নিশা বৰা

স্মৃতি ৰমন্থন

এটি মিঠা অনুভূতি ৰূপে তুমি (বি.বি. গল্ড)। জীৱনৰ আটাইতকৈ ভাল লগা আবেগ আছিলা তুমি, তোমাৰ বাবে দেখিছিলো সপোন, আগুৱাই গৈছিলো সপোন বোৰ বাস্তৱ কৰাৰ পথত , তোমাৰ লগত এটি জীৱন কটোৱাৰ বাটত। কিন্তু কি হল এতিয়া দেখোন তুমি বহু দূৰত সুদূৰ দূৰণিৰ কোনোবা চুকত, কোনোবা নতুন ৰূপত এতিয়া। যত তোমাক বিচাৰিলেও পাব নোৱাৰি, চাও বুলিলেও চাব নোৱাৰি, যাও বুলিলে ও যাব নোৱাৰি চুই চাও বুলিলে ও চুব নোৱাৰি। তাৰ পৰা দেখিছা জানো মোক তোমাৰ অবিহনে কেনেদৰে কটাইছো জীৱন, কেনেদৰে খাইছো, কেনেদৰে আছোঁ, বুজাব নোৱাৰা এটি বেদনা বুকুত বাঢ়ি আগুৱাই যাবলৈ দেখোন বৰ কষ্ট হৈছে অ আজি কালি,নোৱাৰা হৈছোঁ অ ভাগি পৰিছোঁ অ এই পৃথিৱীত দেখোন এতিয়া সকলোতে মানৱ ৰূপী দানবৰ উপৰ্দপ পৰা নাই থাকিব। যদি তুমি ওচৰত থাকিলা হয়, কথা পাতিলা হয়, জীৱন নিৰ্বাহ কৰিবলৈ শিকালা হয় তোমাৰ অবিহনে। ৰখা হা তুমি তুমি শিকাইছিলা কেনেকৈ ভাল কথা কব লাগে,কেনেকৈ পিন্ধিব লগে ৰং মিলাই কাপোৰ, কেনেকৈ নিজৰ যত্ন লব লাগে গতিকে কিয় নিশিকালা তুমি বিহীন জীৱন কেনেকৈ পাৰ কৰিম। তোমাৰ বাৰু মনত আছে নে কেনেকৈ আমি ৰাতিপুৱা এজনে আন জনক উঠাই ছিলো কলেজৰ বাবে আৰু তুমি যে উঠি ফোন কৰি কৈছিলা কলেজ আহি পালে ফোন কৰিবা মই ও যাম একেলগে কৈছিলা, তাৰ পিছত যে একেলগে ওপৰ মহলাত বগাও, বেগ টো বেছি গধূৰ হলে যে মই লওঁ মনত টো আছে ন তোমাৰ নে তুমি আঁতৰত যোৱাৰ লগতে সকলো পাহৰি গলা, মনত আছে নে ক্লাছত বহি থাকিলেও যে ৪ চকুৰ মিলনটো আজিও মনত পৰে জানা নে ? তুমি যে চকুৰে কথা কোৱা মই যে বুজি উঠো আৰু তুমি যে গৌৰৱ অনুভৱ কৰা মনত টো আছে ন তোমাৰ ? ক্লাছ শেষ হোৱাৰ পিছত যে মন নাযায় এৰি যাবলৈ আৰু হোষ্টেল নোপোৱা লৈকে যে তোমাক চাই থাকো, নহলে যে কেতিয়াবা কথা পাতি পাতি হোষ্টেলৰ সন্মুখ পাও গমেই নাপাওঁ ন, মনত পৰে অ এইবোৰ, এতিয়া কাক চাম মই ? কাক আগ বহাব যাম, তুমি ও এতিয়া বহু দূৰত। বিচাৰি লেই যদি সকলো পাই ? পোৱা হয় কি ভাল হল হয় ন ? অহ ৰখা ৰখা তুমি আৰু মই যে প্ৰথম ফটো উঠিছিলো মনত আছে নে মোক যে কেনেকুৱা লাগিছিল ফটো খনত আজি ও ফোনৰ wallpaper ৰখা আছে আৰু সেইদিনা এই যে মই এটি কবিতা লিখিছিলো কি আছিল কবিতা টো ..... মনত পৰিছে ৰখা অলপ গুণগুণাই দিও

পিন্ধিবা তুমি দখনা
চাম তোমাক বহনা,
তোমাক হেৰুওৱা মোৰ
নাই কোনো কামনা।
মই আছোঁ থাকিম সদায় তোমাৰে লগত ,
ৰাখিবা সদায় মোক তোমাৰ হৃদয়ৰ এচুকত।
নাজানো কেনেকৈ থাকিম মই তোমাৰ অবিহনে,

পাহৰিব নুখুজো মই তোমাক কোনো ৰকমে।
তুমি দিলা মোৰ জীৱনত ৰং সানি,
মৰি থাকিম মই তোমাৰ অবিহনে কিজানি।
তাৰ পিছত যে আকৌ হোষ্টেল গৈ কথা পাতিছিলো, ৰাতি ও ফোন টো অনাৰ পিছতেই দেখোন কথা নাপাতিলে ভালেই নালাগে দেখোন ন? দিনটোত যে কিমান কথা ন আমাৰ, ফোন টোৱেও ভাবে চাগে কেতিয়াবা কাৰ পাল্লাত পৰিলোঁ ইমান কথা পাতে কি কথা পাতে ইমান ? কিন্তু তুমি দেখোন এতিয়া নাই, তোমাকেই বিচাৰি পাও সকলোতে তথাপি মই দেখোন এতিয়া অকশৰীয়া। তুমি দেখোন মোক কৈছিলা "মোৰ যেতিয়া তোমাৰ লৈ মনত পৰে ন মই তোমাৰ কথা আকাশ বতাহ নদী গছ সকলোকে সোধোঁ"।

এতিয়া মনত পৰে নে ? এতিয়া সুধা জানো? তুমি টো এতিয়া বহু দূৰত হয়টো বিচাৰিলেও নোৱাৰা সুধিব। তোমাৰ বাৰু মনত আছে নে আগতে এদিন যে আমাৰ কাজিয়া হৈছিলে মই যে তোমাক মাতা নাছিলোঁ তেতিয়া যে তুমি লিখিছিলা,
“তুমি তো নহয় কোনো আন,
মোৰ হৃদয়ে বিচাৰি থকা অতি প্ৰয়োজনীয় নাম।
তোমাক মনত পেলাই সদায় তিতে মোৰ শিতানৰ গাৰু,
তোমাৰ কথা নাভাবি মই কিয় থাকিব নোৱাৰোঁ নো বাৰু।।”
ভাবিছিলোঁ নামাতিলে সকলো সমস্যা হব ঠিক কিন্তু এতিয়া দেখোন পাই থকা কষ্ট বোৰ হে অধিক।" মই যে পঢ়ি কান্দি পেলাইছিলো তুমি যে কৈছিলা ধেই কোনোবাই কবিতা পঢ়ি কান্দে নেকি ? মই এনেই হে লিখিছিলোঁ। আৰু তুমি এই টো মোক বিশ্বাস দিছিলা সদায় থাকিবা বুলি লগত নহলে অকলে কত গুচি গলা বিচাৰি নোপোৱা হলো যে মই। সদায় বিচাৰি হাবাথুৰি খাই ফুৰো মই বিচাৰোঁ সকলোতে তোমাক কিন্তু নাই দেখোন তুমি। তথাপি কৈও তুমি যতেই আছা ভালে থাকা আৰু মোক ও আশীৰ্বাদ কৰিবা। শেষত আকৌ কওঁ তুমি হয়টো খং কৰিবা, কবা সকলোৰে আগত আকৌ আৰম্ভ হৈ গলা ন তুমি আকৌ কও বহুত ভাল পাওঁ তোমাক I LOVE YOU সোণ জনি।

~ জ্ঞান জ্যোতি বনিয়া



কিছুমান কথা অবিশ্বাস্য

কিছুমান কথা অবিশ্বাস্য!
নোৱাৰি সহ্য কৰিব তেওঁৰ মৃত্যু
তেওঁ হিয়াৰ আমঠু
ঘন হৈ পৰা উশাহবোৰৰ বাবে শান্তিৰ বাট
অসমৰ ভালপোৱা
সংগীতৰ এক আজীৱন সত্তা,
যুগ যুগান্তৰৰ অভিব্যক্তি আমাৰ জুবিন দা!
তেওঁৰ গীত যেন প্ৰশান্তিৰ টো
নামি আহে সৰগৰ পৰা...
নিশা উদাসী মনৰ বাবে...
"নিতাল নিশা আজি
বাজে কি গহীন গান?
উৰি যাব খোজে মোৰ
আকুল উদাস প্ৰাণ"
চকু এহালে বুকুত টো খেলাব ল'লে...

"মায়াৱিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি হিয়াৰ কোণত"
প্ৰেমিকৰ অসম্পূৰ্ণ প্ৰেমৰ বেথা...
"সমীৰে দিবগৈ ফাগুনৰ দিনতে
মই নোহোৱাৰ বাতৰি,
স্মৃতিয়ে ক'বগৈ পাহৰা ক্ষণতে
মই নথকাৰ কাহিনী।"
বিষাদৰ তাড়ণাত চকুবোৰ জ্বলি উঠিলে,
আকৌ নিজেই নিজক সান্ত্বনা দিলে...
"জোনাক গলা জাৰৰ নিশা
মূৰ থৈ শেতা শেতেলিত
গণি গণি আঙুলিৰ মূৰত
আছে কিমান চকুৰ পানী?
সুখৰ চুকুণ মণি
মই ভাগৰা নাই
জীৱন হেৰুৱা নাই"
ক'ত নাই জুবিন দা?
জীৱনৰ আদিৰ পৰা অন্তলৈকে সকলোকেতেই তেওঁ!
কেনেকৈ এই বিয়োগ সহিব পাৰি?
স্তব্ধতা!!!

~ স্মিতা হীৰা

শুভেচ্ছা বাৰ্তা



কুঁহি মুদৈ
শিক্ষা সম্পাদক, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ

শিক্ষা, সাহিত্য আৰু সংস্কৃতি - এই তিনিটা স্তম্ভৰ ওপৰত ভিত্তি কৰি ২০২১ চনত আৰম্ভ হৈছিল "আলোড়ন মঞ্চ"ৰ যাত্ৰা। আৰম্ভণিৰ দিনৰপৰাই মঞ্চখনে সমাজত সাহিত্যিক চেতনাৰ জাগৰণ ঘটাবলৈ, নতুন প্ৰজন্মৰ মাজত সৃষ্টিশীল চিন্তাধাৰাৰ সঞ্চাৰ কৰিবলৈ আৰু একতাৰে আগুৱাই যাবলৈ অবিৰত প্ৰয়াস কৰি আহিছে । নবপ্ৰজন্মক সাহিত্যৰ সোঁতত আগ্ৰহী কৰি সৃষ্টিশীল চিন্তাধাৰাৰ সঞ্চাৰ কৰিবলৈ মঞ্চখনৰ অৱদান সঁচাকৈয়ে প্ৰশংসনীয়।এইবাৰ প্ৰকাশিত আলোচনীখন মঞ্চৰ সুন্দৰ পৰিশ্ৰমৰ এক উজ্জ্বল প্ৰতিফলন। আশা কৰোঁ, এই আলোচনীখনৰ জৰিয়তে পাঠকসকলে চিন্তন, অনুভৱ আৰু সাহিত্যিক আনন্দৰ এক নতুন দিশ আবিষ্কাৰ কৰিব।
আলোড়ন মঞ্চৰ আগন্তুক যাত্ৰা যেন সফল, সমৃদ্ধ আৰু দীপ্তিময় হওক, শুভকামনা জনালোঁ।

শুভেচ্ছা বাৰ্তা



দীপজ্যোতি বৰা
তথ্য আৰু প্ৰচাৰ সম্পাদক, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ

আলোড়ন মঞ্চ - নামটো নিজেই এক সুৰ, এক ভাবনা, এক প্ৰতিজ্ঞা। "আলোড়ন" মানেই সৃষ্টিৰ জাগৰণ, চিন্তাৰ আন্দোলন, আৰু সংস্কৃতিৰ শাশ্বত ধাৰা। মোৰ আলোড়ন মঞ্চৰ সৈতে যাত্ৰা আৰম্ভ হৈছিল ২০২৫ চনৰ জানুৱাৰীত, যেতিয়া মই সংস্থাটোক উপহাৰ ৰূপে এটা ৱেবছাইট — https://aluronmancha.netlify.app/ প্ৰদান কৰো।
আজিৰ দিনত, আলোড়ন মঞ্চ মোৰ বাবে কেৱল এটা সংগঠন নহয়, ই মোৰ চিন্তা, অনুভৱ আৰু দায়িত্বৰ এক মিশ্ৰণ।এই মঞ্চই মোক শিকাইছে — সংস্কৃতি মানেই জীৱনৰ অভ্যন্তৰীণ সৌন্দৰ্য, আৰু প্ৰচাৰ মানেই সেই সৌন্দৰ্যৰ বৰ্ণনা কৰা এক নিঃস্বাৰ্থ শিল্প।
ভাষাৰ গৌৰৱ, সংস্কৃতিৰ সমৃদ্ধি আৰু চিন্তাৰ আলোড়ন লৈ আগবাঢ়োঁ — একেলগে, এক দিশে...

শুভেচ্ছা বাৰ্তা



ৰিয়ামণি ডেকা
সদস্য, শিক্ষা কোষ, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ

নমস্কাৰ, পোনপ্ৰথমে মই শ্ৰী ৰিয়ামনি ডেকায়ে তৰ্ক আৰু শিক্ষা কোষৰ সদস্যা হিচাপে আলোড়ন মঞ্চৰ সমূহ পৰিয়ালটিলৈ গভীৰ শ্ৰদ্ধা আৰু শুভকামনা যাচিলোঁ। এই মঞ্চ খনিৰ এজন সদস্যা হবলৈ পায় সঁচাকে গৌৰৱ অনুভৱ কৰিছোঁ।
নতুন প্ৰজন্মৰ প্ৰতিভা বিকাশৰ মাধ্যম হিচাপে আলোড়ন মঞ্চই আগৰপৰাই কাম কৰি আহিছে আৰু আগন্তুক দিনবোৰ টো কৰি যাব ।সদৌ শেষত মই শ্ৰী ৰিয়ামণি ডেকাই আলোড়ন মঞ্চৰ এগৰাকী সদস্যা হিচাপে সাহিত্য কোষৰ সদস্য তথা সম্পাদকৰ হাতত ই আলোচনী ৰ বাবে নিজৰ নিজৰ লিখনি সমূহ প্ৰকাশৰ বাবে আমালৈ প্ৰেৰণ কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰিলো। ঠিক এইদৰেই বিগত দিনবোৰতো যাতে আলোড়ন মঞ্চক আগুৱাই নিয়াৰ ক্ষেত্ৰত সকলোয়ে সহায় সহযোগিতা তথা সু দিহা পৰামৰ্শ বিচাৰিছোঁ।
জয় আই অসমী, জয় ভাষা জননী

শুভেচ্ছা বাৰ্তা



নিশা বৰা
সদস্য, সাহিত্য কোষ, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ

নমস্কাৰ! আলোড়ন মঞ্চৰ দৰে এনেকুৱা এটা চহকী অনুষ্ঠানৰ লগত জড়িত হোৱাৰ সুযোগকণ দিয়াৰ বাবে মঞ্চৰ সমূহ সদস্যবৃন্দলৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'আলোড়ন'—শিক্ষা-সাহিত্য-সংস্কৃতিৰ এখন সোণালী পথাৰ। যিয়ে যুৱপ্ৰজন্মৰ শৈক্ষিক, সাংস্কৃতিক আদি বিভিন্ন দিশৰ উত্তৰণৰ পথ মুকলি কৰি জ্ঞানৰ বীজ অংকুৰিত কৰাত সহায় কৰি আহিছে। ২০২১ চনত আনুষ্ঠানিকভাৱে গঢ়ি উঠা এই অনুষ্ঠানটোৱে অসমীয়া ভাষা, সাহিত্যৰ ভঁৰাল চহকী কৰাৰ উদ্দেশ্যেৰে বৰ্তমানলৈকে আমাক প্ৰতিভা বিকাশৰ এখন সুন্দৰ আৰু সুকীয়া মঞ্চ প্ৰদান কৰিছে। বিগত বৰ্ষকেইটিৰ দৰে এইবছৰো আলোড়নে বাৰ্ষিক ই-আলোচনীখন প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছে। আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত সকলোৱে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে সকলোৰে ওচৰত চিৰকৃতজ্ঞ আৰু সকলোৱে আদৰি ল'ব বুলি আশাবাদী। আলোড়নৰ এই যাত্ৰা অব্যাহত থাকক তাৰে কামনাৰে—

জয়তো আলোড়ন মঞ্চ।।।
আলোড়ন মঞ্চ দীৰ্ঘস্থায়ী হওঁক।।

শুভেচ্ছা বাৰ্তা



ভাৰ্গৱ জ্যোতি বৰা
মূলৰ সদস্য, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ

শিক্ষা, সাহিত্য আৰু সংস্কৃতি এই শব্দ কেইটাক শক্তি হিচাপে লৈ ২০২১ বৰ্ষত এটি "WhatsApp গ্ৰুপ"ৰ যোগেৰে হৈছিল "আলোড়ন মঞ্চৰ" যাত্ৰা । নতুন চেতনা আৰু নতুনকৈ আগুৱাই অহা নৱ প্ৰজন্মৰ সকলোৰে মাজত চিন্তাৰ সঞ্চাৰ কৰিবলৈ আৰু সকলোকে আগুৱাই লৈ যাবলৈ এই মঞ্চই যথেষ্ট সংখ্যক প্ৰয়াস কৰি আহিছে ।
এইবাৰ প্ৰকাশিত এই আলোচনী খন এই মঞ্চৰ আন এক গৰিমা। সকলোৰে চিন্তা, নিজৰ দক্ষতাৰ লগতে প্ৰতিটো দিশ সাঙুৰি লৈ প্ৰকাশিত আলোচনী খনৰ জৰিয়তে পাঠক সকলে এক নৱ সুৰুজৰ আগমন পাব। সকলোৱে এই আলোচনী খন আঁকোৱালি লব ।
মঞ্চৰ এই যি গতিশীলতা এই গতিশীলতা হওঁক দীপ্তিময়। এই যাত্ৰা হওঁক অসীম। ভৱিষ্যত দিনত আৰু অধিক পোহৰেৰে আলোকিত হওঁক আলোড়ন মঞ্চৰ যাত্ৰা। শুভকামনা জনালোঁ।

শুভেচ্ছা বাৰ্তা



অংশুমান শইকীয়া
সদস্য, পৰিচালনা সমিতি, আলোড়ন মঞ্চ

অসমীয়া সাহিত্য,সংস্কৃতি আৰু শিক্ষা ক্ষেত্ৰখনত জন্ম লগ্নৰে পৰাই নানান ব্যতিক্ৰমী কৰ্মৰাজিৰে জনমানসত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱা আলোড়ন মঞ্চ নৱপ্ৰজন্মৰ প্ৰতিভা বিকাশৰ এখন বিশাল মঞ্চলৈ ৰূপান্তৰিত হৈছে। ন-চিন্তাৰ এটি বীজৰ পৰা বৰ্তমান এজোপা বৃক্ষলৈ পৰিণত হোৱা মঞ্চখনে বিভিন্ন সময়ত গ্ৰহণ কৰা পদক্ষেপ সমূহ জনসমাজত সমাদৃত হৈছে। এই পদক্ষেপসমূহৰে অন্যতম অংশ স্বৰূপে প্ৰতি বছৰে একোখনকৈ জ্ঞানবৰ্দ্ধক আৰু বাৰ্তাবাহক আলোচনী প্ৰকাশ কৰি আহিছে আৰু চলিত বৰ্ষও ইয়াৰ ব্যতিক্ৰম নহয়। আলোচনীখনে পাঠক সমাজৰ জ্ঞান অমৃতৰ ক্ষুধাক কিছু হ'লেও নিবাৰণ কৰাত সক্ষম হওক, তাৰেই আশাৰে সম্পাদনা সমিতিৰ প্ৰতিজন সদস্যলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো । আলোচনীখন পাঠক সমাজে নিজৰ বুলি আঁকোৱালি ল'লে আমাৰ কষ্ট সাৰ্থক হোৱা বুলি আনন্দিত হোৱাৰ সুযোগ পাম।।

শুভেচ্ছা বাৰ্তা



সুপ্রিয়া বৰা
মূলৰ সদস্য, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ

আলোড়ন কেৱল এটি নাম নহয়, ই নৱপ্রজন্মৰ এটি জাগৰণ। পূৰ্বীয় ভাৰতীয় আৰ্য ভাষা হিচাপে অসমীয়া ভাষাৰ মৰ্যাদা ৰক্ষাৰ স্বাৰ্থত সন্মিলিত এই মঞ্চই বৰ্তমানলৈ ই-আলোচনীৰ যোগেদিও ভাষাটিৰ চৰ্চা অক্ষুণ্ণ ৰাখিছে । প্ৰত্যেক বৰ্ষৰ দৰে এই বৰ্ষটো প্ৰকাশ পাবলগীয়া আলোচনীখনে পাঠকৰ মাজত যাতে শৈক্ষিক, বৌদ্ধিক, সাংস্কৃতিক দিশত উন্মেষ ঘটাওক তাৰে কামনাৰে -

জয়তু আলোড়ন মঞ্চ

শুভেচ্ছা বাৰ্তা



বিদিশা বৰা
সদস্য, সাংস্কৃতিক কোষ, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ

শিক্ষা, সাহিত্য, সংস্কৃতিয়েই হৈছে সমাজ এখনৰ উন্নতিৰ মূল খুঁটি। তেনে এটি অনুষ্ঠান 'আলোড়ন মঞ্চ' সিয়ে সমাজৰ অগ্ৰণীৰ ক্ষেত্ৰত যথেষ্ট উদগণী যোগাই আহিছে। শিক্ষা, সাহিত্য, সংস্কৃতিৰ ঐক্যতানক মূলমন্ত্ৰ হিচাপে লৈ আলোড়ন মঞ্চই বিগত চাৰি বছৰে বহু 'সামাজিক মহত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। মই নিজকে ধন্য মানিছো যে মঞ্চখনৰ লগত নিজকে জড়িত কৰিবলৈ পাই। ভৱিষ্যতেও আলোড়নে এনেদৰেই জয় যাত্ৰা অব্যাহত ৰাখক; আলোড়নে সদায় উন্নতিৰ জখলা আৰোহণ কৰক। আলোড়নৰ সমূহ সদস্যলৈ জনাইছোঁ আন্তৰিক শুভেচ্ছা...।

শুভেচ্ছা বাৰ্তা



ভাৰ্গব জ্যোতি বৰা
সাংস্কৃতিক সম্পাদক, কাৰ্যনিৰ্বাহক ২০২৫-২৬, আলোড়ন মঞ্চ

অসমীয়া সাহিত্যৰ সাগৰসম পৰিসীমাৰ ভিতৰত ভিন্ন ৰুচি আৰু উদ্দেশ্য সন্নিৱিষ্টৰে অলেখ সৰু বৰ কাকত, আলোচনী জন্ম হৈ আহিছে আৰু অৱহেলাৰ বাৰে তাৰে কেতবোৰৰ মৃত্যুও নঘটা নহয়; তথাপিওঁ যোগ্যজনৰ সম্পাদনাত জীৱন্ত হৈ উঠা সৃষ্টিবোৰে ৰখাই থৈ যায় এক মচিব নোৱাৰা চাপ।
এই সাহিত্যৰ সাধনা, প্ৰচাৰ আৰু প্ৰসাৰৰ কৌটিকলীয়া যাত্ৰাত সদ্য সংযোজিত হোৱা "আলোড়ন" আলোচনীখনলৈ যাঁচিছো আন্তৰিক অভিনন্দন আৰু কামনা কৰিছোঁ ইয়াৰ দীৰ্ঘায়ু। ই-আলোচনীখনৰ প্ৰকাশৰ লগত জড়িত সকলোটিলৈকে মোৰ হিয়াভৰা ওলগ যাচিলোঁ। এই চেষ্টা সৰ্বাংগসুন্দৰ হৈ প্ৰকাশ পাওঁক তাৰ বাবে আন্তৰিক শুভেচ্ছাৰে...

সম্পাদনা সমিতি

সম্পাদক :
অংকিতা বৰা
সদস্যবৃন্দ :
নিশা বৰা
জ্ঞান জ্যোতি বনিয়া
দীপজ্যোতি বৰা









ধন্যবাদ